জানুৱাৰী 2012 ■ ₹ 20/-

চান্দমামা

Mumbai Edition

নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে


PARLE
আলু চাট যদিহে খাওঁ
প্ৰতি বাৰেই খিৰিকীৰ কাষত ছিট পাওঁ।
SCHOOL BUS
Parle's
Wafers
20% Extra
Aloo Chaat
FLAVOUR
Potato Chips
বিকিৰ লাকী ফ্লেভাৰ হ'ল
আলু চাট, ইয়াৰ বাইট
ললেই তাৰ ভাগ্য হৈ পৰে ৰাইট।
পাৰ্লেজ ৰেফাৰ্চ
খাই থাকা,
তোমাৰ বাৰু কি
ফাণ্ডা?
Also available in Tangy Tomato, Classic Salted,
Cream n' Onion, Masala Masti, Red Chilli Achaar.

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক যুৱ-তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

বিস্ময় বালক

৩ বছৰ ৬ মাহ বয়সৰ শিশু সেহজদীপ সিং কোহলিৰ স্মৃতি শক্তি অসাধাৰণ। তেওঁ সকলো কথাই কম সময়ৰ ভিতৰতে শিকি পেলায়। মাত্ৰ ৫২ ছেকেণ্ডৰ ভিতৰতে তেওঁ ১০৫ দেশৰ জাতীয় পতাকা মনত ৰাখিব পাৰে। তেওঁ ৪ টা অভিলেখ স্থাপন কৰিছে আৰু তাৰে ভিতৰৰ তিনিটা ৰেকৰ্ড ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰু এটা ৰেকৰ্ড এছীয় পৰ্যায়ৰ।

এই বিস্ময় বালকে বিশ্বৰ নানা প্ৰান্তত সংঘটিত হৈ থকা নানা ধৰণৰ ঘটনাৰ বিষয়ে বিৱৰণ দিব পাৰে। এইবিলাকৰ ভিতৰত আছে, নানা দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক, খবৰ, মহাদেশ সম্পৰ্কীয় তথ্যপাতি, ৰাজহুৱা স্থান, বিখ্যাত লোক বা খেলুৱৈসকলৰ বিষয়ে তথ্য ইত্যাদি।

তেওঁ অতি কম সময়তেই ভাৰতৰ সকলোবিলাক ৰাজ্যৰে ৰাজধানীবিলাক কৈ যাব পাৰে। এজন প্ৰাপ্তবয়স্কলোকেই সেই কাম কৰিবলৈ তেওঁতকৈ বেছি সময় লয়।

কম্পিউটাৰ পৰিচালনা কৰাটো তেওঁ অতি সুদক্ষ। এই বয়সত শিশুৰ বাক শক্তিও ভালদৰে বিকশিত হৈ নুঠে। কিন্তু শিশু সেহজদীপে অনৈক্যৰ মাজত ঐক্য আৰু জাতীয়তাবাদৰ ওপৰত ১০,০০০ লোকৰ সন্মুখত এটা সুন্দৰ ভাষণ প্ৰদান কৰি সকলোকে অবাক কৰি তোলে। এই লোকসকলৰ ভিতৰত বহু পণ্ডিতো উপস্থিত আছিল।

আমি এই বিস্ময় বালকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

জানুৱাৰী ২০১২ ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar
Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju
Sub Editor :
Patricia Pandian
General Manager :
Sowmya Bharadwaj
Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar
Artist :
Venki
Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar
Production In-charge :
Prashant Pawar
Circulation:
circulation@chandamama.com
Asst. Manager - Sales & Circulation:
Subhankar Rej
Sales Officer - Circulation :
K. Ravishankar
Advertisement :
sales@chandamama.com
Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 January 2012 Issue-01

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি – কানাড়া ...০৯
* মোৰ স্মৃতি – হিন্দী ...১০
* সবাতোকৈ যোগ্যজনৰ সন্ধান ...১১
* জীৱন্ত দেৱতা ...১৭
* সন্তুষ্টি ...২১
* মিত্ৰ ভেদ – ২৬ ...২৫
* সমালোচনা ...২৮
* চিকাৰী ...৩১
* পাৰ্থক্য ...৩৩
* ভাগ্যৰ খেল ...৩৫
* প্ৰমাণ ...৩৯
* দুয়োৰে মাজত অন্তৰ ...৪২
* দোষাৰোপ ...৪৪
* দুৰ্জনৰ সংগ ...৪৮
* নিৰ্বাণ বিচাৰি ...৫২
* বীৰৰ ইচ্ছাশক্তি ...৫৪
* শিথিলালয় – ২২ ...৫৫
* সঁচা সন্যাসী ...৬৩
* পাপ কাৰ? ...৬৪
* বেআইনী উপাৰ্জন ...৬৮
* ভালেই হ'ল! ...৭০
* মই কি হ'ব পাৰো? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৩৬ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

মৰমৰ বন্ধুসকল,

চান্দমামাৰ পৰিয়ালৰ তৰফৰ পৰা সকলোটিলৈকে নৱবৰ্ষৰ আন্তৰিক শুভ কামনা জ্ঞাপন কৰিছো। আমি এই আশা লৈ নৱবৰ্ষক স্বাগতম জনাইছো যে এই বৰ্ষটি যোৱা বছৰতকৈ অধিক বেছি আনন্দময় আৰু সুখময় হব।

জানুৱাৰী মাহৰ ১৪ তাৰিখে আমি মকৰ সংক্ৰান্তি উদযাপন কৰো। মকৰ সংক্ৰান্তিৰ অৰ্থ হল যে শীতকালীন অয়নান্তৰ আৰম্ভণিৰ দিশৰ ফালে পৃথিৱীৰ কোণ সলনি হয়। দক্ষিণ ভাৰতত আমি পংগল উদযাপন কৰো। ই হ'ল শস্য চপোৱাৰ পিছৰ উৎসৱ। আমি এই মাহতে বসন্ত পঞ্চমী উদাযাপন কৰো, য'ত জ্ঞান, সংগীত, কলা আদিৰ দেৱী স্বৰস্বতীক আৰাধানা কৰা হয়।

২০১১ চনতো সকলোদিশৰ পৰাই বিশ্বৰ বাবে শুভ নাছিল। আমি বিশ্বই অৰ্থনৈতিক অস্থিৰ অৱস্থা লাভ কৰাৰ লগে লগে ইউৰোপৰ নানান দেশৰ অৰ্থনীতি প্ৰায় দেউলীয়া হোৱা দেখিবলৈ পালো। আমি 'মিডল ইষ্ট'ত গণতন্ত্ৰৰ জাগৰণ প্ৰতক্ষ্য কৰিলো। নানান ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ, যেনে চুনামী, বানপানী আদিয়ে নানান দেশৰ জনজীৱন বিপৰ্যস্ত কৰা দেখিবলৈ পালো। আমি যোৱা বছৰতে ভাৰতে বিশ্বকাপ ক্ৰিকেটত বিজয়ী হোৱা আৰু প্ৰথমবাৰৰ বাবে ফৰ্মুলা ৱান ৰেছ অনুষ্ঠিত কৰা দেখিবলৈ পালো। দেশৰ জনতাই এয়াও প্ৰতক্ষ্য কৰিলে যে দূৰ্নীতি নিয়ন্ত্ৰণ কৰিবৰ বাবে কৰা জনগণৰ দাবীৰ ওচৰত চৰকাৰে কেনেকৈ শিৰ নত কৰিলে।

এখন ৰাষ্ট্ৰ হিচাপে আমি সদায় সৱল। আমাৰ হাৰ মানিব নোখোজা মনোভাৱৰ বাবেই সময় আৰু বিদেশী শক্তিয়ে আমাৰ সংস্কৃতি নাশ কৰিব নোৱাৰিলে। একেধৰণেৰে আমি ২৬ জানুৱাৰীত গণৰাজ্য দিৱস পালন কৰাৰ লগতে আমি আমাৰ মাজত থকা একতাৰ এনাজৰী শক্তিশালী কৰাৰ প্ৰয়োজন আহি পৰিছে। আমাৰ ব্যক্তিগত পাৰ্থক্য পাহৰি একগোট হোৱাৰ সময় আহি পৰিছে। যোৱা ৬৪ বছৰে আমি বহু সাফল্য লাভ কৰিলো যদিও আৰু বহু কৰিবলগীয়া আছে। আমাৰ অৰ্থনৈতিক বিকাশৰ বাবে আমি বিশ্বত এক নব শক্তি হিচাপে মূৰ দাঙি থিয় হবলৈ সক্ষম হৈছো। আহা, আমি এনে এক উদাহৰণ স্থাপন কৰো, যাক বিশ্বই অনুসৰণ কৰিব। আমাৰ ঘৰখনক, দেশখনৰ বাবে কি কি কৰিব পৰা যায়, তোমালোকে আমালৈ লিখিবাচোন।

—সম্পাদক

পাঠকৰ পত্ৰ

মোৰ বয়স ৬৫ বছৰ, কিন্তু এটা শিশুৰ দৰেই মই চান্দমামা পঢ়ি উপভোগ কৰো। কিন্তু মই চান্দমামাৰ সংস্কৃত সংস্কৰণত বহু ছপাশালৰ ত্ৰুটি দেখিবলৈ পাইছো।

– অনন্তৰাম, পুট্টপাৰ্টি

চান্দমামাৰ উড়ীয়া সংস্কৰণৰ মই এজন নিয়মীয়া পাঠক। মই যোৱা ছয় বছৰ ধৰি নিয়মীয়াকৈ চান্দমামা পঢ়ি আহিছো। চান্দমামাৰ সকলো কাহিনীয়েই মোক আমোদ দিয়ে যদিও, 'বিক্ৰম-বেতাল', 'জাতকৰ কথা', 'পঞ্চতন্ত্ৰ' আদিৰ দৰে কাহিনীয়ে মোক বেছিকৈ আকৰ্ষণ কৰে। মই চান্দমামাত ৰামায়ণৰ কাহিনী আৰু ২৫ বছৰৰ পুৰণা কাহিনী পুণৰ প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো।

– কীৰ্তি ৰঞ্জন, লেংকা কেন্দ্ৰপাৰা, উৰিষ্যা

সকলো ভাৰতীয়লৈ এয়া মোৰ আহ্বান। অনুগ্ৰহ কৰি সকলোৱেই আপোনাৰ নিজৰ ভাষাত চান্দমামা পঢ়ক আৰু হৃদয়ংগম কৰক। অনুগ্ৰহ কৰি আপোনাৰ সন্তানক চান্দমামা পঢ়িবলৈ উৎসাহিত কৰক যাতে তেওঁলোকে নানা নীতি কথা শিকিব পাৰে, আমাৰ গৌৰৱময় অতীতৰ কথা জানিব পাৰে। চান্দমামা পঢ়ি লাভ কৰা জ্ঞানৰ পৰা আপুনি আপোনাৰ সন্তানক আমাৰ দেশৰ অতীত কালৰ ঋষি আৰু বিদ্বান সকলে দি থৈ যোৱা জ্ঞান দান কৰিব পাৰে।

– বি ৰাজেশ্বৰ মূৰ্তি, চিলাকালপুডি, বান্দাৰ, কৃষ্ণ জিলা

এইটো বৰ ভাল কথা যে আপোনালোকে যোৱা মাহৰ সংখ্যা ৩১ তাৰিখেই প্ৰকাশ কৰিলে। মই এনে কোনো আলোচনী দেখা নাই যি ইমান সময়মতে প্ৰকাশিত হয়। কেৱল চান্দমামাৰ ক্ষেত্ৰতেই এনে হোৱাটো সম্ভৱ। চান্দমামাই এনে কাহিনী প্ৰকাশ কৰি আহিছে, যিবিলাক বাস্তৱিক। এই কাহিনীবিলাক শিশুমনৰ বাবে উপযোগী। ৰঙীন চিত্ৰসমূহেও সোণত সুৱগা চৰায়। কিন্তু মই ভাৱো যে শিশুৰ বাবে চান্দমামাৰ ভাষা অলপ কঠিন। ভাষা অলপ সৰল হলে শিশুৱে আৰু বেছি উপভোগ কৰিব পাৰিব।

– বি জি মোহন ৰাও, তিৰুনিন্দ্ৰাভুৰ

শিশুৱে নৌকা যাত্ৰা উপভোগ কৰি থকা যোৱা মাহৰ চান্দমামাৰ বেটুপাতখন অতি সুন্দৰ। মই চান্দমামাৰ মোৰ স্মৃতি শিতানলৈ মোৰ স্মৃতি লিখি ইতিমধ্যেই প্ৰেৰণ কৰিছো আৰু সেয়া প্ৰকাশিত হোৱালৈ আগ্ৰহেৰে বাট চাই আছো। এখন চাইকেল উপহাৰ দিয়াৰ বাবে দেউতাকৰ প্ৰতি বান্টিৰ কৃতজ্ঞতাৰ কাহিনীটো বৰ ভাল হৈছে। মই আন এটা কাহিনীৰ সেই চুলতান আৰু সাধুৰে তৰ্ক কৰি থকা অংশও বৰ ভাল পালো। ইয়াত এই কথা কোৱা হৈছে যে জন্তুৱে অনাহকত মানুহ আদি বধ নকৰে আৰু তাৰ মাংস ভক্ষণ নকৰে। 'নাম্মাকাম' নামৰ কাহিনীটোও বৰ সুন্দৰ আৰু তাত বোৱাৰীসকলক এই কথা কোৱা হৈছে যে শাহুও মাকৰ দৰেই মৰমিয়াল। অনুগ্ৰহ কৰি সাধাৰণ জ্ঞানৰ কুইজ প্ৰকাশিত নকৰিলেই ভাল হব। 'কুকি'ৰ বিষয়ে চান্দমামাই

যিমান তথ্য জানিবলৈ দিছে, মই বাজী মাৰি কব পাৰো যে আনকি এজন প্ৰাপ্তবয়স্ক লোকেও সিমানখিনি কথা নাজানে।

– বাস্তু ৰামচন্দ্ৰ, ৰামজী নগৰ, নেল্লোৰ

আমি ছমাহৰ আগৰে পৰা আমাৰ ভতিজাকেইটাৰ বাবে নিয়মীয়াকৈ চান্দমামা কিনিবলৈ আৰম্ভ কৰিলো। এতিয়া আমি এটা নতুন সমস্যাত ভুগিছো। কোনে প্ৰথমতে চান্দমামা পঢ়িব তাকে লৈ ভতিজাকেইটাই কাজিয়া কৰা আৰম্ভ কৰি দিছে। আমি কৈছো যে এজনৰ পিছত আন এজনে আলোচনীখন পঢ়িব পাৰে। কিন্তু সিঁহতে সেই কথা শুনা নাই। মোৰ কণ্যাই ভাৱে যে চান্দমামাখন তাইৰ নামত ডাকত আহিব লাগে। আমি এই সমস্যাবিলাক সমাধান কৰিব পৰা নাই। আনকি আমি এইকথাও চিন্তা কৰিছো যে আমি প্ৰতিটো শিশুৰ বাবে চান্দমামাৰ এটাকৈ প্ৰতিলিপি ক্ৰয় কৰিম, যি প্ৰতিলিপি সিঁহতৰ নিজৰ নিজৰ নামত আহিব। যদি কোনোবাই মোক সোধে যে এই বয়সতো মই চান্দমামা কিয় পঢ়ো, মোৰ বৰ খং উঠে। মই যদি চান্দমামা পঢ়ো, তাত তেওঁলোকৰ কি সমস্যা হৈছে।

– জ্ঞান প্ৰাচুন, ৰেণীগুন্টা, তিৰুপতি

চান্দমামাক মোৰ এটা কথা কবলগীয়া আছে। অনুগ্ৰহ কৰি ফটোৰ শীৰ্ষক দিয়া প্ৰতিযোগিতা পুণৰ আৰম্ভ কৰক। অনুগ্ৰহ কৰি কুইজ আৰু চুডুকু পাজলো প্ৰকাশ কৰা অব্যাহত ৰাখক। সিবিলাকে শিশুৰ চিন্তা শক্তি বৃদ্ধি কৰাত সহায় কৰে। পঞ্চতন্ত্ৰ আৰু শিথিলালয় কাহিনীয়ে বৰ সুন্দৰ মোৰ লৈছে। অনুগ্ৰহ কৰি আমালৈ নৱবৰ্ষৰ উপহাৰ হিচাপে কুইজ আৰু চুডুকু পাজল প্ৰকাশ কৰা অব্যাহত ৰাখক।

– বিজ্ঞানানু ৰাজেশ্বৰ, পুংকল, আদিলাবাদ

অনুগ্ৰহ কৰি ১৯৬৮-৬৯ চনৰ ধাৰাবাহিক ‘কৃষ্ণৰ অৱতাৰ’ পুণৰ প্ৰকাশ কৰক। তাৰোপৰি শংকৰ আৰু চিত্ৰাৰ চিত্ৰ আৰু ৰেখাংকনেৰে আৰৱীয় কাহিনীৰ ধাৰাবাহিক পুণৰ প্ৰকাশ কৰক। অনুগ্ৰহ কৰি পৃষ্ঠাৰ সংখ্যা কমাই দি পৃষ্ঠাৰ প্ৰস্থ অলপ বৃদ্ধি কৰক। যদি প্ৰয়োজন হয়, তেন্তে মূল্যও অলপ বৃদ্ধি কৰিব পাৰে।

– সুনীতা, চিত্ৰশিল্পী, হাইদৰাবাদ

চান্দমামাৰ সকলো কাহিনীয়েই বৰ আমোদজনক আৰু উপভোগ্য। মই প্ৰতিটো মাহতেই চান্দমামাৰ কাহিনীসমূহৰ জুতি লৈ আহিছো। ইয়াৰ চিত্ৰ সমূহো অতুলনীয়। বিক্ৰম-বেতালৰ কাহিনী আৰু পঞ্চতন্ত্ৰৰ কাহিনীসমূহো অতি আনন্দদায়ক। মই সেই কাহিনীবিলাক পঢ়িবৰ বাবে প্ৰতিমাহেই চান্দমামা আহি পোৱালৈ অপেক্ষা কৰি থাকো। ‘ভাষাৰ মালিহা’ শিতানে আমাক ভাৰতীয় ভাষাসমূহৰ বিষয়ে কিছু কথা শিকিবলৈ সুবিধা দিছে। সাধাৰণ জ্ঞানৰ কুইজ শিতানে আমাক বহু নজনা কথা জানিবলৈ দিছে। নানা ধৰণৰ শিতানেৰে চান্দমামাক সজাই তোলাৰ বাবে আমি সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিছো।

– টাটা ভাৰ্যাশ্ৰী আৰু অনিশ কুমাৰ, ব্ৰদী পেটা, গুন্টুৰ-২

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!

Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex : ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number (for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees ....

Cheque/DD No ....

favouring Chandamama India Ltd on ....

.... bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 240	Rs. 375
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 190	Rs. 300
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		Rs. 35	Rs. 80	Rs. 145	Rs. 225

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – কানাড়া

১৯৭৯ চনত মই যেতিয়া ১২ বছৰ বয়সীয়া শিশু আছিলো, মোৰ দদাইদেৱে চান্দমামা, বলমিত্ৰ, বম্বেমানে আদি আলোচনী কিনিছিল আৰু সেইবিলাক পঢ়িছিল। যদিও সেইসময়ত নানা ধৰণৰ শিশু আলোচনী বজাৰত পোৱা গৈছিল, চান্দমামা আছিল এনে এখন আলোচনী যাক সকলোৱে বৰ ভাল পাইছিল। চান্দমামাৰ সকলো সংখ্যা আমি ভালদৰে সংৰক্ষণ কৰি থৈছিলো। মই তেতিয়া কেৱল পঞ্চম মান শ্ৰেণীত অধ্যয়ন কৰি আছিলো। মই প্ৰথমবাৰৰ বাবে চান্দমামাত 'আট্টৰু চাহিবা' কাহিনীটো পঢ়িছিলো। আজি পৰ্যন্ত মোৰ সেই কাহিনীৰ নামটো মনত আছে। তাৰ পিছৰে পৰাই মই নিয়মিত চান্দমামা পঢ়ি আহিছো। আন এটা আমোদজনক কাহিনীৰ কথা মোৰ মনত আছে, যি কাহিনীত এগৰাকী তিৰোতাই 'আঞ্জাত দিয়া শাকৰ' বাবে চুবুৰীয়াৰ লগত কাজিয়াত লিপ্ত হৈছে। সেই কাহিনীৰ নাম আছিল, 'নেৰেমানেয়া সৰচাম্মা' (চুবুৰীয়া সৰচাম্মা)। কাহিনীটো ইমানেই ভাল লাগিছিল যে এতিয়াও মোৰ সম্পূৰ্ণকৈ মনত আছে।

Name: S.M. Loni
Occupation: Teacher
Bijapur, Karnataka.

১৯৮২ চনত মই যেতিয়া মোৰ আইতাৰ লগত বিজাপুৰলৈ গৈছিলো, তেতিয়া তেওঁ মোক হাত খৰচৰ বাবে ২ টকা দিছিল। মোৰ তেতিয়ালৈকে চান্দমামা পঢ়াৰ অভ্যাস গঢ় লৈ উঠিছিল। সেই পইছাৰে মই চান্দমামা কিনি পেলাইছিলো। সেই বহুৰঙী চান্দমামাখন আছিল অতি সুন্দৰ আৰু চকুতলগা। 'ভাদ্যতে টিলিডাভানু', 'ব্যাডুৰুচু ৰোজা' আদি কাহিনীসমূহ আছিল অতি সুন্দৰ আৰু সেইবিলাকে পাঠকক নীতিশিক্ষা প্ৰদান কৰিছিল। 'মুভাৰু মন্ত্ৰীকাৰু' ধাৰাবাহিক আছিল বেছ আকৰ্ষণীয়।

মোৰ ওচৰত যোৱা দশকৰ সকলো সংখ্যাৰে সংগ্ৰহ আছে। মই আপোনালোকক 'আট্টৰু চাহিবা' আৰু 'নেৰেমানে সাৰচম্মা' কাহিনী দুটা পুণৰ প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো। চান্দমামা হ'ল এনে এখন আলোচনী যি শিশুৰ পৰা প্ৰাপ্তবয়স্কলৈকে সকলো ধৰণৰ লোকক জ্ঞান প্ৰদান কৰে। চান্দমামাই শিকাই যে সত্য, সততা, মৰম, স্নেহ আদিৰে সমগ্ৰ বিশ্বক জয় কৰিব পাৰি।

পুৰণি বস্তু মূল্যৱান। গতিকে মই চান্দমামাত অধিক পুৰণি কাহিনী প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো। আজিৰ যুগত আমি আমাৰ মাজত সুস্থ মূল্যবোধৰ বিকাশ ঘটাবৰ বাবে এনে ধৰণৰ কাহিনীৰ অতীৱ প্ৰয়োজন। পৰিৱেশ, জন্তু বা চৰাই-চিৰিকতি আদিৰ ওপৰত কেৱল ১টা বা ২টা কাহিনীয়েই যথেষ্ট। অনুগ্ৰহ কৰি এনে পুৰণা কাহিনী প্ৰকাশ কৰক, যিবিলাকে পাঠকক সুস্থ মূল্যবোধৰ শিক্ষা প্ৰদান কৰে। চান্দমামা আমাৰ ঘৰৰ সকলো শিশুৱেই পঢ়ি বৰ ভাল পায়।

মোৰ স্মৃতি – হিন্দী

শৈশৱ কালৰে পৰাই চান্দমামাৰ লগত মোৰ এক বিশেষ সম্পৰ্ক আছে। মোৰ জন্মৰ সময়ত মোৰ পিতৃ-মাতৃয়ে সীতাপুৰত বাস কৰিছিল। মই জন্ম লাভ কৰাৰ আগৰে পৰাই মোৰ পৰিয়াল চান্দমামাৰ নিয়মিত গ্ৰাহক আছিল। 'বিচিত্ৰ জুডুৱা', 'ভয়ংকৰ ঘাট্টি', 'মন্ত্ৰীক', 'শিথিলালয়', 'দুৰ্গেশ নন্দিনী' আদি কাহিনীৰ স্মৃতিয়ে মোৰ মনক আজিও পুলকিত কৰে।

মোৰ দেউতাই চান্দমামাৰ সকলো সংখ্যা পকা বন্ধাই মোক দিছিল। তাৰে বহুতো সংখ্যা আমাৰ সম্পৰ্কীয় লোকে পঢ়িবৰ বাবে লৈ গৈছিল। কিন্তু বেছিভাগেই মোৰ ওচৰত এতিয়াও অক্ষত অৱস্থাত আছে। তাৰোপৰি মই আজিও নিয়মিতভাৱে চান্দমামাৰ নতুন নতুন সংখ্যা ক্ৰয় কৰি আছো।



Name: Krishna Gopal
Occ: Sr. Sub Editor, Aaj.
Gorakhpur (U.P.).

৭৮ চনৰ পৰা ৮২ চনলৈকে মই পঞ্জাৱত আছিলো। তেতিয়া মই হিন্দী আৰু পাঞ্জাৱী ভাষাৰ চান্দমামা কিনিছিলো। সেই কাৰ্যই মোক পাঞ্জাৱী ভাষা শিকাত সহায় কৰিছিল। মোৰ শিশুকালৰ এটা মজাৰ কাহিনী মই এইখিনিতে উল্লেখ কৰিব খুজিছো। সেয়া আছিল সম্ভৱত ১৯৬৫ চনৰ ডিচেম্বৰ মাহৰ এটা ঘটনা। মোৰ দেউতা অফিচৰ কামত ভ্ৰমণত গৈছিল। তেওঁ মোক কিবা আনিব লাগিব নেকি সুধিলে। উত্তৰত মই তেওঁক চান্দমামা আনিবলৈ কলো। তেওঁ যেতিয়া উভতি আহিল, মিঠাই আৰু আন আলোচনী লৈ আহিল, কিন্তু চান্দমামা নানিল। মই সেইবিলাকৰ এখনো নপঢ়িলো আৰু কেইদিনমান খোৱা বোৱাও নকৰিলো। তাৰপিছত দেউতাই আমাৰ অঞ্চলৰ বাতৰি কাকত আৰু আলোচনী বিলনীয়াক প্ৰতিমাহতেই আমাৰ ঘৰত চান্দমামা দি যাবলৈ কলে।

যেতিয়া মই ডাঙৰ হৈ পিতৃ হলো, তেতিয়াও আমি নিয়মিতভাৱে চান্দমামা কিনি আহিছিলো। মোৰ কণ্যা সুৰভি শ্ৰীবাস্তৱে চান্দমামা প্ৰকাশনৰ পৰা দুবাৰকৈ শ্ৰেষ্ট কাহিনী ৰচোতাৰ বঁটা লাভ কৰে। এতিয়া তাই জীৱবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। মই এইবাবে গৌৰৱান্বিত যে চান্দমামাই তাইৰ সাফল্যাত বেছ সহায় কৰি আহিছে।

Request to readers: Contributors of stories, memories are requested to send in their entries with their complete name, address, phone no and other contact details to enable us to get back to you.

Write to us:

Chandamama India Ltd., No:2 Ground Floor,
Swathi Enclave, Amman koil street, Vadapalani, Chennai-600026.
• Phone: 044-43992828 • Email : online@chandamama.com



বেতাল কথা

সবাতোকৈ যোগ্যজনৰ সন্ধান

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, ''হে ৰাজন, মোৰ এনে ভাৱ হৈছে যে তুমি কিবা এটা ৰহস্যময় শক্তি লাভ কৰিবৰ বাবে এনে এটা কঠিন কামৰ দায়িত্ব কান্ধ পাতি লৈছা। নহলে তুমি ভাৱা যে এই পৃথিৱীৰ সকলো লোকেই আত্মকেন্দ্ৰীক আৰু লুভীয়া। এই বিশাল সংখ্যাৰ আত্মকেন্দ্ৰীক আৰু লুভীয়া লোকৰ মাজৰ পৰা সৎ, বিশ্বাসী আৰু সত্যৱাদীলোক বিচাৰি উলিওৱাটো বেছ কঠিন।

মই তোমাক এটা কাহিনী কম। তুমি বুজিব পাৰিবা যে আত্মকেন্দ্ৰীক আৰু লুভীয়া লোকৰ মাজৰ পৰাও সৎ, বিশ্বাসী আৰু সত্যৱাদী লোক বিচাৰি পাব পৰা যায়।''

এসময়ত কাশী আছিল ভাৰতৰ ভিতৰতে এখন বিখ্যাত আৰু সুন্দৰ নগৰ। এই সৰু চহৰ খনৰ আছিল নিজা পৰিচয় আৰু বিশেষত্ব। ই আছিল এখন স্বাধীন ৰাষ্ট্ৰ। সমগ্ৰ বিশ্বতে কাশী ৰাজ্যৰ ৰজাৰ আছিল এক সম্মানীয় পৰিচয়। সেই সময়ত, মহাৰাজ দেৱেশ্বৰ প্ৰতাপ সিঙে এই ৰাজ্যত ৰাজত্ব কৰিছিল।

কাশী ৰাজ্যৰ ৰজা দেৱেশ্বৰ প্ৰতাপ সিং আছিল সাহসী, বুদ্ধিমান আৰু সৎ। তেওঁ ৰাজ্যৰ প্ৰজাৰ সুখ-সুবিধাৰ প্ৰতি বিশেষভাৱে দৃষ্টিদিছিল। কাশী ৰাজ্যৰ প্ৰজাসকলেও ৰজাক প্ৰাণভৰি ভাল পাইছিল আৰু সন্মান কৰিছিল। বহু বছৰ ধৰি সুকলমে ৰাজ্য শাসন কৰাৰ পিছত তেওঁ ভাগৰি পৰিল।

ৰজাই এই বিষয়ে প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰ শাস্ত্ৰীৰ লগত আলোচনা কৰিলে।

শাস্ত্ৰীয়ে কলে, "আপুনি সকলো প্ৰশাসনীয় কাম-কাজ বহু দিন ধৰি চলাই আছে। আপোনাক অলপ আৰামৰ প্ৰয়োজন। ৰজা হিচাপে আপুনিয়েই ৰাজ্যৰ সৰ্বোচ্চ প্ৰশাসনীয় বিষয়া। তাৰোপৰি ৰাজভঁৰালৰ বিষয়া হিচাপে আপোনাৰ আন বহু দায়িত্ব আছে। যদিও ৰাজভঁৰালৰ তদাৰক কৰিবৰ বাবে এজন বিষয়া থকা দৰকাৰ, আপুনি নিজেই সেই দায়িত্ব কান্ধ পাতি লৈ আজি পৰ্যন্ত সুকলমে তাক পালন কৰি আহিছে। যিহেতু কাশী ৰাজ্যৰ ৰজাসকলৰ বাবেই এয়েই পৰম্পৰা, গতিকে আপোনাৰ বাবে ই এটা অতিৰিক্ত দায়িত্ব হৈ পৰিছে।"

ৰজাই সুধিলে, "এনে কিয় হৈছে? এজন ৰজাই ৰাজ্যৰ প্ৰশাসনিক কাম-কাজৰ দায়িত্ব লব লাগে। কিন্তু তেওঁ কি যুক্তিত ৰাজভঁৰাল তদাৰক কৰাৰ দায়িত্ব লব লাগে? তুমি ঠিকেই কৈছা? মোৰ দায়িত্ব প্ৰয়োজনতকৈ বেছি হৈ পৰিছে। কিন্তু কিয় এয়া আমাৰ পৰম্পৰা হৈ আহিছে? ইয়াৰ কাৰণ কি?"

শাস্ত্ৰীয়ে কলে, "পৰম্পৰাগত ভাৱেই কাশী ৰাজ্যৰ ৰজাই ৰাজভঁৰাল চোৱা-চিতা কৰাৰ ভাৰ লৈ আহিছে। আপোনাৰ পিতৃ মহাৰাজ যুদ্ধবীৰ সিঙে এই পৰম্পৰাৰ আৰম্ভ কৰে। গতিকে, সেইভাৱেই ৰজা হোৱাৰ লগে লগে ৰাজ্যৰ প্ৰশাসনিক দায়িত্বৰ লগতে ৰাজভঁৰাল তদাৰকৰ দায়িত্বও আপোনাৰ ওপৰত আহি পৰে।"

"মন্ত্ৰী ডাঙৰীয়া, আপুনি এজন বেছ অভিজ্ঞতা থকা লোক আৰু মোতকৈ বয়সতো জেষ্ঠ্য। আপুনি মোৰ দেউতাৰ ৰাজসভাতো সেৱা আগবঢ়াইছিল। তেওঁ নিশ্চয় আপোনাৰ লগত ৰাজ্যৰ বহু ধৰণৰ সমস্যাৰ কথা

আলোচনা কৰিছিল। অনুগ্ৰহ কৰি কি কাৰণে এনে এক পৰম্পৰাৰ সৃষ্টি হ'ল সেইবিষয়ে মোক বিৱৰি কৈ মোৰ কৌতুহল দূৰ কৰক।''

শাস্ত্ৰীজীয়ে হাঁহি মাৰি কলে, ''এই পৰম্পৰাৰ আঁৰত এক ঐতিহাসিক সত্য লুকাই আছে। আপোনাৰ দেউতাই প্ৰায়েই ছদ্মবেশ ধৰি ৰাজ্য ভ্ৰমণ কৰি ফুৰিছিল। তেওঁৰ উদ্দেশ্য আছিল ৰাজ্যৰ প্ৰজাৰ অভাৱ-অভিযোগৰ বুজ লোৱা। কোনো কোনো সময়ত তেওঁ নানা ধৰণৰ চৰকাৰী চাকৰিয়ালৰ কাম কৰাৰ সক্ষমতা পৰীক্ষা কৰিছিল। ছদ্মবেশত থকাৰ বাবে ৰাজ্যৰ নাগৰিকে তেওঁক চিনিব নোৱাৰিছিল আৰু তেওঁ ৰাজ্যৰ প্ৰয়োজনীয় সকলো বাতৰি সংগ্ৰহ কৰিছিল।

ময়ো মহাৰাজৰ এনে বহু ভ্ৰমণৰ সংগী আছিলো। এদিনাখন ৰাতি, তেওঁ নগৰত ঘূৰি ফুৰিছিল আৰু এবাৰ হঠাতে তেওঁ এটা ৰাজ-গুদামঘৰত প্ৰৱেশ কৰিলে। আমি এই কথা দেখি আঁচৰিত হলো যে ৰাতিও তাত চাকি জ্বলি আছিল। তাত আমি কাৰোবাৰ কথোপকথন শুনিবলৈ পালো। মনে মনে জুমি চাই আমি যি দেখিবলৈ পালো সেয়া আছিল অতি আচৰিত হবলগীয়া। ৰাজ্যৰ ৰাজভঁৰালৰ বিষয়াই তেওঁ সহকাৰীৰ সহায় লৈ ৰাজসম্পদ চুৰি কৰিবলৈ চেষ্টা কৰিছে। সিঁহত আমাৰ হাতত হাতে-লুটে ধৰা পৰিল। সহকাৰী পলাই যাবলৈ সক্ষম হলেও ৰাজভঁৰালৰ বিষয়া বন্দী হ'ল।

মহাৰাজে তাক ততালিকে বন্দী কৰি পিছদিনাই বিচাৰৰ বাবে ৰাজসভাত উপস্থিত কৰাবলৈ সেনাধিপতিক আদেশ কৰিলে।

পিছদিনা মহাৰাজ যুদ্ধবীৰ সিঙে ৰাজসভালৈ সকলো সভাসদক আমন্ত্ৰণ জনালে। সকলো সভাসদে মিলি অপৰাধৰ বিষয়ে আলোচনা কৰিলে আৰু শেষত একমত প্ৰকাশ কৰিলে যে ৰাজভঁৰালৰ বিষয়াৰ অপৰাধৰ



হ'ল গুৰুতৰ। তেওঁক মৃত্যুদণ্ড বিহা হ'ল। যি কি নহওক, মহাৰাজ আৰু ৰাজবৈদ্য আচাৰ্য বিদ্যাধৰ বৰ দয়ালু আছিল।

শাস্ত্ৰীজীয়ে কৈ গ'ল, ''তেওঁ মোৰ লগতো এই বিষয়ে পৰামৰ্শ কৰিলে। আমি অৱশেষত এই সিদ্ধান্ত ললো যে সেই বিষয়াক চহৰৰ সমগ্ৰ প্ৰজাৰ আগত মৰ্যদাহানি কৰি যাৱজ্জীৱন কাৰাদণ্ড বিহা হওক। কিন্তু সেই বিষয়া তাৰ অলপ দিনৰ পিছতে কাৰাগাৰৰ ভিতৰতে বেমাৰত পৰিল আৰু মৃত্যু মুখত পৰিল।

তাৰ পিছৰ পৰাই মহাৰাজ এই বিষয়ে বেছ সচকিত হৈ পৰিল। তেওঁ সিদ্ধান্ত ললে যে কাশীৰ ৰজাই নিজেই ৰাজভঁৰালৰ তদাৰকৰ দায়িত্ব লব। সেই তেতিয়াৰে পৰাই এই পৰম্পৰাৰ আৰম্ভণি হ'ল।

তেতিয়া ৰজাই কলে, ''এই সিদ্ধান্তক মই সন্মানেৰে সমৰ্থন কৰো। কিন্তু এই অতিৰিক্ত দায়িত্বই ৰজাক প্ৰশাসনৰ কাম সুকলমে চলাই যোৱাত অসুবিধাৰ সৃষ্টি কৰিছে। এই সমস্যাৰ বাবে এটা যথোপযুক্ত আৰু চিৰস্থায়ী সমাধান বিচাৰি উলিওৱাৰ প্ৰয়োজন। সেই সমাধান এনে হব লাগে যে যি ৰাজ্যৰ প্ৰশাসন চলোৱাটো সহজ কৰি তুলিব লগতে ৰাজভঁৰাললৈ অহা ৰাজ্যৰ প্ৰজাৰ সম্পদ সুৰক্ষিত কৰি ৰাখিব।''

তেতিয়া প্ৰধানমন্ত্ৰীয়ে কলে, ''মই চিন্তা কৰি পোৱা একমাত্ৰ সমাধানটো হ'ল, আপুনি অতিশয় বিশ্বাসী কাৰোবাৰ হাতত ৰাজভঁৰালৰ দায়িত্ব অৰ্পণ কৰাটো উচিত হব। আমি আন ঠাইৰ পৰা তেনে এজন লোক বিচাৰি অনাতকৈ আমাৰ ৰাজ্যৰে এজনৰ বাচি উলিওৱাটো ভাল হব।''

''ঠিক আছে, কালিলৈ ৰাজ সভাত ৰাজভঁৰালৰ বিষয়াৰ পদৰ বাবে আবেদন পত্ৰ বিচৰা যাওক।'' ৰজা প্ৰধান মন্ত্ৰীৰ পৰামৰ্শত মান্তি হ'ল।

''আমি তাৰপিছত সেই আৱেদন পত্ৰসমূহ ভালদৰে পৰীক্ষা কৰি সাক্ষাৎকাৰৰ ব্যৱস্থা কৰিম। তাৰপিছত সকলোৰে মাজৰ পৰা উত্তম লোকজনক বিচাৰি উলিয়াম। এই কাৰ্য সুকলমে সমাধা কৰিবৰ বাবে আমি এখন সমিতি গঠন কৰিম আৰু আপুনি সেই সমিতিৰ নেতৃত্ব লব। তাত সদস্য হিচাপে থাকিম মই আৰু লগতে সেনাধক্ষ্য, ৰাজবৈদ্য আৰু ৰাজগুৰু। আপুনি এই বিষয়ত মান্তি আছেনে?'' শাস্ত্ৰীয়ে সুধিলে।

ৰজা এই কথাত মান্তি হ'ল আৰু পিছদিনাই ৰাজভঁৰালৰ বিষয়া পদৰ বাবে আৱেদন পত্ৰ বিচাৰি ঘোষণা কৰা হ'ল। ৰাজ্যৰ নানা ঠাইৰ পৰা প্ৰায় এশজন লোকে সেই পদৰ বাবে আৱেদন দাখিল কৰিলে।

ৰজাই দকৈ চিন্তা কৰিলে। সঁচাকৈয়ে এই পদটো ইমান গুৰুত্বপূৰ্ণনে যে সকলোৱেই তাক লাভ কৰিব বিচাৰে ?

তাৰপিছত তেওঁ চয়ন সমিতিৰ এখন সভা আহ্বান কৰিলে। তেওঁলোকে আৱিষ্কাৰ কৰিলে যে বিশাল গুপ্ত নামৰ এজন লোকে সেই পদৰ বাবে আৱেদন নকৰিলে, যি আছিল অৰ্থনীতিত বিশাৰদ। বিশাল গুপ্তই ৰাজ্যৰ নানা অৰ্থনীতি সম্পৰ্কীয় বিষয়ত পৰামৰ্শ প্ৰদান কৰিছিল আৰু ৰাজ্যৰ অৰ্থনীতি চোৱা-চিতা কৰিছিল।

তেওঁলোকে এই কথা চিন্তা কৰি বিমোৰত পৰিল যে উপযুক্ত অৰ্হতা থকা স্বত্বেও এনে এজন লোকে কিয় ৰাজভঁৰালৰ বিষয়া পদৰ বাবে আৱেদন নকৰিলে। তাৰপিছত সকলো আৱেদনকাৰীক তেওঁলোকে পিছদিনাখন দৰবাৰলৈ সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ জনালে।

পিছদিনাখন দৰবাৰত সাক্ষাৎকাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। আৱেদনকাৰীৰে ৰাজসভা ভৰি পৰিল। ৰজাৰ আজ্ঞা লৈ প্ৰধান মন্ত্ৰীয়ে সকলো আৱেদনকাৰীক উদ্দেশি কলে, ''ৰজাসভাই আপোনালোক সকলোৰে পৰা এই কথা জানিব বিচাৰে যে আপোনালোকে কিয় নিজকে এই পদৰ বাবে সৰ্বোত্তম প্ৰাৰ্থী বুলি ভাৱে আৰু এই পদৰ বাবে কি কাৰণে আৱেদন কৰিছে।''

শতাধিক প্ৰাৰ্থীৰ কোনোৱেই সন্তোষজনক উত্তৰ প্ৰদান কৰিব নোৱাৰিলে। তেওঁলোকে ইয়াকো যুক্তিৰে প্ৰমাণ কৰিব নোৱাৰিলে যে তেওঁলোক কিয় সেই পদৰ বাবে উপযুক্ত। যেতিয়া সকলোৱে পতিয়ন যাব নোৱাৰা উত্তৰ দিলে, তেতিয়া প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে ৰজাৰ আজ্ঞা লৈ

সেই একে কেইটা প্ৰশ্ন বিশাল গুপ্তক কৰিলে, যি সেই পদৰ বাবে আৱেদন কৰা নাছিল।

বিশাল গুপ্ত থিয় হ'ল আৰু ৰজাক অভিৱাদন কৰি কবলৈ ধৰিলে, ''মহাৰাজ, মই মোৰ বৰ্তমানৰ পদ আৰু দায়িত্বক লৈ বেছ সুখী। দৰবাৰৰ এজন সভাসদ হিচাপে ৰাজ্যৰ হিত হব পৰাকৈ নানা ধৰণৰ অৰ্থনীতি সম্পৰ্কীয় বিষয়ত মই পৰামৰ্শ আগবঢ়াও। গতিকে মই এই ৰাজভঁৰালৰ বিষয়াৰ পদৰ বাবে আৱেদন নকৰিলো। যেতিয়া মই নিজকে সেই পদৰ বাবে যোগ্য বিবেচনা নকৰিলো, তেনেস্থলত সেই পদৰ বাবে আৱেদন কৰাৰ সপক্ষে মোৰ হাতত যুক্তি নাছিল।''

এই কথা শুনাৰ পিছত ৰজা দেৱেশ্বৰ প্ৰতাপ সিঙে ঘোষণা কৰিলে, ''কাশীৰ প্ৰজাসকল, মই কাশীৰ ৰজা দেৱেশ্বৰ প্ৰতাপে

নিজকে ৰাজভঁৰালৰ বিষয়াৰ দায়িত্বৰ পৰা অব্যাহতি দিছো আৰু বিশাল গুপ্তক সেই পদত নিযুক্তি দিছো। লগতে মই দৰমহা হিচাপে পাবলগীয়া মাননিৰ পৰিমাণো বৃদ্ধিকৰিছো।''

ৰজাৰ এই ঘোষণা শুনি সেইসময়ত ৰাজসভাত উপস্থিত থকা সকলো লোক অবাক হ'ল।

ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ''হে মহাৰাজ, ৰজা দেৱেশ্বৰ প্ৰতাপ সিঙে কিয় বিশাল গুপ্তক ৰাজভঁৰালৰ বিষয়া হিচাপে নিযুক্তি দিলে? তেওঁ সেই পদৰ বাবে আৱেদনেই কৰা নাছিল। তাৰোপৰি সকলো লোকৰ আগতে এই কথা স্বীকাৰ কৰিছিল যে তেওঁ বৰ্তমানৰ পদটো লৈয়েই সুখী। এনে এজন লোকক সেই পদত কিয় নিযুক্তি দিয়া হ'ল, যি পদ তেওঁ প্ৰত্যাখ্যান কৰিছিল। ৰজাই আৱেদনকাৰী সকলৰ মাজৰ পৰা আন কোনো উপযুক্ত লোকক বাছনি কৰিব পাৰিলেহেতেন।

তুমি যদি মোৰ প্ৰশ্নৰ উত্তৰ জনা স্বত্বেও নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হ'ব।''

তেতিয়া ৰজা বিক্ৰমে কলে, ''বেতাল, ৰজাই আৱেদনকাৰীসকলৰ উত্তৰ শুনাৰ পিছত এই কথা বুজিব পাৰিছিল যে তেওঁলোকে নিজকে সেই পদৰ বাবে কিয় উপযুক্ত তাক বুজাই কব নোৱাৰা স্বত্বেও সেইপদৰ বাবে আৱেদন কৰিছিল। তেওঁলোকৰ মনত নিশ্চয় আন কিবা আঁচনি আছিল, যি কথা তেওঁলোকে ব্যক্ত কৰিব পৰা নাছিল। বাহিৰা আয়ৰ সুবিধা নাথাকিলে কম দৰমহাৰ এনে এটা পদৰ বাবে ইমান বেছি সংখ্যক লোকে কিয় আগ্ৰহ প্ৰকাশ কৰিছে সেই কথা ৰজাই অনুমান কৰিব পাৰিছিল। গতিকে ৰজাই এই কথা নিশ্চিত কৰিব খুজিছিল যে সেই পদত কোনো অনুপযুক্ত প্ৰাৰ্থীয়ে নিযুক্তি নাপায়।

বিশাল গুপ্তৰ উত্তৰ শুনাৰ পিছত ৰজাই গম পালে যে তেওঁ সঁচাকৈয়ে সৎ। তেওঁৰ অৰ্হতা এনেয়েও সন্দেহৰ উৰ্ধত আছিল। এইদৰেই ৰজাই পৰিস্থিতি অনুধাৱন কৰি উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিলে।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে উৰি গৈ আগৰদৰে গছজোপাত ওলমি থাকিলগৈ।

–ড. শুভংকৰ বেনাৰ্জী

জীৱন্ত দেৱতা

গিৰিয়েক ৰামুৱে বাগিছাত একো কাম-বন নকৰাকৈ বহি থকা দেখি অঞ্জু বিৰক্ত নহৈ নোৱাৰিলে।

তাই চিঞৰি কলে, ''আপুনি এনেদৰে দিবাস্বপ্ন দেখি থাকিব নালাগে। চহৰৰ বজাৰলৈ গৈ এই সপ্তাহটোৰ বাবে ৰেচন-পাতি কিনি আনকগৈ।'' পত্নীৰ কথামতেই ৰামুৱে চহৰৰ বজাৰলৈ বুলি যাত্ৰা কৰিলে। ৰামু আছিল অলপ বেলেগ প্ৰকৃতিৰ লোক। গাৱঁৰ আন আন লোকসকলৰ দৰে তেওঁ মুঠেই পৰিশ্ৰমী নাছিল। তেওঁ সহজতে টকা ঘটিব বিচাৰিছিল।

ৰামু চহৰলৈ যাবৰ বাবে এখন নদী পাৰ হবলগীয়া হয়। নদীৰ সিপাৰত বেছ কিছুদূৰ ধৰি ডাঠ হাবি আছিল। সেই হাবিখন পাৰ হলেহে চহৰলৈ যোৱাৰ পথটো পোৱা গৈছিল। তেওঁ সেই হাবিডৰাইদি খোজ দি গৈ থাকোতে এজোপা বিশাল তেতেলীৰ গছে দৃষ্টি আকৰ্ষণ কৰিলে। তেওঁ সেইজোপা গছ আগতেও বহুবাৰ দেখিছে। কিন্তু বৰ বেছি গুৰুত্ব দিয়া নাছিল। তেওঁৰ মনত পৰি গ'ল যে কেইদিনমানৰ আগতে চহৰৰ এজন সদাগৰে তেওঁক কৈছিল যে তেওঁক এজোপা তেতেলী গছ বিশেষ কামৰ বাবে লাগে। যদি কোনোবাই তাৰ সন্ধান দিব পাৰে, তেন্তে তাৰ বাবে তেওঁ উচিত মূল্য পৰিশোধ কৰিবলৈ ৰাজী আছে। গছজোপা দেখাৰ লগে লগেই তেওঁৰ এই কথা মনত পৰিল। সেই তেতেলীৰ গছজোপা নদীখনৰ ঠিক পাৰতেই আছিল। যদি তেওঁ কেনেবাকৈ গছজোপা কাটি ঠিকমতে পেলাব পাৰে, তেন্তে তাৰ পৰা কাঠৰ শাললৈ নিবৰ বাবে বেছি কষ্টকৰিলগীয়া নহব। সহজতেই তেওঁ বেছ কিছু টকা ঘটিব পাৰিব। টকা ঘটাৰ কথা মনলৈ অহাত তেওঁ চহৰলৈ যোৱাৰ কথা পাহৰি গ'ল। তেওঁ মনতে কেনেকৈ গছজোপা কাটি লৈ যাব পৰা যাব তাৰ আঁচনি পাঙিলে।

ডি জানকী



আৰু কাঠৰ সদাগৰক লগ ধৰিবলৈ গ'ল। তেওঁ সদাগৰৰ লগত ভালেখিনি সময় দৰদাম কৰি গছজোপাৰ বাবে এক সুন্দৰ মূল্য থিক কৰিলে। তাৰপিছত তেওঁ তেওঁৰ বন্ধু সাধু আৰু কালুক লগ কৰিলে আৰু আঁচনিৰ বিষয়ে আলোচনা কৰিলে। সকলো মিলি আঁচনি ঠিক কৰাৰ পিছত ঘৰাঘৰি গ'ল।

অৱশেষত সেই দিনটো আহিল। ৰামু বেছ উত্তেজিত হৈ পৰিল। 'অপাৰেচন তেতেলী গছ' ৰাতি সমাধা কৰা হ'ব। দিনত বতৰো বেছ ভাল আছিল।

কিন্তু পিছবেলা আকাশখন কলীয়া ডাৱৰে চানি ধৰিলে আৰু সন্ধিয়া হোৱাৰ লগে লগেই কিনকিনীয়া বৰষুণ আৰম্ভ হ'ল। লাহে লাহে বৰষুণৰ মাত্ৰা বৃদ্ধি পালে আৰু বিজুলী-ঢেৰেকনীও আৰম্ভ হ'ল। কিন্তু এই সকলোবিলাকে ৰামুৰ আঁচনিত বাধা জন্মাব নোৱাৰিলে। ৰাতিৰ আহাৰ সমাপ্ত কৰি তেওঁ 'অপাৰেচন তেতেলী গছ' সমাধা কৰা উদ্দেশ্যে ৰাওনা হ'ল। কাঠকটীয়া কালুৱে তেওঁক গছৰ তলত লগ কৰাৰ কথা। সাধু গৰুগাড়ী লৈ দেৰীকৈ আহিব। এইকথা চিন্তা কৰি ৰামু নদীখনৰ পাৰলৈ আগুৱাই গ'ল। গছজোপা আছিল ঠিক নদীখনৰ পাৰতে। ওচৰে পাজৰে কোনো লোকৰে অস্তিত্ব নাছিল। তেওঁ স্বস্তিৰ নিশ্বাস পেলালে। তেওঁৰ মনত এই ভয়ো আছিল যে কোনোবাই যদি এইদৰে গছ কটাৰ কথা গম পাই তেন্তে তেওঁৰ বিপক্ষে গাৱৰ মুখিয়ালৰ ওচৰত গোচৰ তৰিব পাৰে। সেইসময়ত বৰষুণৰ টোপালবোৰে তেওঁৰ মুখত জোৰেৰে আঘাট কৰি আছিল। কিন্তু তেওঁ সেইবোৰলৈ কেৰেপ কৰা নাছিল আৰু চিন্তা

তেওঁ তেওঁৰ বন্ধু সাধুৰ সহায় লোৱাৰ কথা চিন্তা কৰিলে। সাধুৱে তেওঁক সদায় এনে ধৰণৰ বে-আইনী কামত সহায় কৰি আহিছিল। লগতে তেওঁ কালুকো মাতি আনিবলৈ থিৰাং কৰিলে। কালু গছ কটাত পাকৈত আছিল। তেওঁ অহা পূৰ্ণিমাৰ দিনাখন মাজনিশা কালুৰ সহায়ত সেই গছজোপা কাটি বাগৰোৱাৰ কথা চিন্তা কৰিলে। তেওঁলোকে গছকটাৰ পিছতে সাধুৱে তেওঁৰ গৰুগাড়ী আৰু এটা বনুৱা লৈ আহিব আৰু তাৰপিছত তেওঁলোকে গছজোপা ছেও দি ৰাতিপুওৱাৰ আগতেই গৰুগাড়ীত বোজাই কৰি কাঠৰ শাললৈ লৈ যাব। তাৰপিছত তেওঁ সেই সদাগৰৰ পৰা গছৰ বাবদ পাবলগীয়া টকা লৈ বন্ধুসকলৰ লগত ভাগ কৰি লৈ ঘৰলৈ উভতি আহিব। 'এটা সুন্দৰ আঁচনি' তেওঁ চিন্তা কৰিলে। তেওঁ পইছাৰ কথা ভাৱি মনতে টকালি পাৰিলে



কৰি সুখ লাভ কৰিছিল যে এই দবাপিতা বৰষুণত কোনেও তেওঁৰ এই অভিযানৰ কথা জানিব নোৱাৰিব। তেওঁ একাঁঠু পানীৰ নদীখন পাৰ হ'বলৈ পানীত নামিল। নদীখনৰ ঠিক সোঁমাজ পাওতেই তেওঁ ওচৰতে এটা আচৰিত শব্দ শুনিলে। তেওঁ লগে লগে বাওঁফাললৈ ঘূৰি চাই দেখিলে এটা প্ৰকাণ্ড পানীৰ ঢল তেওঁৰ ফালে আগুৱাই আহিছে, 'হে ভগৱান, এইখন কি ধৰণৰ পগলা নদী ? যদি নদীৰ উজনিত ডাঙৰ বৰষুণ হয়, তেন্তে লগে লগে নদীত বান উঠে।' এইকথা মনলৈ অহাৰ লগে লগেই তেওঁ ভয় খালে। তেওঁ প্ৰাণ লৈ নদীৰ পানীৰ পৰা উঠি আহিবলৈ চেষ্টা কৰিলে। পাৰ পাবলৈ মাত্ৰ কেইফুটমান থাকোতেই তেওঁক টৌৱে খুন্দিয়াই পানীত পেলাই দিলে আৰু তেওঁ পানীত সোঁতত উটি যাবলৈ ধৰিলে। ৰামুৱে ভয়তে চিঞৰিবলৈ ধৰিলে, "হে ভগৱান, মোক ৰক্ষা কৰা, মোক ৰক্ষা কৰা।" হঠাতে তেওঁ এটা খুটিৰ দৰে বস্তু পাই তাতে খামোচ মাৰি ধৰিলে। তেওঁ তাতে দুই হাতেৰে খামোচ মাৰি ধৰি ওলমি ৰ'ল। তেওঁৰ প্ৰাণ ৰক্ষা পৰাত ভগৱানক ধন্যবাদ জনালে। অলপ সময়ৰ পিছতে তেওঁ বুজিব পাৰিলে যে তেওঁ খামোচ মাৰি ধৰাটো বস্তুটো খুটি নহয়, পানীত লাগি থকা এটা গছৰ ডালহে। তেওঁ সেই গছৰ ডালৰ সহায়ত গছৰ ওপৰলৈ উঠি আহিল আৰু তাতে খন্তেক জিৰণি ললে।

তেওঁ যিমান দূৰলৈকে চকুৰে দেখা পালে, সিমানলৈকে কোনো লোকৰ উপস্থিতিৰ উমান নাপালে। বন্ধু সাধু আৰু কালুৰো কোনো দেখাদেখি নাই। সম্ভৱত তেওঁলোকে বৰষুণৰ মাত্ৰা দেখি যি কোনো জ্ঞানী লোকে কৰাৰ দৰেই আঁচনি পৰিত্যাগ কৰিলে। তেওঁ বুজিব পাৰিলে যে সেই ৰাতি নদীৰ বানৰ বাবে তেওঁ ঘৰলৈ উভতি যোৱাতো সম্ভৱপৰ নহব। অলপ সময়ৰ পিছতে তেওঁ নদীৰ বানত কোনো লোকক উটি অহা দেখিবলৈ পালে। ওচৰ পালত তেওঁ দেখিলে যে সেইটো এটা ল'ৰা। তেওঁ সেই ল'ৰাটোৰ হাতত থাপ মাৰি ধৰি গছজোপাৰ ওপৰলৈ তুলি আনিলে। তাৰ অলপ পৰৰ পিছতে কিছুমান ভেৰা-ছাগলী উটি অহা দেখিবলৈ পালে। সেইবিলাককো তেওঁ উদ্ধাৰ কৰিলে। তেওঁ গম পালে যে ল'ৰাটো হ'ল এটা ভেৰাৰখীয়া আৰু তাৰ জুপুৰী আছিল নদীখনৰ পাৰতেই। প্ৰবল বানে তাৰ জুপুৰি উটুৱাই লৈ আহিল। কিন্তু ৰামুৰ বাবে তাৰ জীৱন ৰক্ষা পৰিল।

ৰামু, ভেৰাৰখীয়া ল'ৰাটোৱে গছজোপাৰ

ওপৰতেই সেই ৰাতি কটাই দিলে। সেয়া আছিল ৰামুৰ অতি ভয়লগা অভিজ্ঞতা। বানৰ গতি আৰু অলপমান বেছি হোৱা হলে হয়তো সেই গছজোপাও পানীত উটি গ'লহেতেন। ভাগ্য ভাল আছিল যে লাহে লাহে বৰষুণ কমি আহিল আৰু নদীত বানৰ পৰিমাণো হ্রাস পাবলৈ ধৰিলে।

ৰাতি পুৱাই আহিল। ৰামুৱে দেখিলে যে তেওঁ সেই তেতেলী গছ জোপাতে আশ্রয় লৈ গোটেই ৰাতি কটালে। যিজোপা গছ তেওঁ পইছালৈ লোভ কৰি কাটিবলৈ থিৰাং কৰিছিল, সেইজোপা গছেই তেওঁৰ প্ৰাণ ৰক্ষা কৰিলে। তেওঁ চকুদুটা সেমেকি আহিল। তেওঁ মনতে গছজোপাৰ ওচৰত ক্ষমা বিচাৰিলে। লগে লগে তেওঁৰ মনলৈ আন এটা চিন্তা আহিল। তেওঁ আছিল এলেহুৱা আৰু স্বাৰ্থপৰ স্বভাৱৰ। কিন্তু সেই ভয়ংকৰ ৰাতিটোত তেওঁ এটা ভেৰাৰখীয়া ল'ৰা আৰু তাৰ ভেৰাবিলাকক মৃত্যু মুখৰ পৰা ৰক্ষা কৰিলে। আগতে কেতিয়াও নকৰা এটা মহান কাম কৰিলে। তেতেলী গছৰ সংস্পৰ্শত তেওঁৰ মাজতে ভাল গুণৰ বিকাশ হবলৈ ধৰিলে। তেওঁ গছজোপাক ধন্যবাদ জনালে।

তেনেসময়তে তেওঁ মানুহে কথা পতাৰ শব্দ শুনিবলৈ পালে। ৰামুৱে দেখা পালে যে তাৰ পত্নী অঞ্জুৱে লগত কেইবাজনো গাঁৱৰ লোক লৈ তাকেই বিচাৰি আহিছে। আগদিনা ৰাতি সি ঘৰলৈ উভতি নোযোৱাৰ বাবে তাই বেছ চিন্তিত পৰিছিল। ৰামুক সুস্থ অৱস্থাত দেখি তাই বৰ সুখী হ'ল।

ৰামুৱে গোটেই কাহিনীটো ঘৈনীয়েকৰ আগত বৰ্ণনা কৰিলে। কাহিনী শুনি অঞ্জুৱে কলে, ''আপুনি দেৱী ভৱানীৰ কৃপাৰ ফলতেই প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছে। আমি তেওঁলৈ বুলি এখন শৰাই আগবঢ়োৱা উচিত হব।''

''নহয় অঞ্জু, মোৰ প্ৰাণ ৰক্ষা কৰা ভগৱান হ'ল এই তেতেলী গছজোপা। এয়াই হ'ল মোৰ জীৱন্ত দেৱতা। মই যদি মোৰ প্ৰাণ ৰক্ষা কৰাৰ বাবে কাৰোবাৰ প্ৰতি কৃতজ্ঞ হব লাগে, তেন্তে সেয়া হ'ল এই সেউজীয়া দেৱতা। আজি মই শপত খাইছো যে মই আৰু কেতিয়াও গছ নাকাটো। বৰঞ্চ আনে কাটিবলৈ চেষ্টা কৰিলে মই বাধাহে দিম।''

তাৰ পিছত সি গছজোপাৰ প্ৰতি সেৱা এটা যাচি অঞ্জুৰ সৈতে ঘৰলৈ বুলি উভতি আহিল।



সন্তুষ্টি

ৰামকৃষ্ণই আত্মাপুৰ গাৱঁত বাস কৰিছিল। তেওঁ জীয়েক শান্তাদেৱীক একে গাৱঁতে বাস কৰা ৰত্ন নামৰ এজন ডেকালৈ বিয়া দিছিল।

বিয়াৰ কিছুদিনৰ পিছত ৰত্নই পত্নী শান্তাদেৱীক লৈ শহুৰৰ ঘৰলৈ আহিল। তেওঁ ৰামকৃষ্ণক কলে, ‘‘শহুৰ দেউতা, মই ৰাজ্যৰ ৰাজধানী বিজয়নগৰলৈ গৈ তাতে থিতাপি লৈ ব্যৱসায় আৰম্ভ কৰাৰ কথা ভাৱিছো।’’

এই কথা শুনি ৰামকৃষ্ণ আঁচৰিত হ’ল। তেওঁ সুধিলে, ‘‘তুমিনো এই গাৱঁত কি পোৱা নাই? তুমি কৃষি কাৰ্য কৰি সুখে-সন্তোষেই জীৱন কটাই আছা। নহয় জানো?’’

‘‘সেইটো হয়। কিন্তু এইবিলাক কাম কৰি কৰি মোৰ আমনি লাগিবলৈ ধৰিছে। আমি খেতি-বাতি কৰি যি আৰ্জন কৰো সেয়া কেৱল আমি খাবলৈহে জোৰে। মই টকা-পইছা সাঁচিবলৈ সক্ষম হোৱা নাই। সেই বাবেই মই কিবা এটা ব্যৱসায় আৰম্ভ কৰি অলপ টকা-পইছা উপাৰ্জন কৰিব খুজিছো।’’ জোঁৱায়েক ৰত্নই কলে।

‘‘ব্যৱসায়ত তোমাৰ কি অভিজ্ঞতা আছে? তুমিনো চহৰলৈ গৈ কি ব্যৱসায় আৰম্ভ কৰিব খুজিছা?’’ ৰামকৃষ্ণই সুধিলে।

‘‘চহৰৰ লোকক গাৱঁত উৎপাদন হোৱা নানা ধৰণৰ শস্য, যেনে ধান-চাউল আদিৰ প্ৰয়োজন হয়। মই চহৰত এখন দোকান আৰম্ভ কৰি তাত সেইবিলাক বিক্ৰী কৰিম বুলি ভাৱিছো। মই এই ব্যৱসায় কৰি যথেষ্ট পৰিমাণে ধন উপাৰ্জন কৰিব পাৰিম বুলি বিশ্বাস কৰো। চহৰতে থকা গোবিন্দ নামৰ মোৰ বন্ধু এজনে মোক সহায় কৰিব বুলি কথাও দিছে।’’

ৰামকৃষ্ণই জোঁৱায়েকৰ আগ্ৰহ দেখি ভাল

ৰাণীশ্ৰী

পালে। তেওঁ ব্যৱসায় আৰম্ভ কৰাত সহায় হব পৰাকৈ ৰত্নক অলপমান নগদ টকা দিলে। ৰত্ন বৰ সুখী হ'ল। শান্তদেৱীয়েও দেউতাকে ৰত্নক টকা-পইছা দি সহায় কৰাৰ বাবে বৰ সুখ পালে।

এবছৰ পাৰ হৈ গ'ল। ৰামকৃষ্ণই জোঁৱায়েক ৰত্নক বিহুৰ সময়তে গাৱঁলৈ মতাই পঠিয়ালে। কিন্তু ৰত্নই বাতৰি পঠিয়ালে যে ব্যৱসায়ৰ কামত বৰ বেছি ব্যস্ত হৈ থকাৰ বাবে তেওঁ বিহুৰ সময়ত আহিব নোৱাৰিব। তেওঁ বিপৰীতে বিহুত শহুৰেকক তালৈ নিমন্ত্ৰণ জনালে।

বিহুৰ সময়ত ৰামকৃষ্ণ তেওঁ জীয়েক জোঁৱায়েকৰ ঘৰলৈ গ'ল। ৰত্নই শহুৰেকক পাই বৰ সুখী হ'ল। তেওঁ নানা ধৰণৰ ব্যঞ্জনেৰে এটা ভোজভাতৰ আয়োজন কৰিলে। তেওঁ ব্যৱসায় আৰম্ভ কৰাৰ সময়ত শহুৰেকে দিয়া টকা ওভতাই দিলে। ৰামকৃষ্ণ বৰ সুখী হ'ল।

"শহুৰ দেউতা, মই ব্যৱসায়ৰ কামত বেছ ব্যস্ত হৈ পৰিছো। ইফালে ব্যৱসায়ো লাহে লাহে ডাঙৰ হৈ আহিছে। কামৰ পৰিমাণো বৃদ্ধি পাইছে। গতিকে উৎসৱ আদিত আমি আপোনাক দেখা কৰিবলৈ যাব নোৱাৰিবও পাৰো। গতিকে অনুগ্ৰহ কৰি আপুনি মাজে মাজে আমাৰ ইয়ালৈ আহি থাকিব।"

ৰামকৃষ্ণই ৰত্নৰ কথাত হয়ভৰ দি গাৱঁলৈ উভতি আহিল। তেওঁ পিছৰ বছৰ বিহুৰ সময়ত পুণৰ বিজয়নগৰত থকা জীয়েক-জোঁৱায়েকৰ ঘৰলৈ গ'ল। শান্তাদেৱীয়ে ব্ৰঞ্জৰ কাঁহীত দেউতাকক খাবলৈ দিলে। তাকে দেখি ৰামকৃষ্ণ বৰ সুখী নহ'ল।

তেওঁ জীয়েক শান্তাদেৱীক সুধিলে, "তোমালোকৰ ইয়াত ইয়াতকৈ ভাল কাঁহী আৰু নাই নেকি?"

শান্তাদেৱীয়ে মূৰ জোকাৰি কলে যে তেওঁলোকৰ ঘৰত তাতোকৈ ভাল কাঁহী নাই। পিছৰ বছৰত পুণৰ ৰামকৃষ্ণ তালৈ যোৱাত, সেইবাৰ ৰূপৰ কাঁহীত খাদ্য পৰিৱেশন কৰা হ'ল। ৰত্নই অলপ আঁতৰত বৈ শহুৰেকৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰি থাকিল। শহুৰেকে কি কব তাকে শুনিবলৈ তেওঁ ব্যগ্ৰ হৈ পৰিল। কিন্তু তেওঁ শহুৰেকৰ মুখত তৃপ্তিৰ ৰেঙনি দেখা নাপালে।

"তোমালোকৰ ঘৰত ইয়াতকৈভাল কাঁহী নাইনে?" ৰামকৃষ্ণই সুধিলে। দেউতাকৰ প্ৰশ্ন শুনি শান্তাদেৱী অলপমান অস্বস্তিত

ভুগিলে। ৰত্নই নিৰাশ মনেৰে মুৰ দুপিয়াই সন্মতি দিলে। তেওঁ বুজিব নোৱাৰিলে যে ৰূপৰ কাঁহীত খাদ্য পৰিবেশন কৰাৰ স্বত্ত্বেও শহুৰেক কিয় সন্তুষ্ট হোৱা নাই।

পিছৰ বছৰ বিহুৰ সময়ত ৰামকৃষ্ণই জীয়েক-জোঁৱায়েকক লগ পাবৰ বাবে পুণৰ বিজয় নগৰলৈ যাত্ৰা কৰিলে। শান্তাদেৱীয়ে এইবাৰ ৰামকৃষ্ণক জিকমিকাই থকা সোণৰ কাঁহীত খাদ্য পৰিবেশন কৰিলে। তেওঁ ৰামকৃষ্ণৰ কাষতে বহিল আৰু বিচনি এখন লৈ বিচিবলৈ আৰম্ভ কৰিলে। ৰত্নই অলপ আঁতৰতে ৰৈ চাই থাকিল। তেওঁ আশা কৰিছিল যে এইবাৰ অন্তত শহুৰেক সন্তুষ্ট হব।

আগৰ কেইবাৰৰ দৰেই ৰামকৃষ্ণই শান্তাক সুধিলে, ‘‘তোমালোকৰ ঘৰত ইয়াতকৈ ভাল কাঁহী আৰু নাই নেকি?’’

শান্তাদেৱীয়ে এই কথা বিশ্বাস কৰিব নোৱাৰিলে। সোণৰ কাঁহীত খাদ্য পৰিবেশন কৰা স্বত্ত্বেও দেউতাক কিয় সন্তুষ্ট হোৱা নাই তাক বুজিব নোৱাৰিলে। তেওঁ সুধিলে, ‘‘আপুনি এইবাৰ কিয় এই কথা সুধিছে? সোণৰ কাঁহীতকৈ উত্তম আৰু থাকিব পাৰে জানো?’’

‘‘কিয় থাকিব নোৱাৰে? নিশ্চয় থাকিব পাৰে।’’ হাঁহি এটা মাৰি ৰামকৃষ্ণই কলে।

শহুৰেকে কি বুজাব বিচাৰিছে সেয়া ৰত্নই বুজিব নোৱাৰিলে। সোণৰ কাঁহীত খাদ্য পৰিবেশন কৰা স্বত্ত্বেও তেওঁৰ শহুৰেক কিয় সন্তুষ্ট হোৱা নাই? ইয়াতকৈ উত্তম কাঁহী কি ধাতুৰে নিৰ্মাণ কৰা হব লাগিব? সোণতকৈও মূল্যৱান ধাতু আৰু কি থাকিব পাৰে? ৰত্নৰ মূৰত নানা ধৰণৰ ভাৱ খেলাবলৈ ধৰিলে।

তেওঁ সোণাৰী ব্ৰহ্মচাৰীক লগ ধৰিলে। তেওঁক ৰত্নই সকলো কথা বিৱৰি কলে আৰু জানিব বিচাৰিলে, ‘‘খাদ্য পৰিবেশন কৰিবৰ বাবে সোণৰ কাঁহীতকৈও ভাল কাঁহী থাকিব পাৰে নেকি?’’

‘‘কিয় থাকিব নোৱাৰে?’’ হাঁহি মাৰি ব্ৰহ্মচাৰীয়ে কলে, ‘‘ৰজা-ৰাণীয়ে খোৱা কাঁহীত নবিধ (নৱৰত্ন) মূল্যৱান ৰত্ন খটোৱা থাকে। সেইবিলাক সাধাৰণ সোণৰ কাঁহীতকৈ উত্তম নহয় জানো?’’

ব্ৰহ্মচাৰীৰ কথা মানি লৈ ৰত্নই পৰৱৰ্তী বিহুৰ বাবে নটা ৰত্ন খটুৱাই এখন সোণৰ কাঁহী নিৰ্মাণ কৰোৱাই আনিলে। পিছৰ বাৰ দেউতাক অহাত সেই ৰত্ন খটোৱা কাঁহীত

খাদ্য পৰিবেশন কৰিলে। শহুৰেকে খাদ্য গ্ৰহণ কৰি থকা সময়ত ৰত্ন আহিল আৰু শহুৰেকক উদ্দেশ্যি কলে, ''শহুৰ দেউতা, ইয়াতকৈও ভাল কাঁহী মই যোগাৰ কৰিবলৈ সক্ষম নহলো। আনকি ৰজা-ৰাণীয়েও এনে কাঁহীতেই খাদ্য গ্ৰহণ কৰে।''

ৰামকৃষ্ণই হাঁহি মাৰি কলে, ''মই যি কব খুজিছিলো, সেই কথা তুমি বুজিব নোৱাৰিলা। আয় বৃদ্ধি পোৱাৰ লগে লগে ঘৰত উপলব্ধ সা-সুবিধাবিলাকৰো বৃদ্ধি হয়। মই খাদ্য গ্ৰহণ কৰা কাঁহীখনৰ মান বৃদ্ধি পোৱাৰ অৰ্থ হ'ল তোমাৰ ব্যৱসায়ৰ শ্ৰীবৃদ্ধি। তোমাৰ ব্যৱসায়ৰ শ্ৰীবৃদ্ধি দেখাই মোৰ লক্ষ্য। মই এখন ভাল কাঁহী বিচাৰি তোমাক ব্যৱসায়ত আৰু বেছি শ্ৰীবৃদ্ধি লাভ কৰাটোহে বিচাৰিছিলো। এজন ব্যৱসায়ী নিজৰ উপাৰ্জনক লৈ কেতিয়াও সন্তুষ্ট হোৱা উচিত নহয়। তেওঁ সকলো সময়তে আন ব্যৱসায়ীসকলৰ লগত প্ৰতিযোগিতাত নামিব লগীয়া হয় আৰু এই কথা নিশ্চিত কৰিবলগীয়া হয় যে প্ৰতিদিনে ব্যৱসায়ৰ বৃদ্ধি ঘটিয়েই থাকে। সেইদৰে তুমি অধিকৰ পৰা অধিকতৰ লোকক চাকৰিত মকৰল কৰিবলৈ সক্ষম হবা।

যেতিয়া খেতিয়কে অধিক শস্য উৎপাদন কৰে তেতিয়া গৰুগাড়ী থকা ব্যৱসায়ীসকলে সেই শস্যক চহৰলৈ ৰপ্তানি কৰি ধন ঘটিব পাৰে। সেইদৰে খেতিয়কে নানা ধৰণৰ লোকক জীৱিকা অৰ্জনৰ সুবিধা দিয়ে। ধান কটা বা মৰণা মৰা বনুৱাৰ পৰা আদি কৰি শস্য বেচা-কিনা কৰা ডাঙৰ ব্যৱসায়ী এই সকলোৱেই খেতিয়কৰ উৎপাদনৰ ওপৰতে বৰ্তি থাকে। কেৱল নিজৰ বাবেই সকলো আৰ্জন কৰি লৈ সন্তুষ্ট হৈ পৰিলে এই পৃথিৱী কেতিয়াও ভালদৰে চলি নাথাকে।''

শহুৰেকে কি বুজাব বিচাৰিছে সেই কথা এইবাৰ ৰত্নই বুজি পালে। তেওঁ কেৱল জীৱিকা অৰ্জন কৰাৰ মানসেৰে গাৱৰ পৰা চহৰলৈ আহি থিতাপি লোৱা নাছিল। তেওঁ অধিক ধন উপাৰ্জন কৰিব বিচাৰিছিল আৰু নিজৰ ব্যৱসায়ৰ যোগেদি অধিক লোকক কৰ্মসংস্থান প্ৰদান কৰিব খুজিছিল। তেওঁ এই কথা ভাৱি সুখী হ'ল যে তেওঁ সেই কাম ঠিকে ঠাকেই কৰি আছে।

পঞ্চতন্ত্ৰৰ সাধু

বুদ্ধিমান ব্যক্তিয়ে এই কথা নিজেই বুজি লয় যে যি ব্যক্তিয়ে তেওঁৰ কথাত গুৰুত্ব নিদিয়ে তেনে ব্যক্তিক বুজাবলৈ যোৱাটো জুৱাখোৰ, মদাহীক হিতবচন শুনোৱাৰ দৰে কথা। সেইদৰেই যিয়ে আমাৰ পৰা পৰামৰ্শ আশা কৰে, তেওঁলোকক হিতবচন শুনাব লাগে, কিন্তু যি আমাৰ কথাত মুঠেই বিশ্বাস নকৰে, তেওঁলোকক হিতবচন শুনাই পৰামৰ্শ দিয়াৰ কোনো প্ৰয়োজন নাই।

এখন হাবিত এজোপা ডাঙৰ গছৰ ডালত এযোৰ চৰায়ে বাঁহ পাতি বাস কৰি আছিল। এবাৰ সেই অৰণ্যত বহুত বৰষুণ হৈছিল। তেনে বৰষুণতে তিতি জাৰত কঁপি কঁপি এটা বান্দৰ দৌৰি আহি সেই গছজোপাৰ তলতে থিয় হ'লহি।

সেই সময়ত বাঁহত কেৱল মাইকী চৰাইজনী আছিল। বান্দৰৰ অৱস্থা দেখি তাই বান্দৰক কলে, ''হেৰা বান্দৰ ভাই, তোমাৰ মানুহৰ দৰে মুখ, হাত, ভৰি সকলো আছে। তুমি মানুহৰ দৰে এটা ঘৰ সাজিবলৈ চেষ্টা নকৰা কিয়? এইদৰে সদায় বৰষুণৰ বতৰত মুৰ্খৰ দৰে দৌৰা-দৌৰি কৰি গছৰ তলে তলে কঁপি থাকিবা নেকি?''

এই কথাত বান্দৰৰ বৰ খং উঠিল। সি ভাৱিলে, 'এই কথা সঁচা যে মই নিজৰ বাবে কোনো ঘৰ বনোৱা নাই, কিন্তু এই দুষ্টচৰাইৰ বাঁহটো ভাঙি পেলোৱাটো মোৰ বাবে বাওহাতৰ খেল।' এইবুলি সি গছত বগাই চৰাইৰ বাঁহটো টুকুৰা-টুকুৰ কৰি পেলালে আৰু গছৰ তললৈ পেলাই দিলে।

মাইকী চৰাইজনীয়ে কোনোমতে উৰি গৈ প্ৰাণ বচাবলৈ সক্ষম হ'ল।

মিত্ৰ ভেদ – ২৬

এইদৰেই সূচিমুখীয়ে বান্দৰৰ ভাল চিন্তা কৰি পৰামৰ্শ দিবলৈ গ'ল। কিন্তু খং খাই বান্দৰে সূচিমুখীক ধৰি শিলত এচাৰ মাৰি দিলে আৰু ফলত তাইৰ মৃত্যু হ'ল।

কৰটকে দমনকক এই কাহিনী বৰ্ণনা কৰি কলে, ''মূৰ্খ ব্যক্তিক জ্ঞান দিবলৈ যোৱাৰ কোনো অৰ্থ নাই। তেনে ব্যক্তিৰ চিন্তা শক্তি থাকিলেও তাক এটা বন্ধ পাত্ৰৰ ভিতৰত থকা বন্তি এটাৰ লগত তুলনা কৰিব পাৰি। তোমাৰ এই স্বভাৱ জন্মসূত্ৰে লাভ কৰা। তুমিও দুষ্টবুদ্ধিৰ দৰেই।''

''দুষ্ট বুদ্ধিৰ কাহিনীটোনো কি?'' দমনকে সুধিলে। কৰটকে দুষ্ট বুদ্ধিৰ কাহিনীটো বৰ্ণনা কৰিবলৈ ধৰিলে-

দুষ্টবুদ্ধিৰ কাহিনী

এখন নগৰত দুষ্টবুদ্ধি আৰু ধৰ্মবুদ্ধি নামৰ দুজন যুৱকে বাস কৰিছিল আৰু তেওঁলোকে বেপাৰ কৰি জীৱিকা নিৰ্বাহ কৰিছিল। তেওঁলোকৰ মাজত খুব ঘনিষ্ঠ বন্ধুত্ব আছিল। ধৰ্মবুদ্ধি আছিল অতিশয় ভাল স্বভাৱৰ, কিন্তু তেওঁ এই কথা গম নাপাইছিল যে দুষ্টবুদ্ধিৰ বহুতো কু-অভ্যাস আছে।

নিজৰ বেয়া অভ্যাসবিলাক ঢাকিবৰ বাবে দুষ্টবুদ্ধিয়ে অজস্ৰ ধন উপাৰ্জন কৰাৰ আঁচনি প্ৰস্তুত কৰিলে। তেওঁ ধৰ্মবুদ্ধিক দূৰ দেশলৈ গৈ বেপাৰ আৰম্ভ কৰাৰ প্ৰস্তাৱ দিলে। ''নতুন দেশ ভ্ৰমণ কৰা আৰু বেপাৰ কৰি অধিক মাত্ৰাত ধন উপাৰ্জন কৰাৰ বাবে এয়া এটা ভাল উপায়। যদি আমি ডেকা কালতেই নানা দেশ ভ্ৰমণ নকৰো, তেতিয়াহলে বুঢ়াকালত স্মৃতি ৰোমন্থন কৰিবলৈ একোৱেই নাথাকিব। এই পৃথিৱীত কিমানবিধ ভাষা আছে, কেনেদৰে আনঠাইত মানুহে খোৱা-বোৱা, পিন্ধা-উৰা কৰে, এই সকলো যদি এই জনমতেই শিকিব নোৱাৰো, তেন্তে কেতিয়া শিকিম? নানা দেশৰ ভ্ৰমণ অবিহনে আমাৰ মাজত থকা কলা আৰু জ্ঞানৰ কেতিয়াও উপযুক্ত বিকাশ হব নোৱাৰে। গতিকে ব'লা। ভ্ৰমণ কৰাও হব আৰু ব্যৱসায় কৰাও হব।''

দুষ্টবুদ্ধিৰ কথা ধৰ্মবুদ্ধিয়ে মানি ললে।

কেইদিনমানৰ পিছত দুয়োয়ে এক শুভ সময় চাই ঘৰৰ পৰা যাত্ৰা আৰম্ভ কৰিলে আৰু এখন অজান দেশত উপস্থিত হ'ল। যাত্ৰাকালত পথতে ধৰ্মবুদ্ধিয়ে এহেজাৰ

সোণৰ মুদ্ৰা থকা এটা কলহ হেৰাই পালে।

ধনৰ কলহ হেৰাই পোৱাৰ পিছত ধৰ্মবুদ্ধিয়ে দুষ্টবুদ্ধিক কলে, ‘‘ব’লা, আমি উভতি যাও। যদি ধন, বিদ্যা বা জ্ঞান প্ৰাপ্ত কৰাসকলে কম আয়াসতে সিবিলাকৰ কিবা লাভ কৰে, তেন্তে বেছিলৈ আশা নকৰি ঘৰলৈ ঘূৰি আহে।’’

দুষ্টবুদ্ধিয়ে ধৰ্মবুদ্ধিৰ কথা মানি ললে আৰু দুয়ো ঘৰলৈ উভতি খোজ ললে। আহি যেতিয়া তেওঁলোক গাৱৰ ওচৰ পালেহি তেতিয়া ধৰ্মবুদ্ধিয়ে দুষ্টবুদ্ধিক কলে, ‘‘বন্ধু, তুমি এই হেৰাই পোৱা মুদ্ৰাবিলাকৰ পৰা আধা লৈ লোৱা। আমি ঘৰ পায়েই উৎসৱৰ আয়োজন কৰিব পাৰিম।’’

ধনৰ প্ৰতি লোভ থকা দুষ্টবুদ্ধিয়ে কলে, ‘‘বন্ধু, আমি ইমান বৃহৎ পৰিমাণৰ ধন পৰিয়ালৰ লোক বা আন বন্ধু-বান্ধৱ সকলক দেখুওৱাটো ভাল কথা নহব। তেওঁলোকেও ইয়াৰ পৰা ভাগ বিচাৰিব পাৰে। বিবেকশীল ব্যক্তিয়ে নিজৰ ওচৰত থকা কম পৰিমাণৰ সম্পত্তিৰ কথাও আনৰ আগত প্ৰকাশ নকৰে। ধন পাপেৰে পূৰ্ণ হৈ থাকে। ধনে আনহে নালাগে তপস্বীকো বিচলিত কৰি তুলিব পাৰে। তাৰোপৰি যেতিয়ালৈকে এইখিনি মোহৰ আমাৰ উমৈহতীয়া সম্পত্তি হৈ থাকিব, তেতিয়ালৈকে আমাৰ বন্ধুত্বও অধিক দৃঢ় হৈ গৈ থাকিব। গতিকে আমি ইয়াৰ পৰা প্ৰথমতে দুয়ো এশ এশকৈ মুদ্ৰা উলিয়াই লৈ বাকী আঠশ জংঘলৰ মাজত কৰবাত লুকুৱাই থও আহা। এইদৰে কৰিলে আমাৰ বাবেই সুবিধা হব। যেতিয়াই প্ৰয়োজন হয় তেতিয়াই আমি আহি ইয়াৰ পৰা মুদ্ৰা উলিয়াই লৈ যাব পাৰিম।

দুষ্টবুদ্ধিৰ এই কথাত ধৰ্মবুদ্ধিয়ে কোনো ধৰণৰ সন্দেহ নকৰিলে। তেওঁলোক দুয়ো গৈ জংঘলৰ এক নিৰ্জন ঠাই পালেগৈ। সেই ঠাইতে এটা গাঁত খান্দি মোহৰবিলাক পুতি থলে আৰু ঘৰলৈ উভতি গ’ল।

(ক্ৰমশঃ)

সমালোচনা

সম্রাট বিষ্ণুবৰ্ধনে ত্ৰিপৰ্ণা ৰাজ্য শাসন কৰিছিল। তেওঁ বৰ দয়ালু শাসক আছিল।

এবাৰ, তেওঁৰ ৰাজ্যৰ সেনাধিপতি তেওঁৰ ওচৰলৈ আহি কলে, ‘‘মহাৰাজ, আমি চোৰাংচোৱাৰ মুখেদি এই বাৰ্তা লাভ কৰিছো যে আমাৰ তলতীয়া চুবুৰীয়া ৰামপুৰ ৰাজ্যৰ শাসক অনন্ত বাৰ্মাই আপুনি প্ৰণয়ন কৰা নানা আইনক সমালোচনা কৰিছে। আনকি তেওঁ আপোনাক পৰিশোধ কৰিবলগীয়া কৰৰ সম্পৰ্কেও প্ৰশ্ন তুলিছে। আপুনি মোক আজ্ঞা কৰক। মই এই মুহূৰ্ততে সৈন্যবাহিনী সহিতে গৈ তেওঁক এক উচিত শিক্ষা প্ৰদান কৰিম।’’

বিষ্ণুবৰ্ধনে সেনাধিপতিৰ কথা শুনিলে। তাৰপিছত তেওঁ কলে, ‘‘ৰজা অনন্ত বাৰ্মাক সন্মান সহকাৰে এটা শিক্ষা দিব লাগিব। কেনেকৈ সেই কাম কৰা যায়, মোক চিন্তা কৰিবলৈ অলপমান সময় দিয়া।’’

সুৰসেনে ৰামপুৰ ৰাজ্য আক্ৰমণ কৰিবলৈ সৈন্যবাহিনী সাজু কৰি ৰজাৰ আদেশৰ বাবে অপেক্ষা কৰি থাকিল। কেইবাদিনৰ পিছত তেওঁ ৰজাৰ পৰা এটা বাৰ্তা লাভ কৰিলে। ৰজাই তেওঁক দেখা কৰিবলৈ নিৰ্দেশ দিছিল। তেওঁ লগে লগে ৰজাক দেখা কৰিবলৈ বুলি ৰাজমহললৈ গমন কৰিলে।

বিষ্ণুবৰ্ধনে সুৰসেনক ৰামপুৰ বা অনন্ত বাৰ্মাক শিক্ষা দিয়াৰ বিষয়ে একো নকলে। বৰঞ্চ, তেওঁ সুৰসেনক সুধিলে, ‘‘সুৰসেন, মই আমাৰ ৰাজ্যৰ যৌথ পৰিয়ালবিলাকৰ ওপৰত এটা পিয়ল কৰিবলৈ মনস্থ কৰিছো। এই বিষয়ত তোমাৰ সহায়ৰ প্ৰয়োজন হ'ব৷ৰাত মই তোমাক ইয়ালৈ আমন্ত্ৰণ কৰি আনিছো।’’

ৰজাই এইধৰণৰ পিয়ল কৰিব বিচৰাটো বৰ আঁচৰিত কথা নহয়। এনেয়েও প্ৰজাহিতৈষী ৰজা হিচাপে বিষ্ণুবৰ্ধনৰ নাম আছে। গতিকে

তিৰুমলাশ্ৰী

ৰজাৰ কথাত সুৰসেন আচৰিত নহ'ল। তেওঁ উত্তৰ দিলে, "মহাৰাজ, মই মোৰ সক্ষমতা অনুযায়ী এই কাম কৰিবলৈ চেষ্টা কৰিম। অনুগ্ৰহ কৰি মোক এই কথা বহলাই কওক যে মই কোনখিনিত সহায় কৰিব পাৰিম।"

"পিয়লত আমি পৰিয়ালবিলাকৰ মাজত থকা সম্ভাৱনাৰ কথা জানিবলৈ চেষ্টা কৰিছো। তাৰ বাবে আমি নানা শ্ৰেণীৰ পৰিয়ালৰ পৰা তথ্য সংগ্ৰহ কৰিছো। তোমাৰ পৰিয়ালো সেইবিলাকৰ ভিতৰত এটা।" বিষ্ণুবৰ্ধনে কলে, "এতিয়া তুমি মোক এই কথা কব লাগে যে যোৱা তিনি মাহত তুমি তোমাৰ পৰিয়ালৰ বাবে কি কি সিদ্ধান্ত লৈছিলা। তাৰপিছত সেইবিলাক সিদ্ধান্ত লিখি উলিওৱা, যিবিলাক তোমাৰ পৰিয়ালৰ সদস্যসকলে বিনা প্ৰশ্নই মানি লৈছিল। সেইবিলাক লিখি উলিয়াই আমাক দিলেই এই পিয়লত আমাক সহায় কৰা হব।"

"সেইটো বৰ টান কাম নহব। মই যিমান সোনকালে পাৰি আপোনাক এই তথ্যবিলাক প্ৰদান কৰিম।" এইবুলি ৰজাৰ পৰা আজ্ঞা লৈ সুৰসেন তাৰ পৰা গুচি গ'ল।

তাৰ পিছদিনা, সুৰসেন ৰজাৰ ওচৰলৈ আহিল। তেওঁ কলে, "মহাৰাজ, যোৱা তিনিমাহৰ এনে এটাও ঘটনা মই মনত পেলাব নোৱাৰিলো য'ত মোৰ পত্নী আৰু মোৰ দুই পুত্ৰই মোৰ সিদ্ধান্তত সম্পূৰ্ণৰূপে সম্মতি দিছিল।

"এই কথা শুনি মই আঁচৰিত হৈছো। তেনেক্ষেত্ৰত ঘৰখনৰ মূৰব্বী হিচাপে তুমি কি কৰা? তুমি তোমাৰ সিদ্ধান্ত মানি নোলোৱাৰ বাবে তেওঁলোকক শাস্তি প্ৰদান কৰা নেকি?

নতুবা জোৰ কৰি তোমাৰ সিদ্ধান্ত মানি লোৱাবলৈ চেষ্টা কৰা?"

সুৰসেনে হাঁহি এটা মাৰি কলে, "মোৰ ল'ৰা দুটাৰ বয়স বেছি হোৱা নাই বাবে সিঁহতৰ বেছি অভিজ্ঞতা নাই। সিঁহতে মই লোৱা সিদ্ধান্তৰ অন্তৰালত থকা কাৰণ কেনেকৈ বুজিব পাৰিব? আনহাতে মই মোৰ পত্নীৰ ওপৰত কেনেকৈ খং কৰিব পাৰো, যি মোৰ জীৱন সংগিনী। গতিকে মই তেওঁলোকক মান্তি কৰাবলৈ চেষ্টা কৰো। কেতিয়াবা তেনে কৰিবলৈ সক্ষম হও আৰু কেতিয়াবা মই তেওঁলোকে বিচৰা ধৰণে মোৰ সিদ্ধান্তক সলনি কৰো।"

তেতিয়া বিষ্ণুবৰ্ধনে মৃদু হাঁহি মাৰি কলে, "সুৰসেন, তুমি ৰামপুৰৰ ৰজা অনন্ত বাৰ্মাৰ বিপৰীতে কৰা অভিযোগক সেই একেদিকৰ পৰাই চালি-জাৰি চাব পাৰি। তেওঁ আমাৰ অধীন কিন্তু

গোলাম নহয়। তেওঁ আমাৰ এই যৌথপৰিয়ালৰ এজন সদস্য। সম্ৰাটৰ সিদ্ধান্তক চালি-জাৰি চোৱাৰ অধিকাৰ প্ৰতিজন তলতীয়া ৰজাৰেই আছে। সমালোচনা কৰাৰো অধিকাৰ আছে। তেওঁলোকে আমাক নিয়মিত কৰ পৰিশোধ কৰে। সেইবাবেই প্ৰশ্ন কৰাৰ অধিকাৰ তেওঁলোকৰ আছে। আমাক প্ৰশ্ন সোধাৰ বাবে আমি তেওঁলোকক বেয়া পাব নালাগিব বা খং খাই উঠাটো উচিত নহব।''

সম্ৰাটৰ বিচাৰ শুনি সুৰসেন আঁচৰিত হ'ল। 'মহাৰাজ!' তেওঁ অজানিতে কলে।

''সুৰসেন, যদি তুমি তোমাৰ ক্ষমতাৰ কথা পাহৰি গৈ গোটেই ঘটনাটো ভালকৈ চিন্তা কৰা। এটা সৰু পৰিয়ালতো সদায় সৰ্বসম্মত সিদ্ধান্ত লোৱাটো সম্ভৱ নহয়। গতিকে এজন তলতীয়া ৰজাই সম্ৰাটে নিৰ্ধাৰণ কৰা আইনত সম্মত হব নোৱাৰাত আঁচৰিত হবলগীয়া একো নাই। নিধৰিত আইনক কোনোবাই সমালোচনা কৰিলে আমি সেই আইনক পুণৰ চালি-জাৰি চোৱাৰ প্ৰয়োজন আছে। আমাৰ ভুল হোৱাটোও অসম্ভৱ নহয়। গতিকে সেই সম্পৰ্কে সকলো দিশ ফঁহিয়াই চোৱা দৰকাৰ।''

এইবুলি কৈ বিষ্ণুবৰ্ধন খন্তেক ৰ'ল আৰু তাৰপিছত কলে, ''আমাক সমালোচনা কৰিলে বুলিয়েই কাৰোবাক শাস্তি দিয়া উচিত নহয়। তেনে কৰিলে সেয়া আমাৰ ক্ষমতাৰ অপব্যৱহাৰ কৰা হব। আমি কৰি থকা কামবিলাক ভালনে বেয়া তাক আমি কেনেকৈ জানিব পাৰো? সমালোচনাৰ যোগেদি। গঠনমূলক সমালোচনা সদায় উপকাৰী। তেনে সমালোচনাক স্বাগতমহে জনাব লাগে।''

সম্ৰাটৰ কথা শুনি সুৰসেনৰ সম্ৰাটলৈ শ্ৰদ্ধা উপজিল। তেওঁ বুজিব পাৰিলে যে তেওঁ প্ৰজাৰ মানসিকতা বুজি পাবলৈ চেষ্টা কৰে আৰু সেইবাবেই তেওঁৰ চিন্তাধাৰা ইমান বিশাল।

''মহাৰাজ, মোৰ ভুলৰ বাবে মোক ক্ষমা কৰক। মই সোনকালেই ৰামপুৰ ৰাজ্যলৈ গৈ ৰজা অনন্ত বাৰ্মাক লগ ধৰিম। সকলো কথা আলোচনা কৰি তেওঁৰ মনত থকা খু-দুৱনি নাইকিয়া কৰিম। আশা কৰো এইদৰে তেওঁৰ সম্মান আৰু শ্ৰদ্ধা আদায় কৰিবলৈ সক্ষম হম।'' এইদৰে কৈ সুৰসেনে ৰজাৰ পৰা বিদায় লৈ ৰামপুৰ ৰাজ্য অভিমুখে গমন কৰিলে।



চিকাৰী

পঞ্চবাণী ৰাজ্যৰ ৰজা বিক্রমধীৰ আছিল এজন বিখ্যাত যোদ্ধা। নিজৰ পৰাক্রমক লৈ তেওঁ গৌৰৱ কৰিছিল। তেওঁ ভাৱিছিল যে তেওঁতকৈ পাৰদৰ্শী যোদ্ধা এই পৃথিৱীত নাই।

এবাৰ তেওঁ আনদিনাৰ দৰে চিকাৰ কৰিবলৈ গ'ল। লগত লৈ গ'ল ৰাজ্যৰ সৰ্বোৎকৃষ্ট সেনাসকলক। এটা মৃগ দেখা পাই তেওঁ শৰ নিক্ষেপ কৰিলে। সেই সময়তে আন দিশৰ পৰাও এডাল শৰ আহি মৃগটোক বিদ্ধ কৰিলে।

আনডাল শৰ অহা দিশলৈ বিক্রমধীৰে লক্ষ্য কৰিলে। তেওঁ জানিব বিচাৰিলে, তেওঁ লক্ষ্য স্থিৰ কৰা মৃগটোলৈ কোনে শৰ নিক্ষেপ কৰিলে। অলপ দূৰত থকা জোপোহা এটাৰ পৰা এজন লোক ওলাই আহিল আৰু ৰজাক সম্ভাষণ জনাই কলে, ''মোক ক্ষমা কৰক, মহাৰাজ, মই নাজানিহে এই মৃগটোলৈ শৰ নিক্ষেপ কৰিলো।''

''তোমাৰ পৰিচয় কি?''

''মহাৰাজ, মোৰ নাম হ'ল ৰাণা। চিকাৰেই মোৰ পেশা।'' সেই লোকজনে কলে।

''মই লক্ষ্য স্থিৰ কৰা মৃগলৈ শৰ নিক্ষেপ কৰি তুমি ভুল কৰিছা। এই ভুলৰ বাবে মই তোমাৰ সোঁহাতৰ বুঢ়া আঙুলি কাটি শাস্তি প্ৰদান কৰিম।'' ৰজা বিক্রমধীৰে কলে।

''মহাৰাজ, অজানিতে কৰা ভুলৰ বাবে আপুনি মোত এনে গুৰুতৰ শাস্তি নিবিহিব। এজন ধনুৰ্বিদৰ বাবে তেওঁৰ সোঁহাতৰ বুঢ়া আঙুলি প্ৰাণৰ সমান।'' চিকাৰী ৰাণাই কলে।

ৰাণাৰ কথা শুনি বিক্রমধীৰৰ খং উঠিল। ''তুমি কি মোতকৈও পাৰদৰ্শী ধনুৰ্ধৰ?''

''আপুনি যুদ্ধক্ষেত্ৰত যিমান পাৰদৰ্শী, ময়ো এই অৰণ্যৰ মাজত চিকাৰ কৰাত সিমানেই পাৰদৰ্শী।'' ৰাণাই বিক্রমধীৰক কলে।

চিকাৰী ৰাণাৰ এনে উত্তৰ শুনি ৰজাৰ বৰ

এন শিৱনাগেশ্বৰ ৰাও

খং উঠিল। তেওঁ সৈন্যসকলক আদেশ দিলে, ''ইয়াক লগে লগে বধ কৰা।'' ৰজাৰ আদেশ শুনি সকলো সৈন্যই খাপৰ পৰা তৰোৱাল উলিয়াই ললে। থিক সেই সময়তে, গছৰ ওপৰৰ পৰা এটা প্ৰকাণ্ড অজগৰ সাপ ৰজাৰ ওপৰত সৰি পৰিল। সাপে ৰজাক মূৰৰ পৰা ভৰিলৈকে মেৰিয়াই ধৰিলে।

এনে অৱস্থাত ৰজা আৰু তেওঁৰ সৈন্যসকল বৰ বিমোৰত পৰিল। ৰজাই অজগৰৰ পৰা মুক্তি পাবৰ বাবে প্ৰাণেপণে চেষ্টা কৰিলে, কিন্তু তেওঁ শক্তি তেনে কৰিবৰ বাবে যথেষ্ট নাছিল। সৈন্যসকলো বিবুদ্ধিত পৰিল। কিয়নো অজগৰলৈ বুলি শৰ নিক্ষেপ কৰিলে সেই শৰে ৰজাক আঘাট কৰিবগৈ পাৰে।

ঘটনা দেখি ৰাণাই তেওঁৰ ধনু শৰ তুলি ললে। তেওঁ অজগৰক লক্ষ্য কৰি কেইবাডালো শৰ নিক্ষেপ কৰিলে। তেওঁ লক্ষ্য ইমানেই শুদ্ধ আছিল যে ৰজা বিক্ৰমধীৰ অলপো আঘাটপ্ৰাপ্তনহ'ল। অজগৰৰ খামোচ ঢিলা হৈ আহিল। সেই সুবিধা গ্ৰহণ কৰি ৰজাই নিজকে অজগৰৰ কবলৰ পৰা মুক্ত কৰিলে।

তাৰপিছত ৰাণাই নিজৰ ককালৰ পেটীত বান্ধি থোৱা চুৰীখন উলিয়াই অজগৰৰ মূৰত আঘাট কৰিলে। সেই আঘাটত অজগৰৰ মৃত্যু হ'ল।

বিক্ৰমধীৰ এই ঘটনাত বৰ সুখী হ'ল। তেওঁ চিকাৰী ৰাণাক আকোৱালি লৈ কলে, ''মই বৰ অহংকাৰীৰ দৰে কথা কৈছিলো। ভাৱিছিলো যে এজন ৰজা হোৱাৰ বাবে মই তোমাতকৈ বেছি পৰাক্ৰমী। এনে অৱস্থাত আনকি ময়ো তোমাৰ দৰে কৰি মোৰ শত্ৰুৰ জীৱন ৰক্ষা নকৰিলোহেতেন। কোনো সন্দেহ নাই যে তুমি মোতকৈ মহান। অনুগ্ৰহ কৰি তোমাক কৰা ব্যৱহাৰৰ বাবে মোক ক্ষমা কৰি দিয়া।''

চিকাৰী ৰাণাই উত্তৰ দিলে, ''মহাৰাজ, এটা বুঢ়া আঙুলি যিদৰে এজন চিকাৰীৰ বাবে গুৰুত্বপূৰ্ণ, ঠিক একেদৰে মানৱতাও এজন মানুহৰ বাবে প্ৰয়োজনীয়। এজন মানুহ হিচাপে আপোনাক ৰক্ষা কৰি মই মোৰ কৰ্তব্য কৰিলো। ইয়াত একো মহানতা নাই।''

ৰাণাৰ কথা শুনি ৰজাই তেওঁৰ ডিঙিৰ পৰা মুকুতাৰ মালাধাৰি খুলি ৰাণাৰ ডিঙি পিন্ধাই দি ৰাজপ্ৰসাদলৈ উভতি আহিল।



পাৰ্থক্য

ছয় বছৰীয়া দীপিকাই গালত হাত দি মনে মনে বহি আছিল। তাই যেন কিবা এটা ভাৱত ডুব গৈ আছিল। তাই অলপ আগতে চুবুৰীয়াৰ ছোৱালী ৰৌজীৰ জন্মদিনৰ পাৰ্টিৰ পৰা উভতি আহিছিল।

দীপিকাৰ দেউতাকে কথাটো লক্ষ্য কৰিলে। তাই তেওঁলোকৰ একমাত্ৰ কণ্যা আছিল আৰু দীপিকাক তেওঁলোকে বৰ মৰম কৰিছিল।

"তুমি দীপিকাক কিবা কথাত গালি পাৰিলা নেকি?" দীপিকাৰ দেউতাক ভৈৰৱে তেওঁৰ পত্নীৰ মৈত্ৰেয়ীক সুধিলে।

"নাইতো, মই তাইক একো কোৱা নাই। কিয়?" পত্নীয়ে ভৈৰৱক সুধিলে।

"সদায় হাঁহি মাতি থকা আমাৰ দীপিকাই আজি ইমান মনে মনে কি চিন্তা কৰি আছে। আনকালে হোৱা হলে তাই চিঞৰি-বাখৰি খেলি থাকিলেহেতেন।"

"মই পাকঘৰৰ কামত লগি আছিলো। মই তাইক মনেই কৰা নাই। তাই যেতিয়া ৰৌজীৰ জন্মদিনৰ পাৰ্টি খাবলৈ গৈছিল, তেতিয়াটো ঠিকেই আছিল।" মৈত্ৰেয়ীয়ে কলে।

এই কথা শুনি দেউতাকে দীপিকাৰ কাষলৈ গৈ মৰমৰে সুধিলে, "তুমি ইমান একান্ত মনেৰে কি চিন্তা কৰি আছা মাজনী?"

দীপিকাই দেউতাক ফালে চালে। দেউতাকে এই কথা স্পষ্টকৈ ধৰিব পাৰিছিল যে কিবা এটা কথাই তাইক আমনি দি আছিল।

"দেউতা, তুমি জানানে, ৰৌজীয়ে জন্মদিনৰ উপহাৰ স্বৰূপে নানা ধৰণৰ পুতলা গাড়ী আৰু কাপোৰ লাভ কৰিলে।" দীপিকাই কলে।

দেউতাক ভৈৰৱে কথাটো বুজিব পাৰিলে। "মোৰ এইমাত্ৰ মনত পৰিল যে কালিলৈ তোমাৰ স্কুলত সংগীতৰ প্ৰতিযোগিতা আছে। তুমি তাৰবাবে ভালদৰে অনুশীলন কৰিলানে? ঠিক আছে, কোনটো গান গাবা সেইটো মোক গাই শুনোৱা

এ কণ্ডালা ৰাও

বাৰু।'' তেওঁ বিষয়টো সলনি কৰি তাইৰ মনোযোগ আনফালে লৈ যাবলৈ চেষ্টা কৰিলে।

দেউতাকে কোৱাত দীপিকাই পিছদিনা স্কুলৰ প্ৰতিযোগিতাত গাবলগীয়া গীতটো গাই শুনালে। সেই গীতটো তাই মাকৰ পৰা শিকিছিল। তাইৰ মাকে বহু কষ্ট কৰি তাইক গীতটো ভালকৈ শিকাই দিছিল।

পিছদিনা যেতিয়া ভৈৰৱ অফিচৰ পৰা ঘৰলৈ উভতি আহিল, দীপিকাই দুৱাৰ মুখতে আগুচি ধৰি সংগীত প্ৰতিযোগিতাত পুৰস্কাৰ হিচাপে লাভ কৰা কিতাপখন দেখুৱালে। তাই বৰ সুখী হৈছিল।

ভৈৰৱে হাঁহি এটা মাৰি তাইক সুধিলে, ''মাজনী, কোৱাচোন বাৰু, তুমি এই কিতাপখন পুৰস্কাৰ পাই কিয় ইমান সুখী হৈছা ? এইখনটো ইমান দামী কিতাপ নহয়।''

''তুমি জানানে দেউতা, আমাৰ প্ৰতিযোগিতাৰ বিচাৰকসকলে কলে যে মই ডাঙৰ হৈ এগৰাকী ভাল গায়িকা হম। তেওঁলোকে মোৰ গীতৰ বৰ প্ৰশংসা কৰিলে। সেইবাবেই মই সুখী হৈছো।'' দীপিকাই উত্তৰ দিলে।

''তাৰমানে তুমি এই কিতাপখন তোমাৰ প্ৰতিভাৰ বাবেই পুৰস্কাৰ পাইছা। নহয় জানো ?''

''হয়। মই এই কিতাপখন ভালদৰে সাঁচি থম। তুমি জানানে দেউতা, মই এই কথাটো জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম।''

দেউতাকে এইবাৰ দীপিকাক কোলাত বহুৱাই লৈ মৰমেৰে কলে, ''মাজনী, তুমি পুৰস্কাৰ আৰু উপহাৰৰ মাজত পাৰ্থক্যটো বুজি পোৱানে ? যিবিলাকে আমাক ভাল পায়, মৰম কৰে, তেওঁলোকে সেই মৰম, ভালপোৱা প্ৰকাশ কৰিবৰ বাবে আমাক উপহাৰ প্ৰদান কৰে। কিন্তু আমি পুৰস্কাৰ লাভ কৰো আমাৰ কঠিন পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বাবে। পুৰস্কাৰ বা উপহাৰ দুয়োটাই আমাক সুখী কৰি তোলে। কিন্তু আমি নিজে কঠিন পৰিশ্ৰম কৰি যি লাভ কৰো সেয়া আমাৰ বাবে বেছি মূল্যৱান। গতিকে পুৰস্কাৰ উপহাৰতকৈ বেছি মূল্যৱান। তুমি ছাগৈ এতিয়া পাৰ্থক্যটো বুজি পাইছা।''

দীপিকাই মূৰ দুপিয়াই দেউতাকৰ কথাত সন্মতি দিলে। তাৰপিছত তাই পোৱা পুৰস্কাৰটো বুকুত সাৱতি লৈ লগৰ বন্ধু-বান্ধৱীসকলক দেখুৱাবৰ বাবে দৌৰ দিলে।



ভাগ্যৰ খেল

বহুদিনৰ আগৰ কথা। বুণ্ডেলখণ্ডত ঠাকুৰ বংশ ৰজাই ৰাজত্ব কৰিছিল। কিন্তু সেই বংশৰে এজন লোক ৰূপ সিং বৰ দুখীয়া আছিল। ধন সম্পত্তিৰ কথা বাদেই, এই সংসাৰত তেওঁৰ বন্ধু বুলিবলৈও কোনো নাছিল। সম্পত্তিৰ ভিতৰত তেওঁৰ নিজৰ বুলিবলৈ আছিল এখন কুঠাৰ, এডাল ৰছী আৰু এখন ধাৰি।

সেই কুঠাৰখন লৈ ৰূপ সিঙে ৰাতিপুৱাৰ পৰা দুপৰীয়ালৈকে হাবিৰ মাজত গৈ খৰি কাটিছিল আৰু সন্ধিয়া তিনিটা টকা লৈ সেই খৰি বেচি দিছিল। তাৰ ভিতৰৰ দুটা টকা তেওঁ ধোবীক দি ৰজা-মহাৰজাৰ পোছাক ভাড়ালৈ লৈছিল আৰু বাকী থকা টকাটোৰে তেওঁ এটা ঘোঁৰা ভাৰালৈ লৈছিল। সেই পোছাক পৰিধান কৰি ঘোঁৰাৰ পিঠিত উঠি খুব বেগেৰে তেওঁ চহৰৰ ব্যস্ত পথবিলাকত বুকু ফিন্দাই ঘূৰি ফুৰিছিল। দেখনিয়াৰ আৰু স্বাস্থ্যৱান যুৱকক তেজী ঘোঁৰাৰ পিঠিত উঠি চহৰৰ মাজত ঘূৰি ফুৰা দেখি মানুহবিলাকে ভাৱিছিল যে তেওঁ নিশ্চয় কোনোবা ৰজা হব লাগিব। এইদৰেই ৰূপ সিঙে ঠাকুৰ বংশৰ মান-মৰ্য্যদা বতাহি ৰাখিছিল। ৰাতি হোৱাৰ লগে লগেই ভাড়ালৈ লোৱা কাপোৰ আৰু ঘোঁৰা উভতাই দি নিজৰ ফটা-চিটা কাপোৰ পিন্ধি লৈছিল। ৰাতি তিয়াই থোৱা বুটমাহ কেইটামান আৰু পেট ভৰাই পানী খাইছিল। তাৰপিছত ধাৰি পাৰি শুই পৰিছিল।

যেতিয়া এবাৰ ৰূপ সিঙে হাবিৰ মাজত খৰি কাটি আছিল, তেওঁ কিবা এটা ভাল গোন্ধ পালে। বিচাৰ খোচাৰ কৰি তেওঁ ওচৰতে এজোপা ডাঙৰ চন্দনৰ গছ

জি কৃষ্ণনন্দ শৰ্মা

উলিয়াই বেপাৰীক দি কলে, "এই চন্দনৰ টুকুৰাটো লংকাৰ ৰজাক ঠাকুৰ ৰূপ সিঙৰ তৰফৰ পৰা উপহাৰ হিচাপে প্ৰদান কৰিবা। তোমাৰ সকলো কাম সিদ্ধি হ'ব।" তাৰ পিছত তেওঁ তাৰ পৰা প্ৰস্থান কৰিলে।

সদাগৰে ৰূপ সিঙৰ উপহাৰ নি লংকাৰ ৰজাৰ হাতত অৰ্পণ কৰিলেগৈ। চন্দন কাঠ লংকাৰ ৰজাই কেতিয়াও দেখা পোৱা নাছিল। তেওঁ সেই উপহাৰ লাভ কৰি বৰ আনন্দিত হ'ল। তেওঁ সদাগৰক বেপাৰৰ বাবে অনুমতি প্ৰদান কৰাই নহয়, সকলো সা-সুবিধাও কৰি দিবলৈ আদেশ কৰিলে। সদাগৰে বেপাৰ কৰি লংকা দেশৰ পৰা উভতি অহাৰ সময়ত তেওঁ ৰূপ সিঙৰ বাবে মুকুতাৰ মালা উপহাৰ হিচাপে প্ৰেৰণ কৰিলে।

যেতিয়া সদাগৰে লংকা দেশৰ পৰা উভতি আহি চহৰত ৰূপ সিঙৰ প্ৰতীক্ষা কৰি আছিল, তেনেতে এদিন তেওঁ ঘোঁৰাৰ পিঠিত উঠি যোৱা ঠাকুৰ ৰূপ সিঙক দেখা পালে। তেওঁ আগুৱাই গৈ সম্ভাষণ জনালে।

"নমস্কাৰ, প্ৰভু।" সদাগৰে কলে।

"তুমি কোন ?" ৰূপ সিঙে লেকাম টানি ঘোঁৰা ৰখাই সুধিলে।

"প্ৰভু, মই এক বিদেশী সদাগৰ। মই আপুনি প্ৰেৰণ কৰা উপহাৰ নি লংকা ৰাজৰ হাতত অৰ্পণ কৰিলোগৈ। তেওঁ আপোনাৰ বাবে এই উপহাৰ প্ৰেৰণ কৰিলে।" সদাগৰে কলে।

দেখিলে। তেওঁ কুঠাৰেৰে সেই চন্দনৰ এটা টুকুৰা কাটি খৰিৰ লগতে লৈ ঘৰলৈ উভতি আহিল। সন্ধিয়া যেতিয়া ৰূপ সিঙে ৰজাৰ পোছাক পিন্ধি ঘোঁৰাত আৰোহন কৰি চহৰত ঘূৰি ফুৰিছিল, তেতিয়া চহৰৰ এটা পথত তেওঁ এজন বিদেশী সদাগৰক লগ পলে।

"নমস্কাৰ, প্ৰভু।" সদাগৰে সম্ভাষণ জনাই সবিনয়ে কলে।

"তুমি কোন ?" ৰূপ সিঙে সুধিলে।

"প্ৰভু, মই এজন সদাগৰ। আপোনাৰ ৰাজ্যত বেপাৰ সমাপ্তকৰি মই লংকা দেশলৈ যাবলৈ ওলাইছো।" বিদেশী সদাগৰে সবিনয়ে কলে।

ৰূপ সিঙে অলপ সময় কিবা ভাৱিলে। তাৰপিছত জেপৰ পৰা চন্দনৰ টুকুৰাটো

"তুমি এতিয়া ব্যৱসায়ৰ বাবে কোন দেশলৈ যাবা ?" ৰূপ সিঙে সুধিলে।

"মই এতিয়া আৰৱ দেশলৈ যাম।" বিদেশী সদাগৰে উত্তৰ দিলে।

"ঠিক আছে, তেতিয়া হলে এই মুকুতাৰ মালা আৰৱ দেশৰ বাদশ্বাহক মোৰ হৈ উপহাৰ হিচাপে প্ৰদান কৰিবা। তোমাৰ কাম সিদ্ধি হব।" এইবুলি কৈ ঘোঁৰা চেকুৰাই গুচি গ'ল।

সদাগৰে ৰূপ সিঙৰ কথামতেই গৈ আৰৱ দেশৰ বাদশ্বাহক সেই মুকুতাৰ মালা প্ৰদান কৰিলেগৈ। আৰৱৰ বাদশ্বাহে সেই মালা দেখা পাই ভাৱিলে যে কোনোবা খুব ধনী আৰু সম্পদশালী ব্যক্তিয়েহে এনে মালা উপহাৰ হিচাপে প্ৰেৰণ কৰিব পাৰে। আৰৱ দেশৰ ঘোঁৰা পৃথিৱীতে বিখ্যাত। বাদশ্বাহে বাছি বাছি এশটা উত্তম বিধৰ ঘোঁৰা ঠাকুৰ ৰূপ সিঙলৈ বুলি প্ৰেৰণ কৰিলে।

"ঠাকুৰ ৰূপ সিঙক আমাৰ শুভেচ্ছা জ্ঞাপন কৰিবা। এই এশটা ঘোঁৰা মোৰ ফালৰ পৰা তেওঁক উপহাৰ হিচাপে প্ৰদান কৰিবা।" বাদশ্বাহে বেপাৰীক আদেশ কৰিলে।

বেপাৰীয়ে বাদশ্বাহে প্ৰদান কৰা ঘোঁৰা লগত লৈ আহিল। তেওঁ আগৰ দৰেই চহৰত ৰূপ সিঙৰ প্ৰতীক্ষা কৰিবলৈ ধৰিলে। অলপ পৰৰ পিছতে ঘোঁৰা চেকুৰাই যোৱা ৰূপ সিঙক দেখা পাই সদাগৰে আগুৱাই গৈ

কলে, "হে প্ৰভু, আৰব দেশৰ বাদশ্বাহে এই এশটা ঘোঁৰা আপোনালৈ উপহাৰ হিচাপে মোৰ হাতত প্ৰেৰণ কৰিছে।"

"তুমি এইবাৰ কোন দেশলৈ যাবা ?" ৰূপ সিঙে সুধিলে।

"মই ব্যৱসায়ৰ বাবে পুণৰ লংকা দেশলৈ যাম।" সদাগৰে কলে।

"ঠিক আছে, তেতিয়াহলে এই ঘোঁৰাবিলাক লংকা ৰাজক মোৰ ফালৰ পৰা উপহাৰ হিচাপে প্ৰদান কৰিবা।" এইবুলি কৈ ৰূপ সিং ঘোঁৰা চেকুৰাই গুচি গ'ল।

সদাগৰে ঘোঁৰা লৈ গৈ লংকাৰ ৰজাক ৰূপ সিঙৰ ফালৰ পৰা উপহাৰ হিচাপে প্ৰদান কৰিলেগৈ।

উপহাৰ দেখা পাই লংকাৰ ৰজাই বৰ

ভাল পালে। তেওঁ ভাৱিলে, 'ৰূপ সিঙৰ উপহাৰ যে অমূল্য তাত কোনো সন্দেহ নাই, কিন্তু তেওঁৰ স্নেহ তাতোকৈ বহুগুণে অধিক হ'ব। সদাগৰৰ পৰা ৰূপ সিঙৰ বিষয়ে কিছু কথা জানি লৈ নিজৰ একমাত্ৰ কণ্যাৰ বিবাহ কৰোৱাৰ কথা প্ৰস্তাৱ কৰিলে। লগতে ৰূপ সিঙৰ বাবে নানা ধৰণৰ কাৰুকাৰ্য থকা ৰাজোচিত পোছাক, আভুষণ, অলংকাৰ সহিতে বহু চাকৰ-বাকৰক উপহাৰ হিচাপে সদাগৰৰ লগত প্ৰেৰণ কৰিলে।

সদাগৰ উভতি আহিল, কিন্তু ৰূপ সিঙৰ ঠিকনা তেওঁৰ জনা নাছিল। সেইবাবে সকলো লোক আৰু বয়বস্তু তেওঁ চহৰৰ পথৰ কাষতে ৰাখি ৰূপ সিঙৰ বাবে অপেক্ষা কৰি থাকিল।

সন্ধিয়া হোৱাৰ লগে লগে ঘোঁৰা চেকুৰাই ৰূপ সিং আহিল। বেপাৰীয়ে ৰূপ সিঙক লংকাৰ ৰজাৰ প্ৰস্তাৱ শুনালে। ৰূপ সিঙে লংকাৰ ৰজাই প্ৰেৰণ কৰা কাপোৰ-কানি, আ-অলংকাৰ আদি লৈ সদাগৰক কলে যে পিছদিনাখন তেওঁ একে সময়তে সেই স্থানতেই লগ পাব। তাৰ পিছত তেওঁ তাৰ পৰা গুচি গ'ল।

পিছদিনা তেওঁ খৰি বেচি পোৱা টকাৰে এখন পাল্কী লৈ, লংকাৰ ৰজাই প্ৰেৰণ কৰা পোছাক-পৰিচ্ছদ, আ-অলংকাৰ পৰিধান কৰি, সেই পাল্কীত আৰোহন কৰি চহৰৰ সেই নিৰ্দিষ্ট ঠাইত সদাগৰক লগ পাবলৈ আহিল। তাত সদাগৰৰ লগতে লংকাৰ ৰজাই প্ৰেৰণ কৰা সকলো চাকৰ-বাকৰ তেওঁৰ বাবে অপেক্ষা কৰি আছিল। ৰূপ সিং আহি পোৱাৰ লগে লগে সকলোটি মিলি লংকা দেশলৈ বুলি ৰাওনা হ'ল।

লংকা ৰাজ্যৰ ৰাজকুমাৰীৰ লগত ঠাকুৰ ৰূপ সিঙৰ বিবাহ ধুম-ধামেৰে হৈ গ'ল। লংকা ৰজাৰ কোনো পুত্ৰ নাছিল বাবে কিছুদিনৰ পিছত ৰূপ সিং লংকা ৰাজ্যৰ ৰজা হৈ পৰিল।



প্ৰমাণ

শশীধৰে নৰিকল বেচা কিনাৰ ব্যৱসায় কৰিছিল। গাৱঁত কেৱল এখনেই দোকান আছিল আৰু সেইখনেই আছিল তেওঁৰ। গতিকে ব্যৱসায়ত প্ৰতিযোগিতা নাছিল। ব্যৱসায়ত লাভৰ পৰিমাণ কমি গলে তেওঁ কিছুমান বুদ্ধি খটুৱাই পুণৰ লাভ বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল।

তেওঁ পুত্ৰ শৰতক ব্যৱসায়ৰ জ্ঞান দিবলৈ ধৰিলে। এবাৰ দাম কমি যোৱাত তেওঁ একেবাৰতে দুহেজাৰ নাৰিকল ক্ৰয় কৰিলে। ইমান নাৰিকল কিনা দেখি শৰতে সন্দেহ প্ৰকাশ কৰিলে। সি কলে, ‘‘দেউতা, এই মাহত কোনো পুজা বা ব্ৰতৰ বাবে শুভ সময় নাই। যদি নাৰিকলখিনি আমি সোনকালে বিক্ৰী কৰিব নোৱাৰো, তেন্তে বেয়া হৈ যাব। ফলত আমি লোকচানৰ মুখামুখি হবলগীয়া হব।’’

শশীধৰে হাঁহি এটা মাৰি কলে, ‘‘যদি আমি বুদ্ধিমান হও, তেনেহলে আমি কেৱল আজিৰ ভিতৰতে সকলো নাৰিকল বিক্ৰী কৰি শেষ কৰিব পাৰিম। মই তাৰ বাবে ইতিমধ্যেই এটা উপায় চিন্তা কৰি উলিয়াইছো।’’

অলপ সময়ৰ পিছতে সুগুণা নামৰ এগৰাকী মহিলা দোকানকৈ আহিল। ‘‘মোক এটা নাৰিকল লাগে।’’ তাই কলে।

শশীধৰে মহিলাগৰাকীক চিনি পাইছিল। গতিকে সি সুধিলে, ‘‘বাইদেউ, আজি আপুনি কি কাৰ্যৰ বাবে নাৰিকল ক্ৰয় কৰিব খুজিছে?’’

‘‘আমাৰ ঘৰলৈ সম্পৰ্কীয় এজন আহিছে আৰু তাৰ বাবেই মই নাৰিকলৰ লাৰু তৈয়াৰ কৰিব খুজিছো।’’ মহিলাগৰাকীয়ে উত্তৰ দিলে।

‘‘আপুনি এটা কথা জানেনে?’’ শশীধৰে মহিলাগৰাকীক সুধিলে।

‘‘কি কথা?’’ সুগুণাই ব্যগ্ৰ হৈ সুধিলে।

‘‘বেয়া শক্তিৰ পৰা মুক্তি লাভৰ বাবে কৰা

বি ভি পাটনায়ক



পুজাটো নাৰিকলৰ প্ৰয়োজন হয়। মই আপুনি সেই পুজাৰ বাবে নাৰিকল বিচৰা বুলি ভাৱিছিলো।''

''সেইটো কেনে পুজা? মই দেখোন সেইটোৰ কথা শুনাই নাই।'' সুগুণাই কলে।

''সকলো বিবাহিতা মহিলাই সেই পুজা কৰিবৰ বাবে তিনিটা নাৰিকলৰে পতিদেৱতাক পুজা কৰিব লাগে। তাৰপিছত সেই নাৰিকল তিনিটা ঘৰৰ দুৱাৰ মুখত ভাঙি পেলাব লাগে। এই পুজা নকৰিলে ঘৰৰ মূৰব্বীজনৰ অমংগল হয় বুলি মানুহে কয়।'' শশীধৰে বুজাই কলে।

''আপুনি এই পুজাৰ বিষয়ে কেনেকৈ গম পালে।?'' সুগুণাই সুধিলে।

''মই এই বিষয়ে আমাৰ চুবুৰীয়া গাৱৰ থকা জ্যোতিষীজনৰ পৰা জানিব পাৰিলো। তেওঁলোকৰ গাৱৰ সকলো বিবাহিতা মহিলাই এই পুজা ইতিমধ্যেই কৰি আজৰি হৈছে। ফলত তেওঁলোক অশুভ শক্তিৰ পৰা মুক্ত হৈ পৰিছে। আপুনি এইবিষয়ে একো শুনা নাইনে?'' শশীধৰে মহিলাগৰাকীক সুধিলে।

''মই এই পুজাৰ কথা নাজানিছিলোৱেই।''

''অনুগ্ৰহ কৰি অশুভ শক্তিৰ পৰা আঁতৰি থাকিবৰ বাবে আজিয়েই সেই পুজা কৰি আজৰি হওক। আপোনাৰ পৰিয়াল নিৰাপদে থাকিব। আপুনি জনা সকলোকে এই পুজাৰ কথা জনাই দিবলৈ নাপাহৰিব। গাৱৰ সকলো ভালে থকাটোকেই আমি কমনা কৰো।'' শশীধৰে কলে।

সুগুণাই শশীধৰৰ কথাত বিশ্বাস কৰিলে আৰু তিনিটা নাৰিকল ক্ৰয় কৰিলে।

''দেউতা, আমাৰ কাষৰ গাৱৰ জ্যোতিষীজনে কেতিয়া আপোনাক সেই পুজাৰ কথা কলে?'' পুত্ৰ শৰতে শশীধৰক সুধিলে।

''তাতেই গোটেই কিটিপটো লুকাই আছে। বেছিভাগ মানুহেই কম বেচি পৰিমানে অন্ধবিশ্বাসী। তুমি এতিয়াই মই সুগুণাক কোৱা কথাৰ ফল দেখিবলৈ পাবা। আমাৰ নাৰিকলবিলাক আজি খৰকৈ বিক্ৰী হব।''

''এইদৰে মিছা কথা বিয়পাই অন্ধবিশ্বাস বৃদ্ধি কৰাটো ভুল কথা নহয়নে?'' শৰতে শশীধৰক সুধিলে।

''আনৰ বাবে এইটো এটা অন্ধবিশ্বাস হব পাৰে, কিন্তু মোৰ বাবে এয়া হ'ল ব্যৱসায়।'' শশীধৰে নিজৰ কামক সমৰ্থন কৰি কলে।

আশা কৰা ধৰণেই সমগ্ৰ গাৱতে এই পুজাৰ কথা বিয়পি পৰিল। সকলো মহিলাই নাৰিকল কিনিবৰ বাবে শশীধৰৰ দোকানলৈ ঢাপলি মেলিলে। ইমানেই খৰকৈ নৰিকলবিলাক

বিক্ৰী হবলৈ ধৰিলে যে সন্ধিয়া হোৱাৰ আগতেই তেওঁৰ দোকানৰ সকলো নাৰিকল বিক্ৰী হৈ গ'ল। সেইদিনা তেওঁৰ দুহেজাৰ টকা লাভ হ'ল। তেওঁ বৰ সুখী হ'ল।

পিতা-পুত্ৰ দুয়ো সন্ধিয়া দোকান বন্ধ কৰি ঘৰলৈ বুলি উভতি আহিল। শশীধৰৰ পত্নী সুমতীয়ে তেওঁলোকক ঘৰৰ বাহিৰতেই সম্ভাষণ জনালে।

"আপুনি মোৰ বাবে তিনিটা নাৰিকল আনিলেনে ? ৰাতি হোৱাৰ আগতেই মই পুজা কৰি শেষ কৰো বুলি ভাৱিছো।" শশীধৰৰ পত্নী সুমতীয়ে শশীধৰক সুধিলে।

"সকলো নাৰিকল বিক্ৰী হৈ গ'ল। মই লাভৰ দুহেজাৰ টকাহে আনিছো।" শশীধৰে হাঁহি মাৰি কলে।

"আপুনি এতিয়া লাভৰ কথা এৰক। আপোনাৰ ভালেই মোৰ বাবে সকলো।" এইবুলি কৈ তাই শশীধৰৰ হাতত এটা তাবিজ বান্ধি দিলে।

"এইটো কি ?" শশীধৰে সুধিলে।

"আপুনি গমেই নাপাই নেকি ? সকলোৱে এই বিষয়ে কোৱা-কুই কৰি আছে। বেয়া গ্ৰহৰ প্ৰভাৱত ঘৰৰ মূৰব্বীৰ অশুভ দিন চলি আছে। সৌভাগ্যবশত এজন জ্যোতিষী আজি আমাৰ ঘৰলৈ আহিছিল। তেওঁৰ পৰাই মই এই তাবিজটো কিনি পেলালো।" পত্নী সুমতীয়ে কলে।

"কিমান দামত কিনিলা এই তাবিজটো ?"

"দহহেজাৰ টকা। তেওঁ আপোনাৰ ভাল হবৰ বাবে এটা পুজাও কৰি গ'ল।" পত্নী সুমতীয়ে কলে।

"তোমাক এই তাবিজ কিনিবলৈ কোনে কৈছিল ? ইমান টকা তুমি অবাবতে খৰচ কৰি পেলালা।" শশীধৰে বিৰক্ত হৈ সুধিলে।

"দেউতা, মাৰ গাত অকণো ভুল নাই। আপুনিহে বিক্ৰী বৃদ্ধি কৰিবৰ বাবে এই উৰাবাতৰি প্ৰচাৰ কৰিছিল। কোনো জ্যোতিষীয়ে আপুনি প্ৰচাৰ কৰা উৰাবাতৰি ব্যৱহাৰ কৰি মাৰ পৰা দহহেজাৰ টকা লৈ তাবিজ বিক্ৰী কৰি গুচি গ'ল। আপুনি সেই উৰাবাতৰি বিয়পাই নিদিয়া হলে এই দহহেজাৰ টকা হেৰুৱাবলগীয়া নহ'লহেতেন।" শৰতে কলে।

"তাৰমানে আপুনিয়েই এই উৰাবাতৰি বিয়পাই দিছিল ?" সুমতীয়ে গিৰিয়েকক খঙেৰে সুধিলে।



দুয়োৰে মাজত অন্তৰ

কৌশল ৰাজ্যৰ ৰজাৰ নাম আছিল চন্দ্ৰভানু। তেওঁৰ তাত ধৱলমুখ নামৰ এটা চাকৰ আছিল। তেওঁ ৰাজমহলৰ পৰা কেতিয়াও চিধা ঘৰলৈ নগৈছিল। কৰবাত আহাৰ আদি খাই বহু দেৰীকৈ ঘৰ পাইছিলগৈ।

এদিনাখন ধৱলমুখৰ পত্নীয়ে তেওঁক সুধিলে, “হেৰি, আপুনি সদায় ক'ৰবাত নহয় ক'ৰবাত ভোজন কৰি আহে। আপোনাক সদায় কোনে এইদৰে আহাৰ খাবলৈ দিয়ে?”

“মোৰ দুজন খুব ভাল বন্ধু আছে। তেওঁলোকৰ এজনৰ নাম হ'ল কল্যাণ বাৰ্মা। মই তেওঁৰ পৰা যিহকে নিবিচাৰো তাকেই দি দিয়ে। আহাৰৰ বাবে মই তেওঁক বেলেগকৈ কোৱাৰ কোনো প্ৰয়োজন নাই। আনজন বন্ধুৰ নাম হ'ল বীৰবাহু। তেওঁ মোৰ ইমানেই ভাল বন্ধু যে সুবিধা পালে তেওঁ মোৰ বাবে প্ৰাণ দিবলৈও ৰাজী।” ধৱলমুখে তেওঁৰ পত্নীক কলে।

পতিৰ এনে দুজন বন্ধু আছে বুলি জানি পত্নী বৰ সুখী হ'ল। “আপুনি কোনোবা দিনা আপোনাৰ বন্ধুৰ সৈতে সাক্ষাৎ নকৰাই কিয়?” পত্নীয়ে ধৱলমুখক সুধিলে।

“সেইটোনো কি ডাঙৰ কথা। কালিলৈকে দুয়োজনকে লগ ধৰি আহিমগৈ।” ধৱলমুখে কলে।

পিছদিনা দুয়ো পতি-পত্নী গৈ কল্যাণ বাৰ্মাৰ ঘৰ পালেগৈ। কল্যাণ বামাই দুয়োকে বৰ আদৰ-সাদৰ কৰিলে। তাৰপিছত ভোজন কৰালে। ধৱলমুখৰ পত্নীৰ এই কথা সম্পূৰ্ণৰূপে বিশ্বাস হ'ল যে কল্যাণ বাৰ্মাৰ বিষয়ে তেওঁৰ পতিয়ে যি কৈছিল সেয়া সম্পূৰ্ণৰূপে সঁচা।

তাৰপিছত দুয়ো বীৰবাহুৰ ঘৰলৈ বুলি ৰাওনা হ'ল। বীৰবাহুৱে কোনোবা এজনৰ লগত দবা খেলাত ব্যস্ত আছিল। তেওঁ ধৱলমুখক দেখি কলে, “আৰে, তুমি আহিলা,

টি ভীমা ৰাও

বহা।'' তাৰপিছত তেওঁ পুণৰ দবা খেলাত লাগিল। পতি-পত্নী অলপ সময়ত তাত বহাৰ পিছত, ধৱলমুখে বীৰবাহুক কলে, ''বন্ধু, আমি গৈ থাকো।''

বীৰবাহুৱে দবা খেলি থাকিয়েই চিঞৰি কলে, ''ঠিক আছে, যোৱা তেনেহলে।''

তাৰ পৰা গুচি অহাৰ পিছত পত্নীয়ে ধৱলমুখক কলে, ''আপুনি কৈছিল যে বীৰবাহু আপোনাৰ অধিক ভাল বন্ধু। কিন্তু কল্যাণ বাৰ্মাইটো তেওঁতকৈ অধিক আদৰ-সাদৰ কৰি আমাক যিমান পাৰে সেৱা-শুশ্ৰূষা কৰিলে।''

''তুমি যদি তেওঁলোকৰ মাজৰ পাৰ্থক্য জানিব বিচাৰিছা, তেন্তে কালিলৈ গৈ কোৱাগৈ যে ৰজা মোৰ ওপৰত বৰ অসন্তুষ্ট হৈ পৰিল। তাৰপিছত কি ঘটিব তুমি নিজেই প্ৰত্যক্ষ কৰিব পাৰিবা।'' ধৱলমুখে পত্নীক কলে।

পিছদিনাখন পত্নীয়ে প্ৰথমতে কল্যাণ বাৰ্মাৰ ঘৰলৈ গৈ কলেগৈ, ''মোৰ পতিৰ ওপৰত ৰজা বৰ অসন্তুষ্ট হৈছে। ফলত তেওঁ নানা বিপত্তিৰ সন্মুখীন হৈছে। আপুনি আপোনাৰ বন্ধুক সহায় কৰক।''

এই কথা শুনি কল্যাণ বাৰ্মা আচম্বিত হ'ল। ''মই হ'লো বেপাৰ কৰা মানুহ। ৰজাৰ বিৰুদ্ধে মই কি কৰিব পাৰো। তোমাৰ পতিৰ বাবে এয়াই ভাল হব যে তেওঁ শীঘ্ৰেই এই দেশ পৰিত্যাগ কৰি আন দেশলৈ গুচি যায়।'' তেওঁ কলে।

তাৰপিছত ধৱলমুখৰ পত্নী গৈ বীৰবাহুৰ ঘৰ পালেগৈ এই কল্যাণ বাৰ্মাক কোৱাৰ দৰে কলে। বীৰবাহুৱে এই কথা শুনি লগে লগে ঢাল-তৰোৱাল লৈ ধৱলমুখৰ ঘৰ পালেহি আৰু ধৱলমুখক কলে, ''বন্ধু, তুমি মোক এই কথা কোৱা যে কোন দুষ্টই তোমাৰ বিৰুদ্ধে ৰজাক কথা লগাইছে যে ৰজা তোমাৰ ওপৰত অসন্তুষ্ট হৈছে। মই এতিয়াই তাক সিপুৰীলৈ প্ৰেৰণ কৰিম।''

''আৰে, বহা। তেনেকুৱা একো হোৱা নাই। মন্ত্ৰী ডাঙৰীয়াই ৰজাক বুজাই-বঢ়াই সকলো ঠিক কৰি দিলে।'' ধৱলমুখে কলে।

বীৰবাহু যোৱাৰ পিছত ধৱলমুখে পত্নীক কলে, ''এতিয়া তুমি দুয়োৰে মাজত থকা পাৰ্থক্য বুজি পালানে?''



দোষাৰোপ

এজন ধনী সদাগৰ আছিল। তেওঁৰ সুবুদ্ধি নামৰ এটা পুত্ৰ আছিল। তেওঁৰ এজনী কণ্যা সন্তানো আছিল আৰু তাইৰ নাম আছিল সুমিত্ৰা। মৃত্যুৰ সময়ত সদাগৰে পুত্ৰক কাষলৈ মাতি কলে, ‘‘পুত্ৰ, মোৰ মৃত্যুৰ পিছত ব্যৱসায় ভালদৰে চলাই নিবা। তুমি তোমাৰ ভনীয়েৰাৰ লগত সমিল-মিলেৰে থাকিবা। এয়াই মোৰ শেষ ইচ্ছা। এই কথা ভালদৰে পালন কৰিবা।’’ এইবুলি কৈ তেওঁ চকু মুদিলে।

পিতাকৰ মৃত্যুৰ পিছত তিনিখন নৌকাত মাল-বস্তু বোজাই কৰি সুবুদ্ধি বেপাৰ কৰিবলৈ বুলি বিদেশ অভিমুখে ৰাওনা হ’ল। তেওঁ যোৱাৰ সময়ত ভনীয়েকক কলে, ‘‘ভন্টি, মই বহুদিনলৈকে উভতি নাহিম। মোৰ অনুপস্থিতিত ধৰ্মৰ উলংঘন নকৰিবা।’’ আকৌ কেতিয়া লগ পাব তাৰ কোনো ঠিকনা নোহাৱাৰ বাবে সুবুদ্ধিয়ে ভনীয়েকক এখন নিজৰ চিত্ৰ উপহাৰ দিলে। তাৰপিছত তেওঁ নিজেও ভনীয়েকৰ এখন চিত্ৰ লগত লৈ ৰাওনা হ’ল।

দুবছৰ পাৰ হৈ গ’ল। তৃতীয় বছৰ চলি আছিল। সুবুদ্ধিৰ নৌকা গৈ এক বন্দৰ পালেগৈ। তাতে লংগৰ পেলাই সেই দেশৰ ৰজা সুদৰ্শনক উপহাৰ দিবলৈ বুলি এক ৰত্ন-আভুষণ লৈ সুবুদ্ধি ৰাজসভালৈ গ’ল। তেওঁ সেই উপহাৰ ৰজাক অৰ্পণ কৰি তেওঁৰ ৰাজ্যত বেপাৰ কৰিবৰ বাবে অনুমতি বিচাৰিলে।

সুবুদ্ধিৰ উপহাৰ দেখা পাই ৰজা সুদৰ্শন অতিশয় আনন্দিত হ’ল। কেতিয়াও তেওঁক কোনো বেপাৰীয়ে এনে মূল্যৱান উপহাৰ

কে বালসুব্ৰমণ্যম

দিয়া নাছিল। গতিকে তেওঁ সন্তুষ্ট হৈ সুবুদ্ধিক তেওঁৰ ৰাজ্যত বেপাৰ কৰিবৰ বাবে অনুমতি দিলে। তাৰপিছত নৌকাত থকা সুবুদ্ধিৰ মাল-বস্তু চাবৰ বাবে নিজেই বন্দৰলৈ গ'ল। এইদৰে তেওঁ সুবুদ্ধিক উৎসাহিত কৰিব খুজিলে। তেওঁ যেতিয়া সুবুদ্ধিৰ নৌকাত গৈ মাল-বস্তু নিৰীক্ষণ কৰি আছিল, হঠাতে সুমিত্ৰাৰ চিত্ৰখন তেওঁ দেখা পালে।

"এইগৰাকী সুন্দৰী কোন?" সুদৰ্শনে সুবুদ্ধিক সুধিলে।

"মহাৰাজ, এয়া মোৰ ভনী।"

"তেওঁ কেৱল সুন্দৰীয়েইনে, চৰিত্ৰ আদিও ৰাণী হোৱাৰ যোগ্য?" ৰজাই পুণৰ সুধিলে।

"তেওঁৰ চৰিত্ৰৰ ওপৰত কোনেও আঙুলি উঠাব নোৱাৰে।" সুবুদ্ধিয়ে গম্ভীৰভাৱেৰে উত্তৰ দিলে।

"ঠিক আছে, তেতিয়াহলে তেওঁক মই মোৰ মুখ্য ৰাণী কৰিব খোজো।" ৰজা সুদৰ্শনে কলে।

ৰজাৰ এনে কথা শুনি সেনাপতিৰ ঈৰ্ষা জন্মিল। 'শেষত কি আমাৰ ৰজাই এক বৈশ্য জাতিৰ কণ্যাক বিয়া কৰাব। আমাৰ জাতিৰ পত্নীসকলৰ কি গতি হব।' তেওঁ মনতে ভাৱিলে।

বাহিৰলৈ আহি তেওঁ ৰজাক কলে, "মহাৰাজ, এই কণ্যাক মই চিনি পাও। তাইৰ চৰিত্ৰ ভাল নহয়।"

এই কথা শুনি সুবুদ্ধিৰ ওপৰত ৰজাৰ বৰ খং উঠিল। তেওঁ সুবুদ্ধিক খঙেৰে সুধিলে, "তুমি মোক এই চৰিত্ৰহীন কণ্যাক কিয় চৰিত্ৰৱতী বুলি কৈছা? মই তোমাক ইয়াৰ বাবে উপযুক্ত শাস্তি প্ৰদান কৰিম।"

"মহাৰাজ, আপোনাৰ সেনাপতিয়ে মিছা কথা কৈছে। আপুনি তেওঁক তেওঁ কোৱা কথা প্ৰমাণ কৰিবলৈ কওক। তেওঁ আপোনাক কৈছে যে মোৰ ভগিনীক তেওঁ চিনি পায়, গতিকে তেওঁক কওক যে মোৰ ভগিনীৰ এটা আঙুঠি প্ৰমাণ স্বৰূপে লৈ আহে। তেওঁৰ শৰীৰৰ ক'ত তিল আছে তাকো জানি আহক।"

ৰজাই সুবুদ্ধিৰ কথা মানি ললে। তেওঁ



সেনাপতিক আদেশ দিলে, ‘‘মই তোমাক দুমাহৰ সময় দিছো । তুমি গৈ সেই কণ্যাৰ আঙুঠি এটা লৈ আহাগৈ । আৰু যদি ঘূৰি অহাৰ পিছত তুমি তাইৰ শৰীৰৰ ক’ত তিল আছে সঠিককৈ কব নোৱাৰা মই তোমাক ফাঁচীকাঠলৈ প্ৰেৰণ কৰিম ।’’

সেনাপতিয়ে বহু বিচাৰ খোচাৰ কৰি সুমিত্ৰা থকা দেশ পালেগৈ । তেওঁ তাতে এগৰাকী অতি দৰিদ্ৰ তিৰোতা দেখা পালে । সেনাপতিয়ে তেওঁৰ ওচৰলৈ গৈ কলে, ‘‘আই, মোক এজনী কণ্যাৰ আঙুঠিটো লাগে আৰু লগতে এই কথাৰ সম্ভেদ লাগে যে তাইৰ শৰীৰৰ কোন অংগত তিল আছে । আপুনি মোক সহায় কৰিবনে ? মোক সহায় কৰিলে মই আপোনাক বহু ধন-সোণ উপহাৰ দিম ।’’

ধনৰ লোভত সেই তিৰোতা গৈ সুমিত্ৰাৰ ঘৰ পালেগৈ । তেওঁ ইটো সিটো কথা পাতি সুমিত্ৰাৰ দেহৰ ক’ত তিল আছে সেই কথা জানি পেলালে আৰু তাইৰ আঙুঠিটোও চুৰ কৰি লৈ গৈ সেনাপতিক দি দিলেগৈ ।

সেনাপতিয়ে লগে লগে দেশলৈ গৈ ৰজা সুদৰ্শনক সুমিত্ৰাৰ আঙুঠিটো দিলে আৰু লগতে সুমিত্ৰাৰ দেহৰ ক’ত তিল আছে সেই কথাৰো সম্ভেদ দিলে । ৰজাই সেনাপতিৰ প্ৰমাণ মানি ললে আৰু মিছা কথা কৈ ৰজাক বিপথে পৰিচালিত কৰিব বিচৰা বাবে সুবুদ্ধিক মৃত্যুদণ্ড প্ৰদান কৰিলে ।

কিন্তু সুবুদ্ধিয়ে ৰজাক শেষ ইচ্ছা পুৰণৰ বাবে অনুমতি বিচাৰিলে । ‘‘মহাৰাজ, মই মৃত্যুৰ আগতে এবাৰ মোৰ ভগিনীক চাব খোজো । তেওঁ এবাৰ ইয়ালৈ আমন্ত্ৰণ কৰি এবাৰ লগ পোৱাৰ সুবিধা দিয়ক । তাৰ পিছত মই হাঁহিমুখেৰে মৃত্যুদণ্ড স্বীকাৰ কৰি লম ।’’

ৰজাই সুবুদ্ধিৰ ইচ্ছা মানি ললে । সুবুদ্ধিয়ে এখন চিঠি লিখি ৰজা সুদৰ্শনৰ দূতৰ হাতত প্ৰেৰণ কৰিলে ।

ককায়েকৰ চিঠি পাই সুমিত্ৰাই গম পালে যে সেই দুষ্ট তিৰোতাৰ লগত কথা-বাৰ্তা পতাৰ বাবেই তেওঁৰ ককায়েক আজি মৃত্যুদণ্ডৰ সন্মুখীন হবলগীয়া হৈছে । তেওঁ

লৰালৰিকৈ সুবুদ্ধিক দেখা কৰিবলৈ বুলি ৰাওনা হ'ল।

ৰজা সুদৰ্শনৰ ৰাজ্য পোৱাৰ পিছত তেওঁ ৰাজসভালৈ গ'ল। তাৰপিছত সুমিত্ৰাই নিৰ্ভয়ে ৰজাক সুধিলে, "মহাৰাজ, মোৰ কাণৰ এই অলংকাৰ চাওক। এই অলংকাৰ দামীনে?"

সুদৰ্শনে সেই অলংকাৰত লগাই থোৱা দামী ৰত্ন পৰীক্ষা কৰি চাই কলে, "এয়া নিশ্চিতভাৱেই অমূল্য। কিন্তু মোক এই কথা কিয় সুধিছা?"

"আপোনাৰ সেনাপতিয়ে ইয়াৰ লগৰ গহণা মোৰ পৰা চুৰ কৰিলে। অনুগ্ৰহ কৰি ন্যায় বিচাৰ কৰক।" সুমিত্ৰাই কলে।

ৰজাই লগে লগে সেনাপতিক ৰাজসভালৈ মাতি আনি সুমিত্ৰাই তেওঁৰ বিপক্ষে কৰা অভিযোগৰ কথা কলে, "সেনাপতি, এই কণ্যাই অভিযোগ কৰিছে যে তাইৰ কাণৰ গহণা তুমি চুৰ কৰিছা। তুমি সেই গহণা এতিয়াই ঘূৰাই দিয়া।"

সেনাপতিয়ে ভেবাচেকা খালে। তেওঁ কলে, "মহাৰাজ, মই এই কণ্যাক চিনিয়েই নাপাও। মই কেতিয়াও দেখাই নাই। গতিকে মই কেনেকৈ এই কণ্যাৰ কাণৰ গহণা চুৰ কৰিব পাৰো।"

তেতিয়া লগে লগে সুমিত্ৰাই ৰজা সুদৰ্শনক কলে, "মহাৰাজ, মই সুবুদ্ধিৰ ভগ্নী। যি ক্ষেত্ৰত সেনাপতিয়ে মোক দেখাই নাই, তেনে ক্ষেত্ৰত আপুনি কি যুক্তিত মোৰ ককাইদেউক মৃত্যুদণ্ড দিব পাৰে?"

সুদৰ্শনে লগে লগে উপলব্ধি কৰিলে যে সেনাপতিয়ে তেওঁক নিশ্চয় ভুল তথ্য দি বিপথে পৰিচালিত কৰিছিল। তেওঁ সুমিত্ৰাৰ বুদ্ধিত মুগ্ধ হ'ল। সুবুদ্ধিৰ মৃত্যুদণ্ডৰ আদেশ ৰদ কৰি তেওঁৰ ঠাইত মিছলীয়া সেনাপতিক ফাঁচীকাঠলৈ প্ৰেৰণ কৰা হ'ল।

তাৰ পিছত ৰজা সুদৰ্শনে সুমিত্ৰাক বিবাহ কৰি বহু বছৰ সুকলমে ৰাজ্য শাসন কৰিলে।



দুৰ্জনৰ সংগ

এখন গাৱঁত এজন সন্ন্যাসীয়ে বাস কৰিছিল। গাৱঁৰ ঠিক বাহিৰত তেওঁৰ জুপুৰী আছিল। তেওঁৰ শিষ্যসকলে তেওঁক নিতৌ ফল-মূল, আহাৰ আদি দিছিল। তেওঁ সেই সামগ্ৰী বিলাকেৰেই জীৱন নিৰ্বাহ কৰিছিল। যদি কোনোবা দিনা তেওঁ দান হিচাপে একো বস্তু লাভ নকৰে তেন্তে সেইদিনা তেওঁ খালী পেটেৰেই কটাই দিছিল। ভোজন কৰিবলৈ পাওক বা নাপাওক, তেওঁ সদায়েই বৰ সুখী আছিল। সন্ন্যাসীয়ে যে কেতিয়াবা কেতিয়াবা খালী পেটেৰেই কটাবলগীয়া হয়, সেই কথা গম পাই এদিন তেওঁৰ এজন শিষ্যই তেওঁ জুপুৰীৰ পাছতে তেওঁৰ বাবে এজনী গাখীৰতী গাই বান্ধি দিলে। সন্ন্যাসীয়ে সেই গাইৰ গাখীৰ খাবলৈ ধৰিলে।

এবাৰ এটা চোৰে সন্ন্যাসীৰ জুপুৰীৰ কাষত বান্ধি থোৱা সেই গাই চুৰ কৰিব বিচাৰিলে। সেয়া বৰ কঠিন কাম নাছিল। সন্ন্যাসীৰ জুপুৰী আছিল গাৱঁৰ সীমাৰ বাহিৰত। গতিকে তেওঁক ৰক্ষা কৰিবৰ বাবে আশে পাশে কোনো নাছিল। তেওঁৰ জুপুৰীৰ দুৱাৰতো কোনো দুৱাৰদাং নাছিল। সন্ন্যাসী ৰাতি শুই যোৱাৰ পিছত অতি সহজতেই গাই জনী চুৰ কৰাৰ সুবিধা আছিল। গতিকে এদিন ৰাতি সেই চোৰে সন্ন্যাসীৰ গাইজনী চুৰ কৰিবৰ বাবে আহিল।

ৰাস্তাত চোৰে আৰু এজন ব্যক্তি দেখা পালে। তেৱোঁ চোৰৰ লগে লগে যাবলৈ ধৰিলে।

"তুমি কোন? মোৰ লগে লগে কিয় আহি আছা? মই কিবা কামত এফালে গৈ আছো। তুমি নিজৰ পথ লোৱা। মোৰ

পি লক্ষ্মীপতি

লগত নাহিবা।'' চোৰে সেই ব্যক্তিক কলে।

তেতিয়া সেই ব্যক্তিজনে কলে, ''মই এটা ভূত। গাৱঁৰ বাহিৰত এজন সন্ন্যাসীয়ে বাস কৰে আৰু মই তেওঁক মাৰিবলৈ গৈ আছো। যেতিয়াৰে পৰাই সন্ন্যাসীয়ে ইয়াত থাকিবলৈ লৈছে, তেতিয়াৰে পৰাই গাৱঁৰ সকলো লোক বৰ সুখেৰে বাস কৰিবলৈ আৰম্ভ কৰিছে। কোনোৱে কাৰোৰে একো অনিষ্ট নকৰা হ'ল। গতিকে মোৰ কামত অসুবিধাৰ সৃষ্টি হৈছে। গাৱঁত কোনো চোৰ, ডকাইত, বদমাছ আদি নোহোৱা হৈছে। গতিকে মই এই সন্ন্যাসীক এই পৃথিৱীৰ পৰা বিদায় দি মোৰ কাম সিদ্ধি কৰিব খুজিছো। তুমি ক'লৈ গৈ আছা?''

''চুৰ কৰাই হ'ল মোৰ কাম। ময়ো সেই সন্ন্যাসীৰ জুপুৰীৰ ফালেই গৈ আছো। কিন্তু মোৰ উদ্দেশ্য তেওঁক হত্যা কৰা নহয়। সেই সন্ন্যাসীক কোনোবাই এজনী গাখীৰতী গাই দিছে। মই সেই গাইজনীক চুৰ কৰিবলৈ গৈ আছো।'' চোৰে ভূতক কলে।

যিহেতু দুয়োজনেই সন্ন্যাসীৰ জুপুৰীৰ ফালে একেলগে কথা পাতি পাতি গৈ আছিল, অলপ সময়ৰ ভিতৰতে দুয়োজনৰ মাজত বন্ধুত্ব গঢ় লৈ উঠিল। এইদৰে কথা পাতি পাতি গৈ মাজ নিশা দুয়ো গৈ সন্ন্যাসীৰ জুপুৰীৰ কাষ পালেগৈ। চাৰিও দিশ নিমাও মাও আছিল। তেতিয়া সন্ন্যাসী জুপুৰীত শুই আছিল।

তেনে সময়তে চোৰে চিন্তা কৰিবলৈ ধৰিলে, 'যদি এই ভূতে প্ৰথমতে সন্ন্যাসীক হত্যা কৰিবলৈ চেষ্টা কৰে, তেন্তে নিশ্চিতভাৱে সন্ন্যাসীয়ে চিঞৰিব আৰু



হয়তো সন্যাসীৰ চিঞৰ শুনি বহু লোক গোট খাব। তেনেক্ষেত্ৰত মই চুৰ কৰিবলৈ সুবিধাই নাপাম। গতিকে মই প্ৰথমতে মোৰ কাম সমাধা কৰাহে উচিত হব।'

সেই সময়ত ভূতেও চিন্তা কৰিলে, 'যদি প্ৰথমতে চোৰে গাইজনী চুৰ কৰিবলৈ চেষ্টা কৰে, তেন্তে গাইজনীয়ে জোৰকৈ বেবাই উঠিব পাৰে। তেনেক্ষেত্ৰত সন্যাসীয়ে সাৰ পাই চিঞৰ বাখৰ কৰিব আৰু বহু মানুহ গোট খাব। তেতিয়া হয়তো মই সন্যাসীক হত্যা কৰিবলৈ সুবিধাই নাপাম।'

এইদৰে চিন্তা কৰি ভূতে চোৰক কলে, ''ভাই, মই প্ৰথমতে সন্যাসীক সিফলীয়া কৰি পেলাও। তাৰ পিছত তুমি কোনো চিন্তা নোহোৱাকৈ আৰামেৰে গাইজনীক চুৰ কৰি লৈ যাব পাৰিবা।''

ভূতৰ কথা শুনি চোৰে কলে, ''এনে কৰাটো উচিত নহব। প্ৰথমতে মই চুপে-চাপে গাইজনীক চুৰ কৰি লৈ যাও। তাৰ পিছত তুমি আৰামত সন্যাসীক যি ধৰণেই বিচাৰা সেই ধৰণেৰেই হত্যা কৰিব পাৰিবা। এনেয়েও মোৰ কাম বৰ সৰু।''

এইদৰে অলপ সময় দুয়োৰে মাজত কথা-বাৰ্তা হোৱাৰ পিছত কোনে আগতে নিজৰ কাম সমাধা কৰিব সেই লৈ তৰ্কৰ সৃষ্টি হ'ল। লাহে লাহে তেওঁলোকৰ তৰ্ক বাঢ়ি গ'ল আৰু দুয়ো জোৰে জোৰে চিঞৰিবলৈ ধৰিলে।

শেষত চোৰে চিঞৰি চিঞৰি কলে, ''হেৰ সন্যাসী, এই ভূতে তোমাক হত্যা কৰিবলৈ আহিছে।''

ভূতে চোৰটোতকৈও অধিক জোৰেৰে চিঞৰি কলে, ''হে সন্যাসী, এই চোৰে তোমাৰ গাই চুৰ কৰি নিবলৈ আহিছে।''

সিঁহতৰ এইধৰণৰ চিঞৰ বাখৰত ওচৰ-পাজৰৰ সকলো লোকে সাৰ পালে আৰু জোং-যাঠি লৈ দৌৰি আহিল। তেওঁলোকে আহি চোৰক ধৰি পেলালে। সন্যাসী শুৱাৰ পৰা উঠি আহি ভূতৰো নগুৰ-নাকটি কৰিলে।

সেয়ে কোৱা হয় যে দুষ্ট লোকৰ মাজত বন্ধুত্ব স্থায়ী নহয়।



বেটুপাতৰ কাহিনী

গকুলবাসীৰ বৃন্দাৱন যাত্ৰা

এই ছবিখন ১৯৪৯ চনত আমাৰ সকলোৰে মৰমৰ এম টি ভি আচাৰ্যই কৃষ্ণ অৱতাৰ ধাৰাবাহিকৰ বাবে অংকন কৰিছিল। হিন্দু বিশ্বাসৰ ওপৰত আধাৰিত কৃষ্ণ অৱতাৰ এনে এটা কাহিনী, যাক সকলোৱেই ভাল পায়।

গকুলত শিশু কৃষ্ণৰ জীৱন দিনক দিনে কঠিন হৈ আহিবলৈ ধৰিছিল। ৰজা কংসই নানান উপায় অৱলম্বন কৰি কৃষ্ণক হত্যা কৰি চেষ্টা আহিছিল। প্ৰথমতে মায়াসুৰে কৃষ্ণক বধ কৰিবলৈ চেষ্টা কৰি অসফল হোৱাৰ পিছত শকতাসুৰে চেষ্টা কৰিলে। তাৰপিছত বায়ুৰ ৰূপ ধৰি কৃষ্ণক বধ কৰিবলৈ চেষ্টা কৰিলে তৃৰ্ণৱৰ্থই। কিন্তু এইসকলৰ কোনেও কৃষ্ণৰ গাৰ নোম এডালো লৰাব নোৱাৰা দেখি গাঁৱবাসীয়ে গম পালে যে কৃষ্ণ ওপৰত ভগৱান বিষ্ণুৰ বৰ আছে। তেওঁলোক কৃষ্ণৰ নিৰাপত্তা সম্পৰ্কে চিন্তিত হৈ পৰিল।

গাঁৱৰ সকলো লোক একে ঠাইতে গোট খাই সমস্যাটো আলোচনা কৰিলে আৰু এনে ধৰণৰ সম্ভাৱনীয় আক্ৰমণৰ পৰা কেনেকৈ কৃষ্ণক ৰক্ষা কৰিব পাৰি তাৰ সমাধান বিচাৰিলে। এজন বৃদ্ধলোকে কলে, "আমি এই ঠাই পৰা গুচি যোৱাই ভাল হব। তেনে কৰিলে আমাৰ সমস্যাৰ সমাধান হব। ওচৰতে পাহাৰ আৰু জান-জুৰিৰে বৃন্দাৱন নামৰ এডোখৰ সুন্দৰ ঠাই আছে। সেই ঠাই খেতিবাতিৰ বাবেও বেছ সাৰুৱা। সেই ঠাই আমাৰ গৰু-গাইৰ বাবে উপযুক্ত ঠাই হব। মই ভাৱো যে সেই ঠাইত আমি নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ সক্ষম হম।" গাৱৰ সকলো লোকেই এই উপদেশ মানি ললে। সোনকালেই গকুলৰ সকলো লোক যাত্ৰাৰ বাবে সাজু হৈ পৰিল। গৰুগাড়ীত বস্তু-বেহানি বোজাই কৰি শাৰী পাতি সাজু কৰা হ'ল। শিশু আৰু বৃদ্ধসকল গাড়ীৰ ওপৰত উঠিল। তাৰপিছত, হৰি নাম গাই গাই, বংশী আদি বজাই যাত্ৰা আৰম্ভ কৰা হ'ল।

গোপ আৰু গোপিনী সহিতে গকুলৰ সকলো লোকেই গৰু-গাই, বস্তু-বেহানি লৈ এটা সুন্দৰ আৰু নিৰাপদ জীৱনৰ আশাৰে গকুল এৰি বৃন্দাৱনৰ দিশে ৰাওনা হ'ল।

আমিও এক সুন্দৰ আৰু নিৰাপদ জীৱনৰ আশাৰে ২০১২ চনৰ জানুৱাৰী মাহটো আৰম্ভ কৰিলো। আমি চান্দমামাৰ সকলো পাঠকলৈকে নৱবৰ্ষৰ ওলগ জনাইছো। আমি আমাৰ এজন চিত্ৰকৰৰ আন এখন সুন্দৰ চিত্ৰ আৰু তাৰ কাহিনীৰে সৈতে ফেব্ৰুৱাৰী মাহত আকৌ লগ হম।

–সৌম্যা ভৰদ্বাজ

নিৰ্বাণ বিচাৰি

এসময়ত বৈশালী চহৰত শম্ভু আৰু নাৰায়ণ নামৰ দুজন বন্ধুৱে বাস কৰিছিল। দুয়োজনে সকলো গৃহস্থী ধৰ্ম পালন কৰি সমাপ্তকৰিছিল। তাৰপিছত তেওঁলোকে জীৱনৰ পিছৰটো পৰ্যায়লৈ গতি কৰিছিল। সেয়া আছিল বানপ্ৰস্থ।

"আমি পৰিয়াল আৰু সমাজৰ প্ৰতি থকা আমাৰ দায়িত্ব পালন কৰিলো। আমি বানপ্ৰস্থী হৈ পৰিয়াল আৰু সমাজৰ পৰা আঁতৰি থাকিবলৈ সিদ্ধান্ত ললেও তেওঁবিলাকৰ প্ৰয়োজনৰ সময়ত লগ দিয়া ভাল হব। আমি দুয়ো হিমালয় পৰ্বতলৈ গৈ তাত তপস্যা কৰোগৈ বলা।" শম্ভুৱে নাৰায়ণক কলে।

নাৰায়ণে মান্তি হবলৈ যথেষ্ট সময় ললে আৰু শেষত শম্ভুৰ কথাত মান্তি হ'ল। দুয়ো সন্যাস লবলৈ সিদ্ধান্ত ললে। শুভদিন এটা চাই, তেওঁলোকে সকলোৰে পৰা বিদায় লৈ হৰিদ্বাৰৰ ওচৰৰ এডোখৰ ঠাইলৈ গৈ তপস্যা আৰম্ভ কৰিলে।

কেইবাবছৰ ধৰি কঠোৰ তপ কৰাৰ পিছত, ভগৱানে শম্ভুক দেখা দিলে। "মই তোমাৰ ভক্তিত সন্তুষ্ট হৈছো। তোমাক কি বৰ লাগে কোৱা।" ভগৱানে শম্ভুক সুধিলে।

"হে ভগৱান। মই জীয়াই থাকি ভাগৰি পৰিছো। মোক নিৰ্বাণ প্ৰাপ্তিৰ বাবে অনুমতি দিয়ক।" শম্ভুৱে কলে।

"পদাৰ্থ আৰু শক্তিৰ মাজত এক ভাৰসাম্য বতাই ৰাখিব পৰাকৈ জীৱন আৰু মৃত্যুক সৃজন কৰা হৈছে। নিৰ্বাণৰ অৰ্থ হ'ল তোমাৰ এটা জনমৰ সকলো কাৰুকাৰ্যৰ চিন-মোকাম নাইকিয়া কৰি আন এটা জন্ম প্ৰদান কৰা। এইটো ভৱা ভুল যে নিৰ্বাণ লাভ কৰা মানেই তুমি পুণৰ জনম লাভ নকৰিবা। মই বৰ্ণনা কৰা ধৰণৰ নিৰ্বাণ যদি তুমি বিচাৰিছা, তেন্তে সেয়া মই তোমাক প্ৰদান কৰিব পাৰো। ঠিক আছে, প্ৰথমতে তোমাৰ বন্ধুৱে কি লাভ

পি ভি ৰমণ ৰাও

কৰিবলৈ ইচ্ছা কৰে তাক চাই লওঁ ব'লা।'' ভগৱানে কলে।

ভগৱানক দেখা পাই নাৰায়ণে শিৰ নত পৰি প্ৰণাম কৰিলে। যেতিয়া ভগৱানে তেওঁ কি বৰ লাভ কৰিবলৈ ইচ্ছা কৰে সেই বিষয়ে সুধিলে, তেতিয়া নাৰায়ণে উত্তৰ দিলে এইদৰে, ''হে ভগৱান,আপুনি মানুহক বাক শক্তি আৰু জ্ঞান প্ৰদান কৰিছে এইবাবে যে তেওঁলোকে ভুল কি আৰু শুদ্ধ কি তাক নিৰ্ধাৰণ কৰি কাম কৰি যাব পাৰে। কিন্তু মোৰ ইন্দ্ৰিয়ই কেতিয়াবা মোৰ মনত প্ৰভাৱ বিস্তাৰ কৰে। দেহৰ পৰা পৰলোকলৈ এটা আত্মাই গতি কৰোতে যি অনুভূতিৰ সৃষ্টিহয়, সেই অনুভূতি লাভ কৰিবলৈ মই এতিয়াও সমৰ্থ হৈ উঠা নাই। ই দৈহিক আকাংখ্যাৰে সৈতে যেন মোৰ টানি ধৰি ৰাখিছে।''

ভগৱানে তেওঁৰ কথাৰ মাজতে সুধিলে, ''তাৰমানে তুমি পুণৰ জনম নিবিচাৰা। তুমি এক ধৰণৰ নিৰ্বাণ লাভ কৰিব বিচাৰিছা।''

''হে ভগৱান, মই যেতিয়া আপোনাৰ লগত এক হৈ যাম, তেতিয়া মই এটা একক আত্মাই যিধৰণৰ সুখ অনুভৱ কৰিব পাৰে, তেনে সুখ উপভোগ কৰিবলৈ সক্ষম নহম। গতিকে মই নিৰ্বাণ লাভ কৰিব বিচৰা নাই।'' নাৰায়ণে কলে।, ''অনুগ্ৰহ কৰি মোক বহু জীৱন প্ৰদান কৰক আৰু লগতে এটা সুস্থ দেহ আৰু মন প্ৰদান কৰক যিয়ে মোৰ সেই জীৱনবিলাকক নিয়ন্ত্ৰণ কৰি থাকিব। অনুগ্ৰহ কৰি মোক এনে ধৰণৰ স্বভাৱ প্ৰদান কৰক যি মোক শুদ্ধ পথত ধৰি ৰাখিব আৰু স্বাৰ্থহীনভাৱে আনক সহায় কৰি যাবলৈ সমৰ্থ কৰি তুলিব। মোক এনে বৰ প্ৰদান কৰক যে মই আপোনাৰ নাম জপ কৰাটো অব্যাহত ৰাখিব পাৰো আৰু তাৰ যোগেদি সেই সকলো জীৱনতে সীমাহীন আনন্দ লাভ কৰিব পাৰো।''

''তথাস্তু। মোক তোমাৰ দৰে এজন মানুহৰ আৱশ্যাক, যি জীৱনৰ সকলো দুষ্ট কষ্টৰ পৰা অব্যাহতি পাবৰ বাবে নিৰ্বাণ লাভৰ আশা নকৰে। মোক এনে লোকৰ আৱশ্যাক যি জাগতিক জীৱন ধাৰণ কৰে আৰু সৎ কাম কৰি পৃথিৱীৰ মংগল কৰে। তোমাৰ ইচ্ছা পুৰণ হওক।'' এইবুলি কৈ ভগৱান অদৃশ্য হ'ল।

বীৰৰ ইচ্ছাশক্তি

বানপুৰত বাস কৰা বীৰৰ ৬ বিঘা খেতিৰ মাটি আছিল আৰু সেইখিনি মাটি তেওঁ বহু কষ্টকৰি টকা-পইছা গোটাই কিনিছিল। তেওঁৰ ল'ৰা-ছোৱালীও ডাঙৰ আছিল আৰু তেওঁলোকৰ নিজৰ নিজৰ পৰিয়াল আছিল। বীৰৰ বোৱাৰীয়েকে সদায় তেওঁৰ পতিক বীৰৰ পৰা টকা ধাৰলৈ লৈ দৰিদ্ৰতা দূৰ কৰিবলৈ কৈ আছিল। তাইৰ কথা মতে বীৰৰ পুত্ৰইও বীৰৰ পৰা মাজে-সময়ে টকা-পইছা লৈ আহিছিল।

বীৰৰ পুতেক ৰামচন্দ্ৰই যেতিয়া দেউতাকৰ পৰা টকা বিচাৰিছিল, তেতিয়া নানা ধৰণৰ অজুহাত দেখুৱাইছিল। পুতেকে যিমানেই বিচাৰে বীৰে তাক সিমান টকাই দি সহায় কৰিছিল। পুতেকক পইছা দিবৰ বাবে বীৰে কেতিয়াবা কেতিয়াবা নিজৰ মাটি বন্ধকত থবলগীয়াও হৈছিল। কিন্তু তেওঁ পুতেকক ধাৰলৈ দিয়া প্ৰতিটো টকাৰে হিচাপ ৰাখিছিল। এদিনাখন তেওঁ সেই হিচাপ পৰীক্ষা কৰি চাই দেখিলে যে তেওঁৰ প্ৰায় আধা সম্পত্তিৰ মূল্যৰ সমান টকা পুতেকৰ প্ৰয়োজনীয়তা পূৰ কৰিবৰ বাবে ইতিমধ্যেই দি দিছিল।

এদিনাখন, খেতিপথাৰৰ পৰা উভতি আহোতে এটা বিষাক্ত সাপে দংশন কৰাত বীৰৰ লগে লগে মৃত্যু হ'ল। তেওঁৰ শেষকৃত্য সমাধা কৰাৰ পিছত ইচ্ছাপত্ৰখন সকলোৰে আগত পাঠ কৰা হ'ল। সেইখনত লিখা আছিল- ''মই নিজে কষ্ট কৰি মোৰ সকলো সম্পত্তি ক্ৰয় কৰিছিলো। তাৰে আধাখিনি সম্পত্তি সময়ে সময়ে মোৰ পুত্ৰৰ প্ৰয়োজন পূৰ কৰাৰ বাবে খৰচ কৰা হ'ল। বাকী থকা খেতিৰ মাটিখিনি মই মোৰ পত্নী ৰাজলক্ষ্মী আৰু কণ্যা লক্ষ্মীদেৱীক সমানে সমানে প্ৰদান কৰিলো। মোৰ ঘৰটো মই প্ৰদান কৰিলো মোৰ পত্নীক। এতিয়ালৈকে মই মোৰ পুত্ৰ ৰামচন্দ্ৰক যিমান টকা প্ৰদান কৰিছো, সেই সকলোখিনি ৰাখি থবলৈ অনুমতি প্ৰদান কৰিলো।''

এইদৰে বীৰে বোৱাৰীয়েকৰ সকলো অভিসন্ধিৰ মুদা মাৰিলে। – *বিশ্বমোহিনী*





শিথিলালয় – ২২

(অঘোৰী লোকসকলে শিখিমুখীক সহানুভূতিপূৰ্ণ কথা কৈ তাৰ পৰা গুচি গ'ল। ৰাতি শত্ৰুৱে তেওঁলোকক বধ কৰিবলৈ আঁচনি পাতি এটা পোহনীয়া চিতা বাঘ প্ৰেৰণ কৰিলে। সেই চিতাক শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে বধ কৰিলে। শত্ৰুক সহায় কৰি থকা জংঘলাক শিখিমুখীয়ে আদেশ দিলে যে জংঘলাই তেওঁৰ আঘাটপ্ৰাপ্ত বন্ধুক বিচাৰি উলিওৱাৰ ক্ষেত্ৰত সহায় কৰিব লাগিব। তাৰপিছত...)

জোঁৰৰ পোহৰৰ সহায়ত শিখিমুখীয়ে বিক্ৰমকেশৰীক লগত লৈ জোপোহাবিলাকৰ ওচৰলৈ গ'ল আৰু আঘাটপ্ৰাপ্ত শত্ৰুক বিচাৰিবলৈ ধৰিলে। তেওঁলোকে এটা জোপোহাৰ কাষত তেজৰ দাগ দেখিবলৈ পালে। তাৰ কাষতে গছৰ বহু কেঁচা পাত চিগি পৰি থকা দেখিবলৈ পালে।

"বিক্ৰম, শত্ৰু এই জোপোহাত লুকাই থাকোতেই তোমাৰ বাণত আঘাতপ্ৰাপ্ত হ'ল। কিন্তু সি কোনো ৰকমে ইয়াৰ পৰা পলাই যাবলৈ সক্ষম হ'ল। ইয়াত মিছাতে অপেক্ষা কৰি থাকি লাভ নাই। ৰাতি পুৱাবৰ হ'ল। ব'লা, আমি যাত্ৰা কৰিবৰ বাবে সাজু হওগৈ।" শিখিমুখীয়ে কলে।

"আমাৰ লগত আমাক পথ প্ৰদৰ্শন কৰিবৰ ব্যবেটো এতিয়া কোনো নাই। এই জংঘলাও যে শত্ৰুৰ লোক সেই কথা প্ৰমাণ হৈ পৰিল। তাৰ লগত যোৱাটো বিপদমুক্ত নহয়।" বিক্ৰমকেশৰীয়ে উত্তৰ দিলে।

"সি আমাৰ শত্ৰুক সংগ দিলেও এই মুহূৰ্তত সি আমাৰ অধীন। কামাখ্যাপুৰৰ পৰা যাত্ৰা কৰাৰ সময়ত সি আমাক কথা দিছিল

দাসৰি সুব্ৰমন্যম

যে সি আমাক ইম্যু জাতিয়ে বাস কৰা গোলভৰা গাৱলৈ পথ দেখুৱাই লৈ যাব। এই কাম আমি তাৰ হতুৱাই কৰাই লম।''

''সেই দুষ্টক কি আমি ইমানৰ পিছতো বিশ্বাস কৰিম ? সি আমাক ভুল পথেৰে লৈ গৈ শিথিলালয়ৰ পুজাৰীৰ হাতত গটাই দিব পাৰে । গতিকে মই ভাৱো যে ইয়াক লগত লৈ যোৱাটো উচিত নহব।'' বিক্ৰমে নিজৰ চিন্তাধাৰা ব্যক্ত কৰিলে।

''আমি ভয় খোৱাৰ কোনো কাৰণ নাই। আমাৰ যদি এই ধাৰণা হয় যে সি পুণৰ আমাক বিপদত পেলাবলৈ চেষ্টা কৰিছে, তেতিয়া তাক চোকা তৰোৱালেৰে টুকুৰা টুকুৰ কৰিম। আমাৰ এটাই দুৰ্বলতা যে এই ঘন জংঘলৰ মাজেদি বাট দেখুৱাই ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকলৈ লৈ যাব পৰাকৈ আমাৰ লগত তাৰ বাহিৰে দ্বিতীয় কোনো নাই। গতিকে আমি সাৱধান হৈ থাকি তাৰ পৰা সহায় লব লাগিব।'' শিখিমুখীয়ে এইদৰে বিক্ৰমকেশৰীক বুজালে।

''ঠিক আছে, জংঘলাৰ পৰা সহায় লোৱাৰ বিষয়টো তুমিয়েই চোৱা-চিতা কৰা। তাক বিশ্বাস কৰাটো বিপদৰ লগত খেলা কৰাৰ সমান হব।'' বিক্ৰমকেশৰীয়ে কলে।

''ময়ো এই কথাত একমত।'' শিখিমুখীয়ে বিক্ৰমক কলে। তাৰপিছত তেওঁলোক জংঘলাৰ ওচৰলৈ গৈ সুধিলে, ''জংঘলা, সঁচা কথা ক। তই ধন বেছি বিচাৰিছ নে প্ৰাণ। চিধা চিধি উত্তৰ দিবি।''

জংঘলাই অলপ সময় চিন্তা কৰিলে। তাৰপিছত লাহকৈ কলে, ''হুজুৰ, মই দুয়োটা বস্তুৰেই সমানে বিচাৰো। এটাৰ অবিহনে আনটোৰ কোনো অৰ্থ নাই।''

''তই বৰ অকৃতজ্ঞ, এইসময়ত তোৰ প্ৰাণ মোৰ হাতৰ মুঠিত আছে। তই আমাক নঠগি যিকোনো প্ৰকাৰে গোলভৰা গাৱলৈ লৈ ব'ল। তাৰপিছত তোক আমি উপযুক্ত মাননি দি এৰি দিম।'' শিখিয়ে তাক বুজালে।

''হয়, হুজুৰ। কামাখ্যাপুৰত পুজাৰীয়ে মোক বহুত ধন দিম বুলি কৈ বিপথে পৰিচালিত কৰিলে। এই মূহুৰ্তৰ পৰা মই কোনো অবিশ্বাস সৃষ্টি হব নোৱাৰা কাম কৰিম। মোক বিশ্বাস কৰক। এতিয়াৰে পৰা

মই আপোনাক ঠগিবলৈ চেষ্টা নকৰো।’’ জংঘলাই হাতযোৰ কৰি মিনতি কৰিলে।

শিখিমুখীয়ে মুৰ দুপিয়াই জংঘলাৰ কথাত সন্মতি প্ৰদান কৰি তাক আগুৱাবলৈ আদেশ দিলে। তাৰপিছত তেওঁ বিক্ৰমকেশৰীক লৈ ৰাতি যিজোপা গছৰ তলত তেওঁলোকে শুইছিল, সেইজোপা গছৰ তললৈ গ’ল। তাত অজিত আৰু বীৰভদ্ৰই লাল কুকুৰৰ লগত খেলি আছিল। শিখিমুখীক দেখি লাল কুকুৰে নেজ লৰাই লৰাই দৌৰি আহিল।

শিখিমুখীয়ে লাল কুকুৰক মৰম কৰি কলে, ‘‘তাৰমানে দৰৱৰ গুণ তোৰ পৰা এতিয়াহে আঁতৰিছে। চা, এইটোৱেই তোক নিচাযুক্ত দৰৱ খুৱাইছিল। তাৰ ওপৰত চকু ৰাখিবি। সি যদি পলাই যাব খোজে তেন্তে চিঞৰি আমাক জাননী দিবৰ কোনো প্ৰয়োজন নাই। চিধাই ডিঙিত কামুৰি ধৰি সিফলীয়া কৰিবি।’’ আঙুলি টোৱাই জংঘলাক দেখুৱাই কলে।

লাল কুকুৰে ভুকি উঠিল। ভয়ত জংঘলাৰ মুখ শুকাই গ’ল। ‘‘হুজুৰ, এই মুহূৰ্তৰ পৰা মই আপোনাৰ একান্ত সেৱক। মোৰ প্ৰাণ ৰক্ষা কৰক। মই আপোনাক ভৰিত ধৰি মিনতি কৰিছো।’’ জংঘলাই কলে।

‘‘এই কথা তই নিজেই প্ৰমাণ কৰিব লাগিব। কিন্তু এতিয়া আমি তোৰ হাত ৰচীৰে বান্ধি দিম যাতে তই পলাই যাব নোৱাৰ।’’ শিখিমুখীয়ে কলে।

তাৰপিছত সকলোৱে মিলি সকলো বয়-



বস্তু বান্ধি দুটা খচ্চৰৰ ওপৰত বোজাই কৰিলে। অজিতে জংঘলাৰ দুয়ো হাত পিছফালে একেলগ কৰি এডাল ৰচীৰে বান্ধি পেলালে। তাৰপিছত তেওঁ ৰচীৰ আনটো মূৰ এটা খচ্চৰৰ ডিঙিত বান্ধি দিলে। শিখিমুখীৰ আদেশত জংঘলাই পথ প্ৰদৰ্শন কৰি কৰি আগবাঢ়ি গ’ল।

এইদৰে অৰণ্যৰ মাজেদি গৈ গৈ দুপৰীয়াৰ সময়ত তেওঁলোক এখন নদীৰ ওচৰ পালেগৈ। সেইখন সম্ভৱ হিমালয় পৰ্বতৰ পৰা বৈ অহা কোনো ডাঙৰ নদীৰ উপনদী আছিল। নদীখনৰ য’তে ত’তে সৰু ডাঙৰ জলপ্ৰপাত আছিল। সোঁত আছিল অতি তীব্ৰ। সেই নদীৰে কাষৰ অংশত হেজাৰ হেজাৰ ঘঁৰিয়াল দেখা গ’ল।

শিখিমুখীয়ে সেই ঘঁৰিয়ালবিলাকৰ ফালে বিচিত্ৰ ধৰণেৰে চাই কলে, "বিক্ৰম, আমি সম্ভৱত এই নদী পাৰ হব লাগিব। নদীৰ সোঁতো বেছ তীব্ৰ। কিন্তু বহলে ই এশ গজতকৈ বেচি নহব। কিন্তু ইয়াৰ পাৰত থকা হেজাৰ হেজাৰ ঘঁৰিয়ালৰ পৰা বচাতো কঠিন কাম হব।"

"শিখি, মোৰ এনে লাগিছে যে জংঘলাই জানি বুজিয়েই আমাক ইয়ালৈ লৈ আহিল। মই তাক সুধি লও যে গোলভৰালৈ যাবৰ বাবে এই নদী পাৰ হোৱাৰ প্ৰয়োজন আছেনে নাই।" বিক্ৰমে শিখিক কলে।

আগে আগে গৈ থকা জংঘলাৰ ওচৰলৈ গৈ বিক্ৰমে তাক সুধিলে, "আমাক এই ঘঁৰিয়াল আদি থকা নদীৰ কাষলৈ কিয় লৈ আহিলি। গোলভৰা ইয়াৰ পৰা কিমান দূৰত?"

জংঘলাই কলে, "এই নদীৰ কিনাৰে কিনাৰে চাৰি পাঁচ মাইলমান গৈ এটা পাহাৰ পাৰ হব লাগিব। তাৰপিছত পুণৰ এমাইল মান পিছুৱাই আহিলেই আমি গোলভৰাত উপস্থিত হম। কিন্তু আমি যদি এই নদী এই ঠাইতেই পাৰ হও, তেন্তে মাত্ৰ দুমাইল মান গলেই গোলভৰাত উপস্থিত হব পাৰিম।"

"তোৰ হিচাপ মোৰ বৰ ঠিক লগা নাই। নদীত ইমান বেছি ঘঁৰিয়াল আছে যে পাৰ হোৱাৰ কোনো পথেই মই দেখা পোৱা নাই। আমাৰ জীৱনলৈও ভাবুকি আহিব



পাৰে। কেনেকৈ এই নদী পাৰ হোৱা যায়?" বিক্ৰমে সুধিলে।

"গছৰ ডাল কাটি নাও সাজি এই নদী আমি পাৰ হব পাৰিম।" জংঘলাই নদী পাৰ হোৱাৰ উপায় দিলে।

তেনেসময়তে শিখিমুখী আহি সেই ঠাইত উপস্থিত হ'ল। বিক্ৰমে জংঘলাই নদী পাৰ হবৰ বাবে দিয়া উপায়ৰ কথা বৰ্ণনা কৰি শিখিমুখীৰ মন্তব্য বিচাৰিলে।

"এই কথা চিন্তা কৰিবলগীয়া। প্ৰথমতে আমি এই কথা জানি লব লাগিব যে জংঘলাই আমাক গোলভৰালৈ লৈ যাব খুজিছে নে পুজাৰীৰ জালত বন্দী কৰিব খুজিছে। বাৰু, আমি দুপৰীয়াৰ আহাৰ তৈয়াৰ কৰি খাই লও। এইবিষয়ে

তাৰপিছত ভালকৈ চিন্তা কৰিম।'' শিখিয়ে কলে।

খচ্চৰৰ পৰা বস্তু-বেহানি নমাই অজিত আৰু বীৰভদ্ৰই ৰন্ধা-বঢ়াৰ কাম আৰম্ভ কৰি দিলে। শিখিমুখীয়ে জংঘলাৰ হাতৰ বান্ধ খুলি দি তাক সাৱধান কৰি দিলে যে যদি সি পলাই যাবলৈ চেষ্টা কৰে, তাক কাটি টুকুৰা-টুকুৰ কৰা হব। সেইখিনি সময়তে বিক্ৰমে এজোপা ওখ গছত উঠি চাৰিওফালে চালে। সেই নদীৰ সিপাৰে দুই তিনি মাইল মান দূৰত পাহাৰ এটাৰ তলৰ পৰা ধোঁৱা ওলোৱা দেখিবলৈ পালে।

বিক্ৰমকেশৰী গছৰ পৰা নামি আহিল। শিখিক তেওঁ সেই কথা বৰ্ণনা কৰি কলে, ''সম্ভৱতু সেই ঠাইত কোনো গাওঁ আছে। সেই গাওঁ গোলভৰাও হব পাৰে।''

''হব পাৰে। খোৱা-বোৱা কৰাৰ পিছত জংঘলাক গছৰ ওপৰলৈ উঠাই দি এই কথাৰ গম লব লাগিব যে সেই ধোঁৱা ক'ৰ পৰা আহিছে। মোৰ এনে বোধ হৈছে যে শিথিলালয়ৰ পুজাৰীও আমাৰ বাবে অপেক্ষা কৰি এই পথৰে কোনোবা ঠাইত লুকাই আছে। আমি সাৱধানে থকাই উচিত হব।'' শিখিমুখীয়ে কলে।

তাৰপিছত সকলোৱে গছৰ ছাঁত বহি আহাৰ খালে। অজিত আৰু বীৰভদ্ৰ নদীৰ পৰা পানী আনিবলৈ গ'ল। তেওঁলোকে ঘঁৰিয়ালক ভয় খুৱাই দূৰলৈ খেদি পঠিয়ালে আৰু পানী ভৰাই ললে। তেওঁলোক তাৰ পৰা উভতি আহিবলৈ লওতেই ঘঁৰিয়ালে দল বান্ধি তেওঁলোকৰ ওপৰত আক্ৰমণ কৰিবলৈ চেষ্টা চলালে।

''বিক্ৰম, এই নদী পাৰ হবলৈ চেষ্টা কৰাটো বিপদৰ লগত খেলা কৰাৰ নিচিনা হব। জংঘলাই বৰ্ণনা কৰা আনটো পথেৰে গোলভৰালৈ যোৱাটোৱেই নিৰাপদ হব।'' অজিতে কলে।

''ময়ো তেনেকৈয়ে ভাৱো। কিন্তু এই দগাবাজৰ কথা সঁচানে মিছা আমি জানি লোৱাটো ভাল হব।'' বিক্ৰমকেশৰীয়ে কলে।

শিখিমুখীয়ে জংঘলাক ওচৰলৈ মাতি কলে, ''তই ওচৰৰে এজোপা ওখ গছত উঠি চাৰিওফালে নিৰীক্ষণ কৰ। ওচৰত ক'ৰবাত পুজাৰীৰ দল নহলে কোনো গাওঁ থাকিব পাৰে।''

জংঘলাই ভালুকৰ দৰে এজোপা গছত বগাই উঠিল। তাৰপিছত চাৰিওফালে নিৰীক্ষণ কৰি এটা হাঁহি মাৰিলে আৰু গছৰ পৰা নামি আহিল। তাৰ হাঁহি শিখিমুখীৰ বাহিৰে আন কোনেও দেখা নাপালে।

জংঘলাই শিখিমুখীৰ ওচৰলৈ গৈ কলে, ''হুজুৰ, দূৰৰ পাহাৰত গোলভৰা গাওঁ অলপ অলপ দেখা পোৱা গৈছে। গাৱৰ চাৰিওফালে ঘন অৰণ্য আছে। গতিকে অচিনাকি লোকৰ বাবে তালৈ যোৱাটো অলপ কঠিন হব। আমি যাত্ৰা কৰাই উচিত হব। আপুনি কি কয়?'' জংঘলাই সুধিলে।

''এতিয়াই নহয়। ৰ'দ অলপ কম হুবলৈ দে। তোৰ বন্ধু বা পুজাৰীৰ দল আশে-পালে ক'তো দেখা নাপালি?'' শিখিমুখীয়ে সুধিলে।

এই প্ৰশ্ন শুনা পাই জংঘলাৰ মুখ শেতা পৰি গ'ল। সি কপি কপি কলে, ''হুজুৰ, আপুনি কি মোৰ ওপৰত এতিয়াও বিশ্বাস কৰা নাই? সেই বদমাছক দেখা পালে মই তাক এৰি নিদিম।''

''এই কথাৰ প্ৰমাণ হবলৈ এতিয়াও বাকী আছে। কিন্তু তই যদি আমাক ঠগিবলৈ চেষ্টা কৰ, তেন্তে কোনেও মোৰ পৰা তোৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰিব। এই কথা মনত ৰাখিবি।'' শিখিমুখীয়ে জংঘলাক ধমকি দি কলে।

জংঘলাই দুয়ো হাতেৰে শিখিমুখীক নমস্কাৰ কৰি কিবা কব খুজিছিল, তেনেসময়তে তেওঁলোকে লগত লৈ যোৱা

এটা খচ্চৰে নদীৰ পাৰেদি দৌৰি পলাবলৈ ধৰিলে। শিখিমুখীয়ে সেই খচ্চৰক ঘূৰাই আনিবলৈ অজিত আৰু বীৰভদ্ৰক আদেশ দিয়াৰ আগতেই জংঘলাই এডাল লাঠি লৈ বিজুলী গতিত খচ্চৰক ধৰিবলৈ দৌৰ দিলে।

বিক্ৰমে লগে লগে ধনু-কাড় উলিয়াই লৈ জংঘলালৈ নিচান পোনাই অপেক্ষা কৰি ৰ'ল। অজিত আৰু বীৰভদ্ৰই তৰোৱাল উলিয়াই খচ্চৰ আৰু জংঘলা দৌৰি যোৱাৰ ফালে ঢাপলি মেলিলে।

জংঘলাই দৌৰি গৈ এটা জোপোহাৰ ওচৰত থমকি ৰ'ল। জোপোহাৰ পৰা এটা চিতা বাঘৰ গোজৰণি শুনিবলৈ পালে। তাত বাঘে এটা হৰিণা ভক্ষণ কৰি আছিল।

চিতাই জোপোহাৰ পৰা মূৰ বাহিৰলৈ উলিয়ালে। জোপোহাৰ পৰা মাত্ৰ এগজ দূৰত জংঘলা থিয় হৈ আছিল। সি পিছলৈ ঘূৰি পলাবলৈও কোনো উপায় নাছিল। ক্ষন্তেক সময় চিতা আৰু জংঘলাই দুয়ো দুয়োৰে চকুলৈ চাই থাকিল। জংঘলাই হঠাৎ চিতাৰ পিঠিত লাঠিৰে প্ৰহাৰ কৰিলে। কিন্তু চিতাৰ শক্তিৰ তুলনাৰ সেই মাৰ একোৱেই নাছিল।

বাঘে জাপ মাৰি জংঘলাক বগৰাই পেলালে। চিতা আৰু জংঘলা বগৰা-বাগৰি কৰি নদীৰ পানীত পৰিলগৈ।

দুয়ো গৈ পানীতো যুদ্ধ কৰি থাকিল। চাৰিওফালৰ পৰা ঘঁৰিয়ালে বেৰি ধৰিলে। শিখিমুখীয়ে এই দৃশ্য দেখা পাই অবাক হ'ল। বিক্ৰমে জংঘলাক ঘঁৰিয়ালৰ পৰা বচাবৰ বাবে ঘঁৰিয়ালবিলাকক লক্ষ্য কৰি কাড় নিক্ষেপ কৰিবলৈ ধৰিলে।

চিতা আৰু জংঘলাই যুদ্ধ কৰি কৰি নদীৰ পানীত উটি যাবলৈ ধৰিলে। তেনে সময়তে চিতা আৰু জংঘলাৰ ফালে লক্ষ্য কৰি নদীৰ সিটো পাৰৰ পৰা কাড়ৰ বৰষুণ হবলৈ ধৰিলে। কোনোবাই তাত লুকাই থাকি জংঘলাক চিতাৰ হাতৰ পৰা বচাবৰ বাবে বাঘৰ পিঠিলৈ লক্ষ্য কৰি কাড় নিক্ষেপ কৰি আছিল। *(আগলৈ)*

সঁচা সন্যাসী

এবাৰ এখন দেশৰ ৰজাৰ ভয়ংকৰ বেমাৰ হ'ল। তেওঁ এই প্ৰতিজ্ঞা কৰিলে যে কেনেবাকৈ যদি তেওঁ সেই বেমাৰৰ পৰা আৰোগ্য লাভ কৰে, তেন্তে নগৰৰ সকলো সন্যাসীকে একোটাকৈ সোণৰ মোহৰ দিব।

অলপ দিনৰ পিছতে ৰজাৰ বেমাৰ ভাল হৈ গ'ল। তেওঁ বৰ সুখী হ'ল। তেওঁ নিজৰ এটা বিশ্বাসী চাকৰক মাতি, তাৰ হাতত পাঁচ হেজাৰ সোণৰ মোহৰ দি কলে, "তই এই মোহৰ লৈ চহৰলৈ যা আৰু য'তেই সন্যাসীক দেখ একোটাকৈ সোণৰ মোহৰ দি দিবি।"

চাকৰ গৈ নগৰ পালেগৈ আৰু সোণৰ মোহৰ লৈ সমগ্ৰ দিন চহৰত ঘূৰি ফুৰিল। তাৰপিছত তেওঁ ৰজাৰ ওচৰলৈ গৈ মোহৰৰ বেগ ৰাখি কলে, "মহাৰাজ, মই গোটেই চহৰ ঘূৰিলো, কিন্তু এজনো সন্যাসী দেখা নাপালো।"

চাকৰৰ কথা শুনি ৰজা আঁচৰিত হ'ল। তেওঁ সুধিলে, "এই বিশাল চহৰত তই এজনো সন্যাসী দেখা নাপালি? মই শুনিছিলো যে ইয়াত প্ৰায় চাৰি-পাঁচহেজাৰ মান সন্যাসী আছে।"

চাকৰে সন্মান সহকাৰে কলে, "মহাৰাজ, যি প্ৰকৃততে সন্যাসী, তেওঁ কেতিয়াও ধন গ্ৰহণ নকৰে। যি ধন গ্ৰহণ কৰে তেওঁ সন্যাসী হব নোৱাৰে।"



পাপ কাৰ?

বহু দিনৰ আগতে কৌশিক নামৰ এজন ব্ৰাহ্মণ আছিল। তেওঁ বৰ ভাল প্ৰকৃতিৰ লোক আছিল। সকলো সময়তে তেওঁ পৰমাত্মাৰ ভক্তিত ডুবি আছিল।

এদিনাখন কৌশিকে এজন পণ্ডিতক ভোজন কৰিবৰ বাবে আমন্ত্ৰণ জনালে। পণ্ডিতে ভোজনৰ বাবে আহিব বুলি কথা দিলে। কৌশিকে তেওঁৰ ঘৰত গাখীৰ দিয়া লোকজনক মাতি কলে, ''যদি তই কালিলৈ ভাল দৈ-গাখীৰ আনি দিয়, তেতিয়াহলে তোক মই অধিক পইছা দিম।''

পিছদিনাখন গাখীৰৰ বেপাৰীয়ে ভাল দৈ-গাখীৰৰ টেকেলী এটা লৈ তাক পাচিত ৰাখিলে। তাৰপিছত সেই পাচি মূৰৰ ওপৰত তুলি লৈ ব্ৰাহ্মণৰ ঘৰলৈ আহিল। খৰধৰকৈ খোজ দি অহাৰ বাবে টেকেলীৰ ওপৰত বান্ধি থোৱা কাপোৰৰ টুকুৰাটো অলপ আঁতৰি গ'ল।

সেই সময়তে এটা ঈগল চৰায়ে এটা সাপক ঠেঙেৰে খামুচি ধৰি উৰি গৈ আছিল। ঈগলৰ খামোচত চটফটাই থকা সাপে বিষ উকলিয়াই দিলে। সেই বিষ দুৰ্ঘটনাবশত আহি পৰিল গাখীৰ বেপাৰীয়ে মূৰৰ পাচিত কৌশিকৰ বাবে কঢ়িয়াই নি থকা গাখীৰৰ টেকেলীটোত।

গাখীৰ বেপাৰী কৌশিকৰ ঘৰলৈ গ'ল সেই গাখীৰৰ টেকেলীটো দি দিলে।

ভোজনৰ সময় হ'ল। পণ্ডিত ভোজনৰ বাবে আহি পালে। খাদ্য-বস্তু সুস্বাদু আছিল। পণ্ডিতে পেট ভৰাই খালে। শেষত সেই গাখীৰৰ টেকেলীৰ পৰা দৈ-গাখীৰ উলিয়াই কৌশিকে পণ্ডিতক দিলে।

ৰবি কিৰণ

পণ্ডিতেও বৰ আগ্ৰহেৰে দৈ-গাখীৰ খালে।

কিন্তু আহাৰ খোৱাৰ অলপ সময়ৰ পিছতে পণ্ডিতে চটফটাবলৈ ধৰিলে আৰু ইহলীলা সম্বৰণ কৰিলে। এই কথা কোনেও গম নাপালে যে কি কাৰণত সেই পণ্ডিতৰ মৃত্যু হ'ল। পণ্ডিত এইদৰে মৃত্যু মুখত পৰাত কৌশিক বৰ দুখী হৈ পৰিল।

পৃথিৱীত পণ্ডিত মৃত্যুমুখত পৰাৰ লগে লগেই নৰকত পাপ-পুণ্যৰ হিচাপ কৰি থকা চিত্ৰগুপ্তৰ বাবে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হ'ল। 'পণ্ডিতৰ মৃত্যুৰ পাপ এতিয়া কাৰ নামত লিখা যায়?' তেওঁ এই কথা ঠিৰাং কৰিব নোৱাৰিলে।

'পণ্ডিতক ভোজনৰ বাবে নিমন্ত্ৰণ কৰিছিল কৌশিক ব্ৰাহ্মণে। গতিকে এই পাপ তেওঁৱেই কৰিছে।' তেওঁ ভাৱিলে। তাৰপিছত তেওঁ আকৌ চিন্তা কৰিলে 'কিন্তু, তেওঁ এই বাবেই ভাল দৈ গাখীৰ অনাইছিল কিয়নো তেওঁ পণ্ডিতক ভালদৰে আপ্যায়ন কৰিব খুজিছিল। তেওঁতো এই কথা গমেই নাপাইছিল যে সেই টেকেলীত বিষ আছে। তেওঁ সেইকথা গম পোৱা গলে কেতিয়াও পণ্ডিতক খাবলৈ নিদিলেহেতেন। গতিকে ব্ৰাহ্মণ নিৰ্দোষী। তেওঁ এই পাপ কৰা নাই।' তেওঁ এই সিদ্ধান্তত উপনীত হ'ল।

'তেন্তে কি এয়া গাখীৰৰ বেপাৰীৰ ভুল? কিন্তু তেওঁতো গম পোৱা নাছিল যে টেকেলীৰ ওপৰৰ কাপোৰ বতাহত



আতৰি গ'ল আৰু সেই টেকেলীত ওপৰৰ পৰা সাপৰ বিষ আহি পৰিল। সেই যুক্তিৰ পৰা গাখীৰ বেপাৰীয়েও কোনো পাপ কৰা নাই।' চিত্ৰগুপ্তই ভাৱি-চিন্তি সিদ্ধান্ত কৰিলে।

তাৰপিছত যিহেতু বতাহ লাগি সেই টেকেলীৰ ওপৰৰ কাপোৰ আঁতৰি গৈছিল আৰু তাৰ ফলতেই সাপৰ বিষ আহি টেকেলীত পৰিবলৈ পালে আৰু সেই গাখীৰ খাই পণ্ডিতৰ মৃত্যু হ'ল। গতিকে তেওঁৰ মনত এই প্ৰশ্ন উঠিল যে এই পাপ বায়ু দেৱতাৰ হব পাৰে নেকি? কিন্তু তেওঁ পিছ মুহূৰ্ততে চিন্তা কৰিলে, 'বতাহ নবলিলে পৃথিৱীত লোক বৰ্তি থাকিব কিদৰে? গতিকে বতাহ বলাটো অতি প্ৰয়োজনীয়। সেইফালৰ



পৰা বায়ু দেৱতাৰো কোনো দোষ নাই।' চিত্ৰগুপ্তই ভাৱি গ'ল।

'তেনেহলে এই পাপ বিষ উলিয়াই দিয়া সাপৰ নেকি ? সেয়াও যুক্তি সংগত নহয়। ঈগলৰ ঠেঙত বন্দী সাপে মৃত্যুৰ আগমূহূৰ্তত চটফটাই বিষ উকলিয়াই দিছিল। সেই বিষ যে আহি গাখীৰৰ টেকেলীত পৰিবহি সেয়াটো তাৰ জ্ঞাত নাছিল। গতিকে সাপক পণ্ডিতৰ মৃত্যুৰ বাবে দোষ দিয়টো যুক্তিসংগত নহব।'

তাৰপিছত আহিল ঈগলৰ পাল। 'আহাৰৰ বাবে সাপ ধৰি খোৱা ঈগলৰ স্বভাৱ। তাৰ বাবেটো তাক দোষ দিব নোৱাৰি। সিটো নাজানিছিল যে সি সাপক ধৰাৰ ফলত এনে দূৰ্ঘটনা হব পাৰে। গতিকে ঈগলো সেইফালৰ পৰা একেবাৰেই নির্দোষী।'

চিত্ৰগুপ্তই সকলো দিশৰ পৰা চিন্তা কৰি চাই দেখিলে যে পণ্ডিতৰ মৃত্যুৰ বাবে কাকো দোষী সাব্যস্ত কৰিব নোৱাৰি। গতিকে তেওঁ এই সমস্যা লৈ যমৰাজৰ ওচৰ পালেগৈ। যমৰাজেও এই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি ৰাজসভাত উপস্থিত থকা সকলো সভাসদৰ লগত আলোচনা কৰিলে। কিন্তু কোনোৱেই যুক্তিসংগত উত্তৰ দিব নোৱাৰিলে।

যমৰাজে এই সমস্যা লৈ বিষ্ণুৰ ওচৰ পালেগৈ। সমস্যাৰ কথা শুনি বিষ্ণুও বিপাঙত পৰিল। তেওঁ সকলো সভাসদৰ সভা আহ্বান কৰিলে। কিন্তু আলোচনাৰ পিছতো তেওঁলোকে একো সিদ্ধান্ত কৰিব নোৱাৰিলে। তেতিয়া যমৰাজে চিত্ৰগুপ্তক কলে, ''যেতিয়ালৈকে এই কথাৰ সিদ্ধান্ত কৰা নেযায়, তেতিয়ালৈকে কাৰো নামত এই পাপ নিলিখিবা।''

চিত্ৰগুপ্তক এই পৰামৰ্শ দি যমৰাজে সমাধান বিচাৰি যমদূতসমূহক পৃথিৱীলৈ প্ৰেৰণ কৰিলে।

এদিন দুজন ব্ৰাহ্মণে এজোপা গছৰ তলত বিশ্ৰাম কৰি আছিল। তাৰে এজন ব্ৰাহ্মণে চৰাই-চিৰিকটিৰ ভাষা বুজিব পাৰিছিল। সেই গছত বহি থকা এযোৰ চৰায়ে ঈগলে ধৰি নিয়া সাপৰ বিষ গাখীৰৰ পাত্ৰত পৰা আৰু সেই গাখীৰ খাই পণ্ডিতৰ মৃত্যু হোৱাৰ

বিষয়ে কথা পাতি আছিল। সেই কথা শুনি চৰাই-চিৰিকটিৰ ভাষা বুজি পোৱা ব্ৰাহ্মণজনে আনজনক কলে, "এই কথা লৈ ইমান মূৰ ঘমাবলৈ কি আছে। মোক সোধা হলেই মই এই কথাৰ সমাধান দিব পাৰিলোহেতেন। আহাৰ ভালদৰে পৰীক্ষা নকৰি অতিথিক খাবলৈ দিয়াৰ বাবেইটো পণ্ডিতৰ মৃত্যু হ'ল। গতিকে এই পাপ কৌশিকৰে।"

সেই সময়তে আহি পৃথিৱীত পদাৰ্পণ কৰা যমদূতে সেই কথা শুনিবলৈ পালে। তেওঁলোকে ব্ৰাহ্মণক ধৰি যমৰাজৰ ওচৰলৈ লৈ গ'ল।

"এই কথা তুমি কৈছিলানে নাই?" যমে ব্ৰাহ্মণক সুধিলে।

"মই কৈছিলো।" ব্ৰাহ্মণে নিৰ্ভয়ে উত্তৰ দিলে।

তেতিয়া যমৰাজে দুই টেকেলী দৈ-গাখীৰ আনিবলৈ দিলে। তাৰে এটা টেকেলীত ধৰিব নোৱাৰাকৈ বিষ ঢালি দিলে। সেই দুটা টেকেলী আনি ব্ৰাহ্মণৰ আগত ৰখা হ'ল।

"ব্ৰাহ্মণ, তুমি মোক কোৱা যে এই দুটা টেকেলীৰ কোনটোত বিষ মিহলোৱা আছে।" যমৰাজে সুধিলে।

"এই দুটা টেকেলীৰ কোনটোত বিষ আছে তাক জানিবলৈ হলে খাই চাব লাগিব। যদি ভুলতে বিষ থকাটোৰ পৰা খোৱা হয়, তেন্তে খোৱাজনৰ মৃত্যু হব।" ব্ৰাহ্মণে কলে।

তেতিয়া যমৰাজে খঙেৰে কলে, "তেতিয়াহলে তুমি আনৰ ওপৰত কিয় দোষ দিছা? কিয়নো তুমি নিজেই নিশ্চিত নহয় যে কোনটোত বিষ আছে। তুমি নিশ্চিত নোহোৱালৈকে মনে মনে থাকিব লাগিছিল। ইয়াৰ শাস্তি স্বৰূপে পণ্ডিতৰ মৃত্যুৰ পাপ তোমাৰ গাতে লাগিব।" এইবুলি পণ্ডিত হত্যাৰ পাপ ব্ৰাহ্মণৰ নামত লিখিবলৈ চিত্ৰগুপ্তক নিৰ্দেশ দিলে।

এইদৰেই কোনোবাই কৰা পাপ আন কাৰোবাৰ গাত লাগিল।

বেআইনী উপাৰ্জন

ৰজা মাণিক বামহি সোমনাথপুৰ ৰাজ্যত ৰাজত্ব কৰিছিল। প্ৰশাসন কাৰ্যত তেওঁক সহায় কৰিছিল তেওঁৰ প্ৰধান মন্ত্ৰী অখণ্ডনাথে।

সোমনাথপুৰত কামৰাজ নামৰ এটা ডকাইত আছিল। তাৰ ভয়ত সোমনাথপুৰৰ প্ৰজাৰ চকুৰ টোপনী নোহোৱা হৈছিল। তেওঁলোকৰ মূল্যৱান বস্তুবিলাক কামৰাজে ডকাইতি কৰি লৈ যাব বুলি সকলো সময়তে ভয় খাই আছিল। দিনত একো কাম নথকা কিছুমান ধনীলোকে দিনত শুই ৰাতি জাগি থাকি নিজৰ সম্পত্তিক ৰক্ষণাবেক্ষণ দি আহিছিল। বহু চেষ্টাৰ মূৰত ৰাতি পহৰা দিয়া চিপাহীসকলে ডকাইত কামৰাজক বন্দী কৰিলে। তাক বিচাৰৰ বাবে সেনাধিপতিৰ সন্মুখত হাজিৰ কৰা হ'ল। সেনাধিপতিয়ে ডকাইত কামৰাজক ভয় দেখুৱাই সি ডকাইতি কৰি নিয়া বস্তুবিলাক ক'ত ক'ত লুকুৱাই থৈছে তাৰ তথ্যপাতি জানি ললে। তাৰপিছত সেনাধিপতিয়ে সকলো সম্পদ লুকুৱাই থোৱা ঠাইৰ পৰা উদ্ধাৰ কৰি আনিলে আৰু সেই সম্পদবিলাকৰ সৈতে ডকাইত কামৰাজক ৰাজসভাত ৰজাৰ আগত বিচাৰৰ বাবে হাজিৰ কৰিলে।

বিচাৰ খোচাৰ কৰি জানিব পৰা গ'ল যে ডকাইত কামৰাজৰ পৰা উদ্ধাৰ কৰা বুজন পৰিমাণৰ সম্পদেই হ'ল এজন বিখ্যাত ধনী লোক নীলকান্তৰ। কিন্তু যি কি নহওক, তেতিয়ালৈকে নীলকান্তই তেওঁৰ বস্তু ডকাইতি হোৱা বুলি এবাৰো গোচৰ তৰা নাছিল।

"মন্ত্ৰী ডাঙৰীয়া, মোৰ এনে লাগিছে যে নীলকান্ত হয়তো অলপ অন্তৰ্মুখী স্বভাৱৰ লোক। সেইবাবেই হয়তো তেওঁ বস্তু ডকাইতি হোৱা বুলি কোনো গোচৰ নতৰিলে। অনুগ্ৰহ কৰি আপুনি তেওঁক এই মুহূৰ্ততে মতাই আনক আৰু তেওঁৰ সম্পদ তেওঁৰ হাতত গটাই দিয়ক।" ৰজা মাণিক বামহি আদেশ কৰিলে।

এছ শ্ৰীনিৱাস

ৰজাৰ আদেশ শুনি প্ৰধান মন্ত্ৰী অখণ্ডনাথে উত্তৰ দিলে, ‘‘মহাৰাজ, বাকী সম্পত্তিৰ গৰাকীসকলক বিচাৰি উলিয়াওতে কিছুদিন সময় লাগিব। অনুগ্ৰহ কৰি মোক দুদিন সময় দিয়ক আৰু সেইখিনি সময়ৰ ভিতৰতে মই গৰাকীসকলক বিচাৰি উলিয়াম। আমি নীলকান্তকো একেসময়তে সম্পত্তিসমূহ হস্তান্তৰ কৰিম।’’ প্ৰধান মন্ত্ৰীৰ কথাত ৰজা মাণিক বাৰ্মা মান্তি হ’ল।

দুদিনৰ পিছত উদ্ধাৰ হোৱা সম্পত্তিৰ গৰাকীসকলক ৰাজসভালৈ মাতি পঠোৱা হ’ল। এজনৰ পিছত এজনকৈ আগুৱাই আহি নিজৰ নিজৰ সম্পত্তিবিলাক চিনাক্ত কৰিলে আৰু সেইবিলাক যে তেওঁলোকৰেই সম্পত্তি তাৰ প্ৰমাণ দি চমজি ললে। সৰ্বশেষত নীলকান্তৰ পাল পৰিল। কিন্তু তেওঁৰ হাত দুখন বন্ধা অৱস্থাত আছিল। তেওঁক ইতিমধ্যেই গ্ৰেপ্তাৰ কৰা হৈছিল।

ঘটনা দেখি ৰজা মাণিক বাৰ্মা আঁচৰিত হ’ল। প্ৰধানমন্ত্ৰী অখণ্ডনাথে ৰজাক সম্ভাষণ যাঁচি কলে, ‘‘মহাৰাজ, নীলকান্ত আঁচলতে কামৰাজতকৈও ডাঙৰ ডকাইত। তেওঁৰ বহু বেআইনী ব্যৱসায় চলাই আছে। তেওঁ প্ৰতিবছৰেই কৰ ফাঁকি দি আহিছে। নানা ধৰণৰ বেআইনী ব্যৱসায় কৰি তেওঁ কোটী কোটী টকা লাভ কৰিছে। সেইবাবেই তেওঁৰ ইমানবিলাক সম্পত্তি ডকাইতি হোৱাৰ পিছতো কোনো গোচৰ তৰা নাছিল। ডকাইত কামৰাজে এই কথা ভালদৰেই জানিছিল। গতিকে তেওঁৰ দুৰ্বলতাৰ সুবিধা গ্ৰহণ কৰি সি নীলকান্তৰ পৰা বহু সম্পত্তি ডকাইতি কৰি লৈ গৈছিল। ইমান বেছি সম্পত্তি ডকাইতি হোৱাৰ পিছতো নীলকান্তই গোচৰ নতৰাকৈ থকাটোৰেই মোক সন্দেহ কৰিবলৈ বাধ্য কৰিলে। এই কাৰণতেই মই আপোনাক দুদিন সময় দিবলৈ প্ৰাৰ্থনা কৰিছিলো। মই এইখিনি সময়তে এটা অনুসন্ধান চলালো আৰু তাৰ পৰা লাভ কৰা তথ্য পাতিৰ পৰা নীলকান্তৰ বেআইনী ব্যৱসায়ৰ বিষয়ে নিশ্চিত হলো।’’

ৰজা মাণিক বামহি প্ৰধানমন্ত্ৰীক প্ৰশংসা কৰিলে আৰু নীলকান্ত, কামৰাজ দুয়োকে উপযুক্ত শাস্তি প্ৰদান কৰিলে।

ভালেই হ'ল!

এদিনাখন এজন খেতিয়কে জমিদাৰক লগ ধৰিবলৈ যাবলৈ ওলাই পত্নীক কলে, ''মই জমিদাৰ চাহাবলৈ বেল লৈ যাও বুলি ভাবিছো। এটা পাছিত তুমি বেল কেইটামান ভৰাই দিয়া।''

''তেওঁৰ বাবে বেল কিয়? তুমি অমৰা লৈ যোৱা। পকি আছে। তেওঁক দি দিবা। খাব পাৰিব।'' এইবুলি খেতিয়কৰ পত্নীয়ে এপাচি আমৰা দিলে।

তাৰপিছত খেতিয়কে জমিদাৰৰ ঘৰলৈ গ'ল আৰু দেখিলে যে জমিদাৰ চাহাব ঘৰৰ বাৰান্দাতে বহি আছে। খেতিয়কে অমৰাৰ পাচিটো জমিদাৰৰ আগত ৰাখি হাতযোৰ কৰি থিয় দি থাকিল।

জমিদাৰে পাচিৰ ঢাকনি খুলি যেতিয়াই তাত অমৰা দেখিলে, তেওঁ তাৰ পৰা এটা তুলি লৈ জোৰেৰে খেতিয়কৰ মূৰত মৰিলে। অমৰা মূৰৰ ওপৰত পৰাত খেতিয়কে কলে, ''ভালেই হ'ল।''

এই কথা শুনি জমিদাৰ আঁচৰিত হ'ল। তেওঁ সুধিলে, ''মই তোৰ মূৰত অমৰা মাৰিলো আৰু তই কৈছ ভালেই হ'ল।''

''মই প্ৰথমতে বেল আনিবলৈ লৈছিলো। মোৰ পত্নীয়ে কলে, 'বেল নালাগে, পকা অমৰাকে লৈ যাওক। মোৰ ভাগ্য ভাল আছিল যে বেল নানিলো। নহলে আজি মোৰ মূৰ ফাটিলহেতেন। ভালেই হ'ল।'' খেতিয়কে কলে।



মই কি হ'ব পাৰো?

মৰমৰ বন্ধুসকল,

যোৱা মাহত আমি এজন আইনজীৱীৰ কেৰিয়াৰৰ বিষয়ে জানিলো। মই তোমালোকক যোৱা মাহত কথা দিছিলো যে এই মাহত তোমালোকক কোম্পানী চেকেট্ৰেৰীৰ বিষয়ে কম। এই সম্পৰ্কে তথ্যৰ সন্ধান কৰি থাকোতে মই বিশ্বায়নৰ ফলত বিশ্বৰ বজাৰ আৰু কৰ্পৰেট ক্ষেত্ৰখনে কিমান বিস্তাৰ লাভ কৰিছে সেই কথা বুজিব পাৰিলো। লগতে এই কথাও উপলব্ধি কৰিলো যে আজিৰ কৰ্পৰেট ক্ষেত্ৰখনত একোজন বিশেষজ্ঞৰ মূল্য কিমান।

মোৰ কেৰিয়াৰ পৰামৰ্শদাতাজনে মোক জনালে যে কোম্পানী চেকেট্ৰেৰী হ'ল এজন পেশাদাৰী ব্যক্তি এটা কোম্পানীৰ সু-প্ৰশাসনৰ বাবে দায়বদ্ধ হৈ থাকে। তেওঁ আইনী বিষয়তো পৰামৰ্শদাতা হিচাপে কাম কৰে। তেওঁ কোম্পানীটোৰ নানান বিভাগৰ কাম-কাজবিলাকৰ মাজত সম্পৰ্ক ৰক্ষা কৰে আৰু লগতে কোম্পানীয়ে সন্মুখীন হোৱা নানা ধৰণৰ আইনী বিষয়সমূহ সমাধান কৰে। ইয়াৰ ওপৰিও, তেওঁ অৰ্থনীতি, জমা-খৰচ, ব্যক্তিগত আৰু প্ৰশাসনৰ লগত সম্পৰ্কিত আন বিষয় সমূহৰো দায়িত্ব গ্ৰহণ কৰে।

Institute of Company Secretaries of India (ICSI)ই ১৯৮০ চনত আৰম্ভ কৰা কোম্পানী চেকেট্ৰেৰী আইনৰ অধীনত ভাৰতত কোম্পানী চেকেট্ৰেৰীক এক পেশা হিচাপে বিকাশ কৰিবলৈ আৰু লগতে পৰিচালনা কৰিবলৈ কোম্পানী চেকেট্ৰেৰীৰ পেশাদাৰী কোৰ্ছৰ শিক্ষা প্ৰদান কৰে।

এজন কোম্পানী চেকেট্ৰেৰীয়ে চৰকাৰৰ নানা বিভাগৰ গণনা বা আইন শাখাত নিযুক্তি লাভ কৰাৰ সম্ভাৱনা থাকে। এজন অৰ্হতা থকা কোম্পানী চেকেট্ৰেৰীয়ে ৰাজহুৱা বা ব্যক্তিগত খণ্ড, বেংক বা আন তেনে সংস্থা, ষ্টক একচেঞ্জ, কোম্পানীৰ আইন শাখা আদিত লোভনীয় দৰমহা যুক্ত চাকৰি লাভ কৰে। ক্ষুদ্ৰ উদ্যোগবিলাকেও কোম্পানী চেকেট্ৰেৰীক পৰামৰ্শদাতা হিচাপে নিযুক্তি দিয়ে আৰু তেওঁলোকে লাইচেঞ্চ, পঞ্জীয়ণ, লোন, কৰ, অংশীদাৰসকলৰ লগত সম্পৰ্কিত বিষয়সমূহ চোৱাচিতা কৰিবলগীয়া হয়। নানা স্তৰৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কম্পিউটাৰ চফ্‌টৱেৰ ফাৰ্মবিলাকেও সাধাৰণ প্ৰশাসনীয় কামকাজ আৰু প্ৰবন্ধনৰ বাবে কোম্পানী চেকেট্ৰেৰীক নিযুক্তি দিয়ে।

– হাই

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৬

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩৬ লিখা।

৪) তোমাৰ উত্তৰ ২৯ ফেব্ৰুৱাৰী ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ এপ্ৰিল মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

ঠাইসমূহ চিনাক্ত কৰা



১. কোনখন ৰাজ্যক 'এছিয়াৰ চুইজাৰলেণ্ড' আখ্যা দিয়া হয়?

২. কোনখন চহৰক 'দক্ষিণ ভাৰতৰ মানচেষ্টাৰ' আখ্যা দিয়া হয়?

৩. 'বৰষুণৰ ডাৱৰৰ ঠাই' নামেৰে অভিহিত ৰাজ্যখনৰ নাম কি?

৪. ভাৰতৰ কোনটো পৰ্বতক 'নীলা পৰ্বত' নামেৰে জনা যায়?

৫. কোনখন চহৰক 'সপ্তদ্বীপৰ নগৰ' বুলি আখ্যা দিয়া হয়?

৬. কোনখন নগৰক 'আৰব সাগৰৰ ৰাণী' নামেৰে জনা যায়?

৭. 'গোলাপী চহৰ' বুলি কলে আমি কোনখন চহৰক বুজি পাও?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩৩, অক্টোবৰ ২০১১ চনৰ উত্তৰ:

১. মোহনদাস কৰমচান্দ গান্ধী, ২. পোৰবন্দৰ, ৩. হৰিচন্দ্ৰ, ৪. আইন, ৫. ১৯৪২, ৬. ১৯৩০, ৭. কৰা অথবা মৰা, ৮. ৩০ জানুৱাৰী, ১৯৪৮ত নাথুৰাম গডছেৰ দ্বাৰা

October'11 Winners: 1. Dhananjaya Meher, Purunabastee, Jharsuguda - 768202.
2. Ramkinkar Das, Tiorkhali (Post&Vill.), East Midnapore (Dist.), Paschimbanga - 721655.
3. P.R Anivitha Shastry, Pandaru Farms, Main (Post),Bantwal (Taluk), Karnataka - 574253.
4. R.P Subhamathi, Kallakurichi (Post), Belukurichi JK, Namakkal (Dist.) - 637402.
5. S. Harikrishnan, Poovakulam, Koothattukulam, Ernakulam (Dist.) Kerala.

কৌতুক

অফিচ মেনেজাৰ: ডেস্কৰ ওপৰত থকা ধুলিবোৰ চোৱা । এনে লাগিছে যেন সেইখন পোন্ধৰ দিনমান ধৰি চাফা কৰা নাই ।

চাফা কৰা মহিলা: মোক দোষ নিদিব চাৰ, মই ইয়ালৈ অহা মাত্ৰ এসপ্তাহহে হৈছে ।

এটা ডেকা ল'ৰা এখন পোহনীয়া জীৱ-জন্তু বিক্ৰী কৰা দোকানলৈ গ'ল আৰু ২০০ পইতাছোৰা, ৬টা এন্দুৰ আৰু ৫ টা নিগনি বিচাৰিলে ।

"মই দুখিত চাৰ", দোকানৰ মেনেজাৰে কলে, "আমি কেৱল নিগনিহে দিব পাৰিম । আপুনি কি কামৰ বাবে আনবিলাক জন্তু বিচাৰিছে বাৰু ?"

"মোৰ ভাৰাঘৰৰ মালিকে মোক ঘৰ খালী কৰিবলৈ কৈছে আৰু লগতে কৈছে যে মই আহোতে ঘৰ যেনে আছিল, ঠিক তেনে অৱস্থাত চমজাই দিব লাগিব ।"

এজন বিচাৰকে অপৰাধীৰ ফালে চাই সুধিলে, "তুমি কেইবাৰ জেল খাইছা ?"

"ন বাৰ মহাশয় ।" অপৰাধীয়ে কলে ।

"নবাৰ ? এইবাৰ মই তোমাক সৰ্বাধিক শাস্তি প্ৰদান কৰিম ।" বিচাৰকে কলে ।

"সৰ্বাধিক শাস্তি ?" অপৰাধীয়ে সুধিলে, "আপোনালোকে নিয়মিত গ্ৰাহকক 'ডিচকাউন্ট' নিদিয়ে নেকি ?"

জন: অহা শণিবাৰৰ মোৰ পাৰ্টিলৈ তুমি আহিবানে ?

বিমল: হয়, মই আহিবলৈ ভাল পাম । ঠিকনাটো কি ?

জন: চাৰি নম্বৰ, নতুন পথ, তোমাৰ কিলাকুটিৰে কলিং বেল বজাই দিলেই হ'ল ।

বিমল: মই আঙুলিৰে বেলটো বজাব নোৱাৰিম নেকি ?

জন: তুমি পাৰ্টিলৈ খালী হাতেৰে নিশ্চয় নাহা, আহিবা জানো ?

আমাৰ দৈনিক পাউৰুটি

আগতে মানুহে ঘেঁহু চোবাই খাইছিল। তেওঁলোকে যেতিয়া এই কথা গম পালে যে ঘেঁহুক গুড়ি কৰি পানীত মিহলাই এক মিশ্ৰণ তৈয়াৰ কৰিলে বহু বেছি সুস্বাদু হয়, তেতিয়াই সভ্যতাৰ দ্রুত বিকাশ সম্ভৱ হ'ল। কেৱল তাতেই সমাপ্ত নহ'ল। সেই মিশ্ৰণক জুইত গৰম কৰি টান কৰি বেছি দিনলৈকে সাঁচি ৰখাৰ উপায় উদ্ভাৱিত হ'ল। যেতিয়া দুৰ্ঘটনাক্ৰমে ইষ্ট সেই মিশ্ৰণত সৃষ্টি হ'ল, তেতিয়াই পাউৰুটিৰ সৃষ্টি হ'ল।

প্ৰায় খ্ৰীষ্টপূৰ্ব ১০০০ বছৰ মানত, ইজিপ্তত মানুহে ইষ্টসংগ্ৰহ কৰিছিল আৰু তেওঁলোকৰ ৰুটিত ব্যৱহাৰ কৰিছিল। তেওঁলোকে এক বিধৰ ঘেঁহু আৱিষ্কাৰ কৰিছিল যিহেৰে বগা পাউৰুটি তৈয়াৰ কৰিব পাৰি। তুমি ইজিপ্তৰ হাইৰ'গ্লিফবিলাকৰ বিষয়ে আগ্ৰহী নেকি? ইজিপ্তত পাউৰুটিৰ লগত সম্পৰ্কিত বহু ছবি আৰু চিহ্ন পোৱা যায়।

তাৰ পৰা পাউৰুটি গ্ৰীছ, ৰোম আৰু ইউৰোপৰ আন আন অংশলৈ বিয়পি পৰিল। ৰোমত পাউৰুটীক মাংসতকৈও অধিক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছিল। ৰোমৰ ৰাজ্য সেৱা মানুহৰ মাজত ঘেঁহুৰ দানা বিতৰণ কৰাৰ ওপৰত আধাৰিত আছিল। পিছলৈ চৰকাৰে তৈয়াৰী পাউৰুটী বিতৰণ কৰা আৰম্ভ কৰিছিল। প্ৰাপ্ত পৰিমাণৰ পাউৰুটি লাভ নকৰিলে সৈনিকসকল অসন্তুষ্ট হৈ পৰিছিল।

খ্ৰীষ্টপূৰ্ব ১৬৮ চনত ৰোমত পাউৰুটী তৈয়াৰ কৰা লোকসকলে এক সংস্থানৰ সূচনা কৰে। সেই সংস্থাই এই পেশাৰ লগত জড়িত লোক আৰু তেওঁলোকৰ সন্তানক সেই পেশা এৰি আন ব্যৱসায় আৰম্ভ কৰিবলৈ অনুমতি নিদিছিল। তেওঁলোকে সমাজত বিশেষ স্থান লাভ কৰিছিল। তেওঁলোকৰ বাহিৰে আন সকলো কাৰিকৰক দাস গণ্য কৰা হৈছিল। বিদুষক আৰু গ্লেডিয়েটৰৰ লগত মিলামিছা কৰিবলৈ তেওঁলোকক অনুমতি দিয়া নহৈছিল।

মধ্যযুগত ইউৰোপত পাউৰুটি কেৱল মুখ্য খাদ্যই নাছিল, ইয়াক খোৱাৰ বাচন হিচাপেও ব্যৱহাৰ কৰা হৈছিল। বহল পাউৰুটিক কাটি তাক প্লেট হিচাপে ব্যৱহাৰ কৰা হৈছিল। আহাৰ খোৱাৰ পিছত সেই প্লেটকো খাই পেলোৱা হৈছিল বা কুকুৰৰ আহাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল।

চুইজাৰলেণ্ডত ধৰ্মগৃহ সমূহত বৃহৎ সংখ্যক পাউৰুটি তৈয়াৰ কৰা হৈছিল। ছেইন্ট গালেন ধৰ্মগৃহত থকা অভেনৰ আকৃতি ইমানেই বিশাল যে ইয়াত এবাৰত ১০০০টা পাউৰুটি সেকিব পৰা গৈছিল। পাউৰুটি প্ৰস্তুতকৰ্তাসকলে কেৱল উচ্চমানৰ পাউৰুটিহে বিক্ৰী কৰিছিল। যদি কোনোবাই গ্ৰাহকক ঠগা বুলি গম পোৱা গৈছিল, তেন্তে অপৰাধীক বহু পৰিমাণ ধনৰ জৰিমনা বা আন দণ্ড প্ৰদান কৰা হৈছিল।

'পাৰ্কাৰ হাউচ ৰোল' হ'ল এক প্ৰকাৰৰ পাউৰুটিৰ ৰোল যাক বোষ্টনৰ এক হোটেল 'পাৰ্কাৰ হাউচ'ত প্ৰথমবাৰৰ বাবে তৈয়াৰ কৰা হৈছিল। ই ডিকেন্‌ছ, লংফেলো, অফেনবাচ, নাথানিয়াল হ'থৰ্নৰ দৰে বহুতো লোকৰ প্ৰিয় আছিল। কোৱা হয় যে ৱাৰ্ড নামৰ এজন জাৰ্মান ৰান্ধনিৰ কোনো গ্ৰাহকৰ ওপৰত খং উঠাত কিছু সম্পূৰ্ণকৈ আকৃতি নিদিয়া পাউৰুটিক অভেনত ভৰাই দিছিল। তৈয়াৰ হোৱাৰ পিছত ই কোমল আৰু সুস্বাদু পাউৰুটিৰ ৰোলত পৰিণত হয় আৰু সোনকালেই সকলোৰে মাজত জনপ্ৰিয় হৈ পৰে।

আমোদজনক পাউৰুটিৰ প্ৰকাৰ:

'মংকি পাউৰুটি' হ'ল এক প্ৰকাৰৰ সুস্বাদু সোণালী মটীয়া বৰণৰ আঠা থকা পাউৰুটি যি অতি সহজেই দৃষ্টি আকৰ্ষণ কৰে আৰু আঙুলিত আঠা লাগি ধৰে। ইয়াক স্লাইচ কৰা নহয়, টুকুৰা কৰিহে উলিওৱা হয়। সম্ভৱ, এই বাবেই ইয়াক 'মংকি পাউৰুটি' বোলা হয়।

'কল পাউৰুটি' বিংশ শতিকাত প্ৰথমবাৰৰ বাবে তৈয়াৰ কৰা হয়। যেতিয়া ফলৰ দোকানত কল বেচিকৈ পকি যায়, তেতিয়া সেইবিলাক পেলাই নিদি পাউৰুটি তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়।

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা ? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	I have passed my 12th Std.	I studied very hard.
Assamese	মই দ্বাদশ শ্ৰেণী উত্তীণ হলো।	মই মনপুতি অধ্যয়ন কৰিছিলো।
Telugu	నేను ఇంటర్ పాస్ అయ్యాను. নিনু ইন্টাৰ পাছ অয়ানু.	నేను కష్టపడి చదివాను. নিনু কষ্টপড়ি ছডিভানু.
Tamil	நான் 12ஆம் வகுப்பில் தேறி விட்டேன். নান ১২ আম ভাগুপ্পলি থাৰেই ভিট্টেন।	நான் மிகவும் சிரமப்பட்டுப் படித்தேன். নান মিগাভুম চিৰামাপ্পাটু পাডিথায়েন।
Bengali	আমি ১২শ শ্রেণী উত্তীর্ণ হয়েছি। আমি ১২শ শ্ৰেণী উৰ্ত্তীণ হয়েচি।	আমি খুব মন দিয়ে পড়েছিলাম। আমি খুব মন দিয়ে পড়িছিলাম।
Marathi	मी बारावी पास झालो आहे. মি বাৰৱি পাছ জলো অহে.	मी खूप अभ्यास केला होता. মি খুপ অভ্যাস কেল হতা.
Kannada	ನಾನು 12ನೇ ತರಗತಿ ಉತ್ತೀರ್ಣನಾಗಿದ್ದೇನೆ. নানু ১২নি টৰগতি উট্টেৰ নান্নাগিডিনে.	ನಾನು ಶ್ರಮ ಪಟ್ಟು ಓದಿದ್ದೆ. নানু শ্ৰমা পট্টু ওৰিডে.
Oriya	ମୁଁ ଦ୍ୱାଦଶ ଶ୍ରେଣୀ ପାସ୍ କଲି। মুন দ্বাদশ শ্ৰেণী পাছ কলি।	ମୁଁ କଠିନ ପରିଶ୍ରମ କରି ପଢ଼ିଥିଲି। মুন কঠিন পৰিশ্ৰম কৰি পঢ়িথিলি।
Gujarati	મેં ૧૨મું ધોરણ પાસ કર્યું છે. মেন ১২মুন ধৰণা পাছ কৰো ছে.	મેં ખૂબ અભ્યાસ કર્યો. মেন অভ্যাস কৰয়ো.
Hindi	मैंने १२वीं कक्षा पास कर ली है। মেইনে ১২ৱি কক্ষ পাছ কৰ লি হে.	मैंने बहुत कड़ी मेहनत की। মেইনে বহুত কড়ি মেহনত কি.
Malayalam	ഞാൻ 12-ാം ക്ലാസ് ജയിച്ചു. ইনজন পান্থৰণ্ডম ক্লাছ যাইচু .	ഞാൻ വളരെ നന്നായി പഠിച്ചു. ইনজন বলৰে নান্‌াই পাডিচু .
Santali	ᱤᱧ ᱑᱒ ᱪᱚᱱᱪ ᱤᱧ ᱯᱟᱥ ᱠᱮᱜᱼᱟ᱾ ইঞ ১২ চনচ ইঞ সাথ কেগ–আ।	ᱫᱩᱢᱤᱠ ᱯᱟᱲᱦᱟᱣ ᱚᱠᱱᱟ᱾ দুমিক পাধো অকনা।
Sanskrit	अहं द्वादशकक्षाम् उत्तीर्णः। অহম দ্বাদশকহম উৰ্ত্তীণহ।	अहं बहु अधीतवान्। অহম বহু অধিতভম।

English	I got a gift.	It was beautiful.
Assamese	মই এটা উপহাৰ লাভ কৰিলো।	এইটো সুন্দৰ আছিল।
Telugu	నాకు ఒక బహుమతి వచ్చింది. নাকু অকা বহুমটি বচ্চিডি.	అది చాలా బాగుండింది. অদি ছালা বাগুমদিমদি.
Tamil	எனக்கு ஒரு பரிசு கிடைத்தது. ইনক্কু অরু পৰিছু কিডাইথাথু।	அது அழகாக இருந்தது. অথু আজাগাগ ইরুনদাথু।
Bengali	আমি একটা উপহার পেয়েছি। আমি একটা উপহাৰ পায়েচি।	সেটা খুব সুন্দর ছিল। সেটা খুব সুন্দৰ ছিলো।
Marathi	मला एक बक्षीस मिळालं. মল এক বকচিচ মিলল.	ते खूप सुंदर होतं. টে খুপ সুন্দৰ হতা.
Kannada	ನನಗೊಂದು ಉಡುಗೊರೆ ಸಿಕ್ಕಿದೆ. মনগন্দু উদুগৰে চিক্কিডে.	ಅದು ತುಂಬಾ ಚಂದವಾಗಿತ್ತು. অডু টুম্বা চান্দাভাগিট্টু
Oriya	ମୁଁ ଗୋଟିଏ ଉପହାର ପାଇଲି মুন গোটেই উপহাৰ পাইলি।	ଏହା ସୁନ୍ଦର ଥିଲା। ইহা সুন্দৰ থিলা।
Gujarati	મને એક ભેટ મળી. মনে একা ভীটা মলে.	તે સુંદર હતી. টে সুন্দৰ হতে।
Hindi	मुझे एक तोहफ़ा मिला। মুঝে এক টৌফা মিলা.	वह सुन्दर था। ৱহ সুন্দৰ থা.
Malayalam	എനിക്കൊരു സമ്മാനം കിട്ടി. ইনিক্কুক চম্মনম কিট্টি	അത് മനോഹരമായിരുന്നു. অথু মনোহৰমায়িরুন্নু.
Santali	ᱪᱟᱵᱯᱟᱠ ᱚᱢᱮᱴ ᱚᱠᱟᱲ-ᱚ। চাবফাক অমেট অকাড়-অ।	ᱱᱩᱨᱟ ᱪᱩᱠᱠ ᱴᱦᱮᱱ ᱠᱚᱱ। নুরা চুকক টহেন কন।
Sanskrit	मया उपहार: प्राप्त:। মায়া উপহাৰহ প্ৰাপ্তহ।	उपहार: सुन्दर: आसीत्। উপহাৰ সুন্দৰহ অসেত।

নিৰামিষাহাৰী ঘঁৰিয়াল

বিশ্বাস কৰা বা নকৰা, কিন্তু তুমি কেৰেলা ৰাজ্যৰ এটা মন্দিৰত এটা বেছ বন্ধুত্বসূলভ ব্যৱহাৰ কৰা ঘঁৰিয়াল দেখিবলৈ পাবা। বাবাইয়া নামৰ ঘঁৰিয়ালটোৱে মন্দিৰটো পহৰা দিয়ে। স্থানীয় লোকসকলে বিশ্বাস কৰে যে বাবাইয়া হ'ল মন্দিৰটোৰ স্থানীয় অভিভাৱক ও কটকী। সি মন্দিৰ আৰু তীৰ্থযাত্ৰী সকলোকে ৰক্ষণাবেক্ষণ দিয়ে।

শ্ৰীঅনন্তপদ্মনাভস্বামী মন্দিৰ হ'ল নৱম শতিকাত নিৰ্মাণ কৰা এটা মন্দিৰ আৰু ই কেৰেলাৰ সবাতোকৈ উত্তৰ দিশত থকা জিলাখনত অৱস্থিত। বিশ্বাস আছে যে বাবাইয়া নামৰ ঘঁৰিয়ালটোৱে যোৱা ৬০ বছৰ ধৰি মন্দিৰৰ পুখুৰীটোত বাস কৰি আছে। উৎসৱ আদিৰ সময়ত বাবাইয়াৰ বাবে চাউল আৰু গুৰেৰে এক বিশেষ আহাৰ প্ৰস্তুত কৰা হয়। মন্দিৰ কৰ্তৃপক্ষ আৰু স্থানীয় লোকসকলৰ মতে ঘঁৰিয়ালটো সম্পূৰ্ণ নিৰামিষাহাৰী। ই কোনো ধৰণৰ মাংস নাখায় আৰু কাৰো অপকাৰ নকৰে। মানুহে বিশ্বাস কৰে যে এই ঘঁৰিয়ালটো অমৰ আৰু কেতিয়াও তাৰ মৃত্যু নহব। ই সময়ৰ শেষলৈকে জীয়াই থাকিব।

বাবাইয়াক দৰ্শন কৰিবলৈকে সেই মন্দিৰত বহু লোকৰ আগমণ ঘটে।

চেষ্টাৰ অসাধ্য একো নাই

ভাৰতী দেৱীয়ে তেওঁৰ কণ্যাৰ লগত একেলগে দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। তেওঁ পশ্চিম বংগৰ জলপাইগুৰি জিলাত বাস কৰে। ভাৰতী দেৱীয়ে এটা শিশু শিক্ষা কেন্দ্ৰত কাম কৰে। দশম শ্ৰেণীত পঢ়ি থকাৰ সময়তে মাক-দেউতাকে তেওঁক বিয়া দি দিয়ে। বিয়াৰ পিছত শিক্ষা পুণৰ আৰম্ভ কৰা তেওঁৰ বাবে সম্ভৱ নহ'ল। স্কুললৈ যোৱা বাদ দি তেওঁ স্বামীৰ ঘৰ চোৰা-চিতা কৰিবলগীয়া হ'ল। কিন্তু তেওঁ মাধ্যমিক শিক্ষাৰ চূড়ান্ত পৰীক্ষা সম্পূৰ্ণ কৰাৰ সপোন কেতিয়াও বাদ নিদিলে। শেষবাৰৰ বাবে স্কুললৈ যোৱাৰ ৩৮ বছৰৰ পিছত, ভাৰতীয়ে তেওঁ সপোন দিঠক কৰাৰ বাবে চেষ্টা কৰিবলৈ সিদ্ধান্ত লয়। তেওঁ নিজৰ কণ্যাৰ লগত একেলগে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰে আৰু পৰীক্ষাত অৱতীৰ্ণ হবৰ বাবে প্ৰপত্ৰ দাখিল কৰে। তেওঁ জীয়েক সঞ্চিতাইও মাধ্যমিক শিক্ষাৰ চূড়ান্ত পৰীক্ষাত বহিছে।

ভাৰতীৰ এনে কৰ্ম নাৰীৰ অগ্ৰসৰতাৰ এক উদাহৰণ।

Chandamama

Art Book

'Chandamama Art Book' brought back my childhood memories. Illustrations by artists Vaddadi Papayya garu, Sankar, Chitra, MTV Acharya are pretty to look at, a healthy treat to the eyes that leaves a wonderful impression on my mind. This 'art book' experiment, with quality printing, looking lovely, is an extraordinary gift to art lovers. It is a precious treasure that is worth keeping forever.

With Best Wishes,
P. Sreeramachandra Murthy, Tenali, AP

Order Now

2 Volumes



Log on to: www.chandamama.com or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

রসিক মানুহ

বীৰবল

সীমা নথকা ৰাজ্যখন



১. এবাৰ দৰবাৰৰ সংগীতজ্ঞ কেইজনৰ ওপৰত আকবৰৰ বৰ খং উঠিল। ''মোৰ দেশ এৰি গুচি যোৱা। মই তোমালোকৰ কাৰো মুখ চাব নিবিচাৰো।''

২. সংগীতজ্ঞ কেইজনে সেইদিনাই ৰাজধানী এৰি গুচি গ'ল। তেওঁলোকে কিছুদিন ধৰি লক্ষ্যহীনভাৱে ঘূৰি ফুৰাৰ পিছত হতাশ হৈ পৰিল।

৩. ''আমি আৰু এইদৰে ঘূৰি ফুৰিব নোৱাৰো। আমি ৰাজধানীলৈকে ঘূৰি যাও।'' এজনে কলে। ''আমি বীৰবলক লগ ধৰো ব'লা। তেওঁ নিশ্চয় আমাক এটা উপায় দিব।'' আন এজনে কলে।



৪. তেওঁলোকে ৰাজধানীত প্ৰৱেশ কৰিলে আৰু বীৰবলৰ ওচৰলৈ গ'ল। ''বীৰবল, তুমিয়েই আমাৰ শেষ আশা।'' ''চিন্তা নকৰিবা, মোৰ আঁচনিয়ে নিশ্চয় কাম দিব।'' বীৰবলে আঁচনিৰ কথা কলে।

৫. পিছদিনাখন, বীৰবলৰ লগত খোজ কাঢ়িবলৈ যাওতে সম্ৰাটে দুজন সংগীতজ্ঞক দেখিলে। তেওঁলোকে বীৰবলৰ আঁচনি মতে কাম কৰিলে।

৬. তেওঁলোকক দেখা পাই সম্ৰাটৰ বৰ খং উঠিল। ''তললৈ নামি আহা। মোৰ আদেশ অমান্য কৰাৰ সাহস তোমালোকে ক'ত পালা?'' দুয়োজনে গছৰ পৰা নামি আহিল।

৭. ''শ্বাহেনশ্বাহ, আমি দেশৰ সীমা অতিক্ৰম কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু আপোনাৰ সম্ৰাজ্য ইমানেই বিশাল যে তাৰ কোনো সীমাই বিচাৰি উলিয়াব নোৱাৰিলো।''

৮. সম্ৰাট আনন্দিত হ'ল। ''তেন্তে তোমালোকে গছৰ ওপৰত কিয় উঠিছা?'' ''সম্ভৱ আকাশেই হ'ল আপোনাৰ সম্ৰাজ্যৰ সীমা। গতিকে আমি আকাশলৈ যাবলৈ বুলি গছত উঠিছো।''

৯. সম্ৰাটে উত্তৰটো শুনা পাই হাঁহিলে। ''এয়া সম্ভৱত বীৰবলৰ বুদ্ধি। ঠিক আছে, মই তোমালোকক ক্ষমা কৰি দিলো। তোমালোকে কালিলৈৰ পৰাই দৰবাৰলৈ আহিবা।''

তুমি জানানে?

গছৰ সময়

ক্ৰন'লজি হ'ল সময় অনুসৰি কোনো ঘটনা প্ৰবাহ। কিন্তু ডেন্দ্ৰ'ক্ৰন'লজি কি তুমি জানানে? সেয়া হ'ল গছৰ সময় বা গছৰ আঙুঠিৰ অধ্যয়ন।

সেই আঙুঠিবিলাকে আমাক গছৰ বিষয়ে বহু তথ্যৰ সন্ধেদ দিয়ে। গছৰ বয়স আৰু ইয়াৰ জীৱন কালত ঘটা পৰিবেশৰ সালসলনিৰ বিষয়ে এই আঙুঠিসমূহ অধ্যয়ন কৰি গম পাব পাৰি।

গছৰ কোনো ক্ষতি নকৰাকৈ এই আঙুঠিবিলাকক পৰ্যবেক্ষণ কৰিবলৈ বিজ্ঞানীসকলে এটা উপায় উলিয়ালে, যাক 'ক'ৰিং' বুলি কোৱা হয়। পৰ্যবেক্ষণৰ বাবে প্ৰয়োজনীয় 'ক'ৰিং ছেম্পল' সংগ্ৰহ কৰিবলৈ এটা ফোপোলা চুঙা গছৰ কাণ্ডৰ ভিতৰলৈ সুমুৱাই দি উলিয়াই অনা হয়।

গুপ্তধনৰ বাকচ

এই মাহত আমি কেইটামান সাগৰীয় জীৱৰ ছবিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আঁহা।

সামুদ্ৰিক অশ্ব

জেলী মাছ

সামুদ্ৰিক এনেমোনে



সামুদ্ৰিক কাছ

তৰা মাছ



ক্লাউন মাছ

CHANDAMAMA'S

Ramayana

An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

CHANDAMAMA (Assamese) January 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12